# গ্ৰন্থ পৰিচিতি

অক্টোবৰ, ২০১৮



সময় সলনি হয়...
মাটিৰ ঢিমিক ঢামাক চাকি
গৈ হয়
ঘৰৰ মূধচতে পোৱা সৌৰ শক্তি
সময় সলনি হয়...

# গ্ৰন্থ পৰিচিতি

**অক্টোবৰ, ২০১৮**

# গ্ৰন্থবান্ধৱ

## গ্ৰন্থেৰে সমৃদ্ধ জীৱন....

**সম্পাদক :** সঞ্জীৱ সভাপণ্ডিত
**এই সংখ্যাৰ সহযোগী :** অমৃতা সভাপণ্ডিত, হৰ্ষজিৎ কলিতা
**ব্যৱস্থাপনাঃ** ভিবজিঅৰ এন্টাৰপ্ৰাইজ – আমিনগাঁও, গুৱাহাটী
উৎপল দাস (স্বাগতম ৰিয়েল ইষ্টেট প্ৰাঃ লিঃ– চাৰ্ভে, বেলতলা, গুৱাহাটী)

**www.granthabaandhav.in**
granthabaandhav@gmail.com

## এক আশাহত বিড়ম্বনা

অসম সাহিত্য সভাৰ সভাপতিয়ে মোলৈ ফোন কৰিলে। এদিন লগ পোৱাৰ আগ্ৰহ প্ৰকাশ কৰিলে। সময়-দিন ঠিক হ'ল। সেইমতে গ'লো। যোৱাৰ আগলৈকে উদ্দেশ্যটো গম পোৱা নাছিলো। সুধিছিলো, নক'লে। লগ পাই মুখা-মুখিকৈ ক'ম বুলি কোৱাত বেছি জোৰ নকৰিলো। দুদিনৰহে কথা।

'আপুনি যিটো কাম কৰি আছে, সেই কামটো অসম সাহিত্য সভাই কেতিয়াবাতে কৰিব লাগিছিল। অসমত হাজাৰ হাজাৰ কিতাপ ছপা হৈছে; কিন্তু কোনো সংৰক্ষণ নাই, কোনো ৰেকৰ্ড নাই। আমাৰ শাখা সাহিত্যবিলাকেও বহুত কিতাপ প্ৰকাশ কৰে। আপোনাৰ 'গ্ৰন্থ পৰিচিতি'ৰ কামটোকে বহলাই দিয়ক। সমগ্ৰ অসমখন সামৰি লওক। এটা Project Report তৈয়াৰ কৰি দিয়ক আমাক। ভালকৈ। সুন্দৰকৈ। আমাৰ বিভিন্ন ঠাইত বিভিন্ন মানুহ আছে। কাৰ্য্যালয় আছে। আপুনি ধুনীয়াকৈ Structure এটা কৰি দিয়ক। যদি ভাবে, আপুনিয়ে সেইটো পৰিচালনা কৰক। মুঠতে অসমীয়া সাহিত্যৰ বুৰঞ্জী সৃষ্টিৰ ক্ষেত্ৰত এইটো এটা বৃহৎ পদক্ষেপ হ'ব। আমাৰ কিতাপবিলাকৰ ISBN ৰ নিচিনা একোটা নম্বৰো দিব লাগে। এটা মানদণ্ডও সৃষ্টি হ'ব।'

ভালেমান সময় আলোচনা হ'ল। আচলতে আধা ঘন্টা মানৰ কথা হ'ব লাগিছিল। কিন্তু ২ ঘন্টামান লাগিল। এটা বাক্য আৰম্ভ কৰোঁতেই কোনোবা এজন সোমাই আহিল- তেওঁৰ কামটোৰেই সেইমুহূৰ্তৰ বিশ্বৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ কাম- গতিকে মই মুখ জপাই দিব লগা হ'ল বা তেওঁ ৰৈ দিলে। সেইজনৰ লগত আকৌ মোক চিনাকি কৰাই দিলে। সেইজন থাকোঁতেই আকৌ কোনোবা এজন আহিল। তাতো সময় গ'ল। তাৰ মাজতে আকৌ ফোন। মুঠতে মহা অশান্তিৰ মাজেৰে সময়কণ পাৰ কৰি গুচি আহিলো।

মই তেনেকে কাম নকৰো। গতিকে মোৰ অশান্তি বেছি হ'ল। নিৰ্দিষ্ট সময়ৰ ভিতৰত মই এখন প্ৰকল্প নথি দিবলৈ গ'লো। Pen Drive ত লৈ গৈছিলো। তেখেত নাছিল। অফিচৰ কম্পিউটাৰ টোত Copy কৰি থৈ আহিবলৈ ক'লে। সেইমতে কৰিলো।

'মই পঢ়ি ল'ম। কিবা থাকিলে জনাম আৰু এদিন আকৌ আলোচনাত বহিম।'- মোক ক'লে ফোনতে।

কেইদিনমানৰ পিছত মোক মাতিলে। গ'লো। বহিলো। Conference hall ৰ নিচিনা কোঠাটোত কেইজনমান মানুহ বহি আছিল। এফালৰ পৰা মোক চিনাকি কৰি দিলে।

চিংগাপুৰ-হংকঙত থকা দুজন অসমীয়া ডেকা বহি আছিল। তেওঁলোক অসম সাহিত্য সভাৰ চিংগাপুৰ শাখাৰ বিষয়ববীয়া। তেওঁলোকে সাহিত্য সভাৰ বেনাৰত এখন Global Assamese Diaspora Meet পাতিব খোজে চিংগাপুৰত।

সেই লৈ কথা বতৰা চলি থাকিল। নতুন নতুন মানুহ আহি থাকিল। গৈ থাকিল। চিনাকি পৰ্ব চলি থাকিল। চাহ আহি থাকিল। বাহিৰত এফালে ভাতৰো যো-জা চলি আছিল।

৭ বজাত মোক মতা হৈছিল। মই ৬.৫৫ ত গৈ পাইছিলো। মাজে মাজে এবাৰ দুবাৰ মই দিয়া Project টোৰ কথা ওলাইছিল। কিন্তু সেইটো তেতিয়ালৈকে কোনেও পঢ়া নাছিল। মাজতে দুবাৰ মোক সোধা হৈছিল-

- আপুনি কোনটো কম্পিউটাৰত থৈ গৈছিল বাবু?
- তাৰিখটো কি আছিল?
- ল'ৰাটো দেখিবলৈ কেনেকুৱা আছিল?
- ফাইলটোৰ নাম কি আছিল বাবু?

প্ৰায়বিলাক কথোপকথনতে মই মনে মনেই আছিলো। চিংগাপুৰত কি কি Program হ'ব সেইবোৰ কথা বেছিকৈ পাতিছিল। কিন্তু যেতিয়া অসমীয়া খোৱা বোৱা, অসমীয়া পোছাক পাতি, ফেশ্বন শ্ব', গান-নাটকৰ কথা ওলাল, তেতিয়া ৰ'ব নোৱাৰি কৈ দিলো-

'সাহিত্য সভাৰ নামত ফেশ্বন শ্ব' কৰিলে ইয়াৰ কাগজে আপোনালোকক সুদাই নেৰে।' 'সাহিত্যৰ কথা কি পতা হ'ব?' 'অন্য নহ'লেও এনেকুৱা কথা কিছুমান পাতিব পাৰে-

- বিভিন্ন অভিজ্ঞতাৰে পুষ্ট মানুহবিলাকে নিজৰ নিজৰ প্ৰবাসী অস্তিত্বৰ অভিজ্ঞতাৰ কথা ক'ব পাৰে। সেইবিলাকৰ Audio record হ'ব পাৰে- পিছত লিপিবদ্ধ কৰিবলৈ।

- অসমীয়া সাহিত্যৰ অনুবাদৰ কথা হ'ব পাৰে।

- প্ৰবাসীসকলৰ ল'ৰা-ছোৱালীক কিছু পৰিমানে অসমৰ- তেওঁলোকৰ শিপাৰ ৰস দিব পৰাকৈ কিবা কৰিব পাৰে।

- অসমৰ বাতৰি কাকত বিলাক Content ৰ ব্যাপকতাৰ ফালৰ পৰা বৰ দূৰ্বল। প্ৰবাসীসকলে দেশ বিদেশৰ কথা ঘটনা(News নহয়) লিখি সাহিত্য সভালৈ পঠাব পাৰে। সাহিত্য সভাই সেইবোৰ প্ৰকাশৰ ব্যৱস্থা কৰিব পাৰে।'

কথাবোৰ মানুহবিলাকে মন দি শুনা যেন লাগিল; কিন্তু কোনেও লিপিবদ্ধ কৰা নেদেখিলো।

এটা কথা পিছে সজোৰে মোক যেন বুজাবলৈকে ক'লে যে সেইখন সাহিত্য সভাৰ অধিবেশন নহয়। সাহিত্য সভাৰ আলমত বিশ্বৰ বিভিন্ন প্ৰান্তৰ প্ৰবাসী অসমীয়াসকল গোট খাই অসমৰ কথা ভাবিবলৈ এখন মঞ্চ দিয়াৰহে প্ৰয়াস।

ময়ো তেনেকৈ বুজিলো।

৯.৩০ বাজিল। ইতিমধ্যে মই উঠিবলৈ বিচাৰিলো। মোক জোৰকৈ ওপৰলৈ গৈ ভাত খাই যাবলৈ ক'লে। এজনে হাতখন খামুচিয়েই ধৰি লৈ গ'ল। সংশ্লিষ্ট কাৰোবাৰ কেঁচুৱাৰ জন্মদিন উদযাপন।

সেই কামকণ কৰি উভতি আহিলো। সভাপতিয়ে মোক আকৌ এদিন লগ পাম বুলি ক'লে। কামটো কৰিবই লাগিব বুলি জোৰ দি ক'লে।

মই কাঠ হাঁহি এটা মাৰিলো।

মোৰ ৭ দিনৰ কষ্টৰ কথালৈ মনত পৰিল। আৰু মনত পৰিল- বাট্ৰাণ্ড ৰাছেলে কৈছিল- As long as there are fools in this world, there will be hope- alive ।

The World শব্দটো গুচাই Assam শব্দটো দি পঢ়িবলৈ পাঠকক অনুৰোধ কৰিলো।

<u>সূচীপত্ৰ</u>


প্ৰবন্ধ সংকলনঃ
১) উত্তৰ আধুনিকতাবাদ, বিশ্বায়ন ইত্যাদি
২) সম্প্ৰীতি (উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোক সাহিত্য)

উপন্যাসঃ
৩) জোনাকৰ পথী উৰে
৪) হিংৰামীয়া-প্ৰ

গল্প সংকলনঃ
৫) সৃজন

আত্মকথা / জীৱনীভিত্তিকঃ
৬) স্বগতোক্তি
৭) ড০ জয়ন্ত মাধব - এক সাৰস্বত ব্যক্তিত্ব

কবিতা সংকলনঃ
৮) ভোক
৯) উমাপ্ৰসন্ন দে'ৰ স্বৰচিত কবিতা

বুৰঞ্জীমূলকঃ
১০) তিনিচুকীয়াৰ ইতিহাস

বিচিত্ৰঃ
১১) বৰণীয়া প্ৰেম

নাটক/চিত্ৰনাট্যঃ
১২) সংস্কৃতি (নাটক আৰু চিত্ৰ ভাস্কৰ্য্য বিষয়ক আলোচনী)

বাতৰি কাকতৰ পৰা -

দৈনিক জনমভূমিঃ
১৩) স্ব-অনুগামী
১৪) প্ৰত্যাহ্বান

অসমীয়া প্ৰতিদিনঃ
১৫) উত্তৰ-ঔপনিৱেশিক কবিতা
১৬) অসমলৈ বিদেশী প্ৰব্ৰজন - নেহেৰুৰ পৰা মোডীলৈ
১৭) প্ৰকৃতিৰ লয় আৰু প্ৰলয়
১৮) উকিয়ামৰ উকি

দৈনিক অগ্ৰদূতঃ
১৯) পদ্মনাথ গোহাঞি বৰুৱা
২০) বিৱৰ্তনৰ ৰূপৰেখা
২১) চিন্তা তৰংগ
২২) জীৱনৰ যুঁজৰ ডায়েৰী
২৩) ছৈৰ তলৰ অপ্ৰেম

আমাৰ অসমঃ
২৪) সোণবালি বাগিচাৰ ভূত
২৫) মৰা সুঁতিৰ চকুলো
২৬) লুইতপৰীয়া অন্য এক অসিজীৱী চামুৰাই
২৭) সংবাদ, সাংবাদিকতা আৰু তেজপুৰৰ সংবাদকৰ্মীৰ ৰূপৰেখা
২৮) ৰেগিং কৰিবিনে ?
২৯) অসমৰ ঠাইৰ নামত লোকসাংস্কৃতিক উপাদান আৰু ইয়াৰ ঐতিহ্য
৩০) চিনাকি আবাসী
৩১) মন গংগাৰ তীৰত
৩২) চিন্তনঃ কথা আৰু ছন্দৰে
৩৩) অৰণ্যত ঝিলীৰ ৰোদন
৩৪) জনান্তিকৰ শব্দ

দৈনিক অসমঃ
৩৫) বৰ্ণিল অৱলোকন
৩৬) নাৰীঃ কত ৰং - কত ৰূপ
৩৭) ভাষা আৰু সাহিত্যঃ বিচাৰ আৰু বিশ্লেষণ
৩৮) নাট্যতত্ব আৰু আলোচনা
৩৯) আত্মতত্ব জ্ঞান
৪০) বিষ্ণুপ্ৰিয়া মণিপুৰী - সাহিত্যালংকাৰ
৪১) কালীয়াৰ সুৰ
৪২) গতিহীন সোঁত
৪৩) আচল মানুহ
৪৪) অসমৰ লোক-সংস্কৃতিৰ সমীক্ষণ
৪৫) জীৱন মালিতা

The ASSAM TRIBUNE :
৪৬) Paromanowik Samay
৪৭) Anabritayon
৪৮) Inside the Investments of Warren Buffett: Twenty Cases
৪৯) Mahabharatayan
৫০) Ankush

**৫১) Samboli! Beware!**

**৫২) 31 Miles**

**৫৩) Neel Sagoror Seuji Saa**

**৫৪) Sivasagar: A Glimpse**

**৫৫) String of Thoughts on North East India: Economist's Perspectives**

**প্ৰবন্ধ সংকলনঃ**



**উত্তৰ আধুনিকতাবাদ, বিশ্বায়ন ইত্যাদি**
**লেখক - ড০ অপূৰ্ব ভাস্কৰ গগৈ**
**প্ৰকাশক - দীপ্তি দুৱৰা**
**মূল্য - ২০০.০০ টকা**

পৃথিৱীখনক বিভিন্ন দৃষ্টিভংগীৰে বিভিন্নজনে চাইছে বিভিন্ন সময়ত। গল্প-কবিতাৰ পৃথিৱীখনৰ পৰিৱৰ্তন আৰু সমাজ-অৰ্থনীতিৰ পৰিৱৰ্তন মূলতঃ একেই- স্বীকাৰ কৰিলেও বা নকৰিলেও। সাধাৰণভাৱে শাক-কচুৰে ভাত খোৱা-নিচা অকণমান কৰি মনত ৰং লগাই নাচি বাগি ৬০/৭০ বছৰ বয়সত মৰি থকা মানুহে বিশ্বৰ আৰ্থ-সামাজিক-মানসিকতা পৰিৱৰ্তনৰ ইমান বুজ নাপায়। পৃথিৱীখন ইমান জটিলভাৱে লোৱাৰ যুক্তিযুক্ততা কিমান সেইটো বুজাত কষ্টসাধ্য। কিন্তু বিচাৰিলে বা নিবিচাৰিলেও ক্ৰমশঃ আৰু দ্ৰুতভাৱে জটিলতাৰ ফালে গতি কৰাটো মানৱসভ্যতাৰ লক্ষণেই।

এই কিতাপত বিশ্বায়ন, সমাজ বিৱৰ্তন, আধ্যাত্মিকতা, উত্তৰ আধুনিকতাবাদ, বিচ্ছিন্নতাবাদ আদি বহু কথাৰ বিশ্লেষণ কৰা হৈছে। বহু তাত্বিক মানে academic কথাৰ অৱতাৰণা কৰা হৈছে। বিশ্ব অৰ্থনীতি এটা দুৰ্বোধ্য সাঁথৰ। বিশ্ব সমাজ গতি কৰিছে বিভিন্ন দিশত। কোনেও কাকো নিয়ন্ত্ৰণ কৰা নাই। চিকাৰীয়েই চিকাৰ হৈছে। কাৰ্য্যই কাৰক হৈছে, কাৰণেই কাৰক হৈছে। সকলো কথাৰ প্ৰভাৱ সকলোতে পৰিছে। বুজি নোপোৱা তত্ব আবিস্কাৰ হৈছে। সৰু সৰু কথাৰে জটিল ব্যাখ্যা হৈছে।

প্ৰবন্ধবিলাকৰ শিৰোনামেই লেখকৰ বৌদ্ধিক চৰ্চাৰ ক্ষেত্ৰখন উন্মোচিত কৰিছে। প্ৰচুৰ অধ্যয়নৰ কথা প্ৰকাশ পাইছে- 'হৰপ্পীয় লিপিঃ সমস্যা আৰু সম্ভাৱনা', 'সমাজবিৱৰ্তনত আধ্যাত্মিকতাৰ স্থান', 'বিশ্বায়ন আৰু অসমীয়া সাহিত্য', 'বিজ্ঞান, বিশ্বায়ন আৰু উত্তৰ আধুনিকতাবাদ', 'বিশ্ব সংগীতঃ পশ্চিমীয়া সংগীত', 'বিচ্ছিন্নতাবাদৰ সমস্যা আৰু সমাধান', 'আধুনিক কবিতাত ব্যক্তিসত্তা আৰু বিচ্ছিন্নতা', 'লোককৃষ্টিৰ বিশ্লেষণ', 'অসমৰ সাহিত্য-সংস্কৃতিৰ জগতত স্থানীয়', 'সংবাদপত্ৰৰ ভূমিকা', 'উত্তৰ আধুনিকতাবাদ আৰু 'পৰিচিতি সত্তা'ৰ ৰাজনীতি', 'আধুনিকতাবাদ আৰু অসমীয়া গল্প', 'অম্বিকাগিৰীৰ স্বদেশপ্ৰেম আৰু বৰ্তমান অসমৰ পৰিস্থিতিত তাৰ প্ৰাসংগিকতা', 'ভাৰতীয় শিল্প আৰু এম এফ হুছেইন', 'মুক্ত বাণিজ্য-ভাৰত-অমৰ্ত্য সেন ইত্যাদি', 'লোকসংগীত আৰু অসম', 'বৰ্তমান সামাজিক পৰিস্থিতিত লেখকৰ ভূমিকা', 'অসমীয়া সংস্কৃতিত বহিঃসংস্কৃতিৰ আগ্ৰাসন আৰু জীয়াই থাকিবৰ বাবে সাংস্কৃতিক পুনৰ্নিৰ্মাণ আঁচনি', 'সংস্কৃতি কোন দিশে?', 'অসমীয়া সংগীতঃ এটি প্ৰাৰম্ভিক আলোচনা' আৰু 'বৈজ্ঞানিক দৃষ্টিভংগী আৰু বস্তুনিষ্ঠ সাহিত্য'।

অৱতৰণিকাত লেখকে কৈছে- আধুনিক বিজ্ঞানৰ জয়যাত্ৰা এতিয়াৰ পৰা চাৰিশ বছৰৰ আগতেই আৰম্ভ হৈছিল। তেতিয়াৰ পৰাই মানুহে উপলব্ধি কৰিবলৈ ধৰিছিল যে, এনে এখন বিশ্ব মানুহে গঢ়ি ল'ব পাৰিব, য'ত মানুহৰ অধিকাৰ আৰু স্বাধীনতা সৰ্বোচ্ছ ৰূপত পাব পৰা যাব। কিন্তু বাস্তৱত সেয়া হৈ নুঠিল; ব্যক্তিস্বাতন্ত্ৰ্যবাদ আৰু সাম্যবাদ- বিপৰীতমুখী দুটা আদৰ্শই পৃথিৱীত ভুমুকি মাৰিলে। পুঁজিবাদী ব্যৱস্থাৰ ব্যক্তিস্বাতন্ত্ৰ্যবাদ ব্যক্তি-মুক্তিৰ বাহন হ'ব পৰা নাই। আনহাতে, অন্ন-বস্ত্ৰ-সংস্থানৰ দাবীত তাৎক্ষণিক প্ৰয়োজন পূৰণৰ বাবে প্ৰতিষ্ঠিত 'জৰুৰীকালীন' সমাজবাদেও আংশিকভাৱেহে সফলতাৰ মুখ দেখুৱাইছে। সাম্যবাদ প্ৰতিষ্ঠাৰ বাস্তৱতা এতিয়াও ভৱিষ্যতৰ গৰ্ভত। এনেবিলাক পৰিস্থিতিত জ্ঞান-বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত হোৱা বাদানুবাদত কোনটো মাৰ্গ সত্যানুসয়ী- সেইবিষয়ে সিদ্ধান্ত লোৱাটো সৰ্বসাধাৰণৰ বাবে টান হৈ পৰিছে। আনহাতে, বৰ্তমানৰ পৰিৱৰ্তনৰ দ্ৰুততাৰ বাবে জনগণে 'সত্য' বুলি চিহ্নিত সিদ্ধান্তসমূহৰো মুহূৰ্তে মুহূৰ্তে

স্থানচ্যুতি ঘটিছে। এনে বহু কাৰকৰ বাবে ব্যক্তিয়ে একোকেই বিশ্বাস কৰিব নোৱাৰা হ'ব পাৰে; আনকি নিজৰ স্থিতিকো ধৰিব নোৱাৰা হ'ব পাৰে। ফলত ব্যক্তি, নৈৰাশ্যৰ চিকাৰ হোৱাটো আচৰিত কথা নহয়।

আত্মকেন্দ্ৰিক সমাজ ব্যৱস্থা, জ্ঞানৰ অসমতা, তাৰ ল'গে ল'গে উপভোক্তাবাদৰ নাগপাশত হোৱা বন্দীত্ব- এনেবোৰ পৰিস্থিতিয়ে যি সন্দেহ আৰু হতাশাৰ সৃষ্টি কৰিছে, - তাৰ পৰা গঢ় লোৱা নেতিবাচক মনোভাৱৰেই সমষ্টিগত ৰূপ 'উত্তৰ আধুনিকতাবাদ'। মানৱ সভ্যতাৰ বিকাশৰ ইতিহাসৰ পৰা আহৰিত সামগ্ৰিক জ্ঞান-ভাণ্ডাৰৰ প্ৰৱাহৰ আলমত চিহ্নিত আৰ্থসামাজিক ব্যৱস্থাৰ মহাব্যাখ্যানক এই দৰ্শনে অস্বীকাৰ কৰিছে। এই দৰ্শনত 'শব্দ'ক আমোঘ কৰি তুলি 'শব্দ'ৰ আঁৰৰ বাস্তৱতাক অস্বীকাৰ কৰাৰ জৰিয়তে 'সত্য'কো অস্বীকাৰ কৰা হৈছে। 'বৈপৰীত্যৰ দ্বন্দই প্ৰগতি' এই আমোঘ নিয়মৰ ঠাইত বৈপৰীত্যৰ দ্বন্দসমূহক বিনিৰ্মাণ কৰি অৰ্থনীতি-সমাজ-দৰ্শন এই সকলোতে অন্তহীন বিশৃংখল সৃষ্টি কৰা হৈছে।

সংকলনটিৰ ভালেকেইটা প্ৰৱন্ধত বিশ্বায়নৰ আলোচনাই ঠাই পাইছে। আমাৰ উদ্বেগৰ কাৰণ, সিবিলাকত প্ৰকাশো পাইছে। প্ৰথম পৰ্যায়ৰ অৰ্থনৈতিক বিশ্বায়নৰ শেষৰ কেইবছৰমানত সম্পদৰ পুনৰ্বন্টন, বজাৰ দখল আৰু মহামন্দাৰ সংকট মোকাবিলা কৰিব পৰাকৈ যুদ্ধাস্ত্ৰৰ বজাৰ পোৱাৰ স্বাৰ্থৰ বাবে প্ৰবল উৎসাহেৰে দুখনকৈ বিশ্বযুদ্ধ পাতি সাতকোটিতকৈ বেছি মানুহ মাৰি পেলোৱা হৈছে। সেই কামৰ মানৱিক আধাৰ সৃষ্টি কৰিবলৈও যুদ্ধবাজবিলাকৰ চেষ্টাৰ ত্ৰুটি নাই! কিন্তু, সাম্প্ৰতিক বিশ্ব পৰিস্থিতি তেতিয়াতকৈ বহুগুণ জটিল হৈছে। বিশ্বায়নৰ দ্বিতীয় পৰ্যায়ত বিশ্বপুঁজিবাদে যি পৰিমাণে আগ্ৰাসী অৱস্থা পাইছেগৈ, বিশ্ব অচিৰেই ভয়াবহ সংকটৰ মুখা-মুখি হ'ব বুলি অনুমান কৰা কঠিন নহয়।

**সম্প্ৰীতি** (উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোক সাহিত্য)
**সম্পাদনা - ড° কৰবী বৰুৱা গগৈ**
**সহকাৰী সম্পাদক - অনন্ত টেৰণ**
**প্ৰকাশক - সম্প্ৰীতি অসম, ডিব্ৰুগড়**
**মূল্য - ৩৩০.০০ টকা**



অসমৰ এটি সামাজিক সাংস্কৃতিক বিনিময় আৰু সৎ ভাৱনা সংস্থা 'সম্প্ৰীতি অসম'ৰ জন্ম হৈছিল ২০১৩ চনৰ ২৬ মে' তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° ভীমকান্ত বৰুৱাৰ বাসগৃহত। বৰ্তমানৰ সামাজিক প্ৰেক্ষাপটত জাতি-জনগোষ্ঠীভেদে সকলোৰে সন্মিলিতভাবে একেলগে সৎ ভাবেৰে আগবাঢ়ি যাব পৰাকৈ এটি পৰিৱেশ সৃষ্টিৰ প্ৰয়োজনবোধ কৰাতেই 'সম্প্ৰীতি অসম'ৰ জন্ম হয়।

উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ মাজত সাহিত্যৰ মাজেৰে আৰু সাংস্কৃতিক আদান প্ৰদানৰ জৰিয়তে ঐক্য স্থাপন কৰিবলৈ সম্প্ৰীতি অসমে প্ৰথমৰে পৰা চেষ্টা কৰি আহিছে। সংস্থাটিৰ প্ৰথম বছৰ প্ৰতিষ্ঠা দিৱসত 'সম্প্ৰীতি উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোক-উৎসৱ' নামেৰে এখনি গ্ৰন্থ ইতিমধ্যে প্ৰকাশ হৈছে। ২০১৮ চনৰ ২৬ মে তাৰিখে সম্প্ৰীতি অসমৰ ৫ বছৰীয়া বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত প্ৰকাশ কৰিবলগীয়া গ্ৰন্থখনিৰ বিষয়বস্তু হৈছে- 'সম্প্ৰীতি উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোক-সাহিত্য'।

সম্প্ৰীতি অসমৰ লক্ষ্য আৰু উদ্দেশ্য-

১/ বৰ্ণিল সমাজ সংস্কৃতিৰ সমন্বয় আৰু জনগোষ্ঠীসমূহৰ সুৰীয়া সংস্কৃতি হৈছে অসমৰ ৰাইজৰ অন্যতম এক আকৰ্ষণ। এক বৰ্ণাঢ্য সংস্কৃতিক আন্তৰিকতাৰে আৰু পাৰস্পৰিক সহযোগিতা, শ্ৰদ্ধাৰে উলিয়াই আনিবলৈ সম্প্ৰীতি অসমৰ জৰিয়তে চেষ্টা কৰা হয়।

২/ মানুহৰ প্ৰতি মানুহৰ শ্ৰদ্ধা, ভক্তি আৰু আন্তৰিকতা জগাই তুলি ভেদাভেদ দুৰ কৰিব।

৩/ এই মঞ্চত জনগোষ্ঠীয় বৈশিষ্ট্যসমূহ বজাই ৰাখি ঐক্য সম্প্ৰীতি ৰক্ষা কৰি আগবাঢ়ি যোৱাৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

৪/ জনগোষ্ঠীয় সংস্কৃতিৰ আদান-প্ৰদানেৰে সম্প্ৰীতি সৃষ্টিৰ প্ৰচেষ্টা কৰা হ'ব।

৫/ জনগোষ্ঠীয় গীত-মাত আৰু গায়নৰ জৰিয়তে অনুভৱৰ আদান-প্ৰদান কৰা হ'ব।

৬/ পিছ পৰা শ্ৰেণীৰ শিশুসকলক সম্প্ৰীতিৰ তৰফৰ পৰা আৰ্থিক অনুদান আগবঢ়োৱাৰ লগতে তেওঁলোকৰ সৰ্বাংগীণ বিকাশত গুৰুত্ব দিয়া হ'ব।

৭/ জনগোষ্ঠীয় গাঁৱলৈ গৈ তেওঁলোকৰ লগত সাংস্কৃতিক বিনিময় কৰা হ'ব। তেনে গাঁও সমূহৰ পৰা বছৰেকীয়া ভিত্তিত অতি কমেও ৫ জন লোক শিল্পীক সম্বৰ্ধনা জনোৱা হ'ব।

৮/ ক্ৰমান্বয়ে হেৰাই যাবলৈ ধৰা লোক-সংস্কৃতিসমূহক সম্প্ৰীতি অসমে বিশ্ব দৰবাৰত পৰিচয় কৰোৱাই দিয়াৰ আঁচনি কৰিব।

৯/ অসমৰ পিছ পৰা শ্ৰেণীৰ লোকসকলৰ স্বাস্থ্য আৰু শিক্ষাৰ দিশতো সম্প্ৰীতি অসমে ভূমিকা গ্ৰহণ কৰিব।

কিতাপখনৰ প্ৰবন্ধলানি হৈছে- 'অসমৰ জনগোষ্ঠীয় লোকগীতঃ আলোকপাত', 'ৰাভা লোকসাহিত্যঃ শিশু লোক-সাহিত্যৰ বিশেষ উল্লিখনসহ', 'ডেউৰী লোকগীতঃ এক চমু আলোচনা', 'বড়ো জনগোষ্ঠীৰ লুপ্তপ্ৰায় লোকগীতঃ এটি আলোকপাত', 'অসমৰ চাহ জনগোষ্ঠীৰ জাহলী গীতঃ প্ৰসংগ আৰু পৰম্পৰা', 'অসমীয়া লোক-সাহিত্যঃ বিয়া নাম', 'লোক-সাহিত্যৰ অমূল্য সম্পদ হাজং জনগোষ্ঠীৰ 'বিয়া নাম', 'মৰাণ জনগোষ্ঠীৰ লোকউৎসৱ-অনুষ্ঠান বৰ্হিভূত লোকগীত', 'ৰাভা লোকগীতঃ এটি পৰিচয়', 'অসমীয়া আৰু ডেউৰী লোকগীতৰ বিষয়বস্তুৰ সমৰূপতা', 'মটক জনগোষ্ঠীৰ লোকগীতঃ এটি অধ্যয়ন', 'মৰাণ জনগোষ্ঠীৰ লোক-সাহিত্য', 'চিংফৌ জনগোষ্ঠীৰ লোক-সাহিত্যঃ এটি চমু আলোচনা', 'অসমৰ টাইফাকেসকলৰ লোকগীত', 'মিচিং লোক-সাহিত্যঃ এক আলোচনা', 'মণিপুৰী জনগোষ্ঠীৰ লোক-সাহিত্য', 'টাইসকলৰ ছেং নাং বিহু আৰু প্ৰচলিত লোককথাঃ এটি আলোচনা', 'নক্টে জনগোষ্ঠীৰ লোক-সাহিত্য', 'টাই খাময়াং সমাজৰ লোক-সাহিত্য', 'সোণোৱাল কছাৰী লোক-সাহিত্যঃ চমু অৱলোকন', 'অসমৰ টাই জনগোষ্ঠীয় সমাজত প্ৰচলিত সাধুকথাঃ এটি অধ্যয়ন', 'টাই খাময়াং জনগোষ্ঠীৰ সাধুঃ এটি বিশ্লেষাত্মক অধ্যয়ন', 'চুতীয়াসকলৰ লোককথা', 'তিৱা লোকগীতঃ এটি আলোচনা', 'টাই আহোম ভাষাৰ সাহিত্য', 'কাৰ্বি লোক-সাহিত্য'

## উপন্যাসঃ



**জোনাকৰ পথী উৰে**
**লেখক - নীলিম আকাশ কাশ্যপ**
**প্ৰকাশক - বনলতা**
**মুল্য - ৩০০.০০ টকা**

মহান লেখকৰ সাহিত্যৰাজিক লৈ ইতিপুৰ্বে বিশ্বসাহিত্যত নানান সম্পৰীক্ষন কৰি অহা হৈছে। তাৰ ভিতৰত মহান লেখকৰ সৃষ্টিৰাজিৰ অনুলেখন, চলচিত্ৰকৰণ আদি উল্লেখযোগ্য। অসমত এনেধৰণৰ সম্পৰীক্ষণ খুৱেই তাকৰীয়া। তাৰ মাজতেই এই মাহতেই এক নতুন সম্পৰীক্ষন অসমীয়া সাহিত্যতো চলোৱা হৈছে। সেয়া হৈছে গল্পৰ উপন্যাসীকৰণ। বিশিষ্ট উপন্যাসিক, গল্পকাৰ হোমেন বৰগোহাঞিৰ জীৱনৰ অন্তিমটো গল্প তথা বহুপঠিত,বহুচৰ্চিত গল্প 'গৰখীয়া'ৰ আধাৰত এখন উপন্যাস ৰচনা কৰা হৈছে।এজন গৰখীয়াৰ জীৱনৰ সুখ-দুখ-আশা-প্ৰত্যাশাৰ এক বাস্তৱ ছবি উপন্যাসখনত প্ৰতিভাত কৰাৰ চেষ্টা চলোৱা হৈছে।লগতে অসমীয়া গ্ৰাম্য সমাজখনৰ এক ছবি সুন্দৰ ৰূপত

উপস্থাপন কৰা হৈছে। উপন্যাসখন ৰচনা কৰিছে যুৱ প্ৰজন্মৰ প্ৰতিভাশালী উপন্যাসিক নীলীম আকাশ কাশ্যপে।অত্যন্ত সাৱলীল ভাষাৰে মনোগ্ৰাহী এই উপন্যাসখন। এই কিতাপখনৰ জৰিয়তে অসমীয়া সাহিত্যত গল্পৰ উপন্যাসীকৰণৰ দৰে নতুন বাট এটা মুকলি হব বুলি কব পাৰি।




**হিংৰামীয়া-প্ৰ**
**লেখক - নীলিম আকাশ কাশ্যপ**
**প্ৰকাশক - জ্যোতি প্ৰকাশন**
**মুল্য - ১৭০ টকা**

আমাৰ সাহিত্যত সম্প্ৰতি নৱীনৰ কিতাপ পঢ়াৰ আগ্ৰহ হ্ৰাসৰ এক অন্যতম কাৰক হল বৰ্তমানৰ কিতাপত নৱীনসকলে তেওঁলোকক নিজকে বিচাৰি নাপায়। অতি সম্প্ৰতি আমাৰ সাহিত্যত এনে এখন উপন্যাস সংযোজন হৈছে যিখনত নৱীনসকলে তেওলোকক নিজক বিচাৰি পাব বুলি আশা কৰিব পাৰি। নতুনৰ চিন্তা ধাৰণা, কাম-কাজ ,আশা প্ৰত্যাশাক সাৰথি হিচাপে লৈ তথা নৱীন প্ৰৱীনৰ পুৰণিকলীয়া আদৰ্শগত সংঘাটক ওফৰাই নৱীন প্ৰৱীনৰ এক যোগসুত্ৰ হব বুলি কিতাপখনক আশা কৰিৱ পাৰি। দুটা প্ৰজন্মৰ মানসিক সামাজিক ঘটনাপ্ৰৱাহেই এই গ্ৰন্থখনৰ মুল উপজীৱ্য।

**গল্প সংকলনঃ**




**সৃজন**
**সম্পাদনা - দেৱাশীষ ফুকন**
**প্ৰকাশক - ৱিমেনজ কলেজ, তিনিচুকীয়া**
**মূল্য ১৩০.০০ টকা**

১৯৬৬ চনত কলেজখন প্ৰতিষ্ঠা হয়। ১৯৮৫ ৰ পৰা ২০১৬ লৈ ছাত্ৰীসকলৰ সাহিত্যকৃতি যিবিলাক কলেজৰ আলোচনীত প্ৰকাশ হৈছিল, তাৰ পৰা নিৰ্বাচিত কৰি সম্পাদনা কৰি প্ৰকাশ কৰা হৈছে। মুঠ ৩২টা গল্পই স্থান পাইছে।

অসম আন্দোলন, নাৰীমুক্তি, পাৰিবাৰিক সমস্যা, ক্ষণভংগুৰ জীৱনৰ কথা, প্ৰেম-ভালপোৱা, কলেজীয়া জীৱনৰ বহুৰঙী সপোনৰ প্ৰতিচ্ছবিৰে মুখৰ এই গল্পবোৰ।

এখন পূৰাকৈ ছাত্ৰীৰ কলেজৰ মানসিক বাতাবৰণ বেলেগ হ'বলৈ বাধ্য। কলেজখনৰ প্ৰতিস্থাতাসকলৰ চিন্তাৰ সূঁতি কিয় এইফালে ঢালখালে-কিয় এখন কেৱল ছোৱালীৰ কলেজৰ কথা আহিল, সেই চিন্তাই কি ফচল দিলে- এনেবোৰ কথাৰ নিশ্চয় পৰোক্ষ প্ৰতিফলন ঘটিছে।

ছাত্ৰাৱস্থাৰ মনৰ পৰিপক্কতাৰ পৰ্য্যায় স্বভাৱিকতে বৰ উচ্চ নহয়। কিন্তু নাৰীৰ সংবেদনশীলতাৰ অনুৰণন পৰিস্ফুত হৈছে গল্পবিলাকত।

**আত্মকথা / জীৱনীভিত্তিকঃ**




**স্বগতোক্তি**
**লেখক - প্ৰদীপ বৰুৱা**
**প্ৰকাশক - সঞ্জীৱন প্ৰকাশন**
**মূল্য - ২৫০.০০টকা**

অসমৰ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ সৰু পুত্ৰ। অসম ট্ৰিবিউন গোষ্ঠীৰ মালিকৰ পুত্ৰ। জাকতজিলিকা ব্যৱসায়ী, নেহেৰু ষ্টেডিয়ামৰ খনিকৰ, উলুবাৰী-আমবাৰী ক্লাইঅভাৰৰ মূদ্ৰক, অসমত ধ্ৰুপদী সংগীতৰ চৰ্চা কৰোৱাৰ বাটকটীয়া, মঞ্চবিহুৰ জন্মদাতা আদি বিভিন্ন গুণেৰে বিভূষিত ৰাধা গোবিন্দ বৰুৱাৰ পুত্ৰ হৈ প্ৰদীপ বৰুৱাই দেউতাকৰ চিনাকিৰে জীৱন কটোৱাৰ কথা নাভাবিলে। তেওঁক লগা হ'ল নিজা পৰিচয়- যিমানেই সি ক্ষুদ্ৰ নহওক লাগে। সেয়ে তেওঁ দেউতাকৰ সম্পদ-সম্পত্তিৰ এক বিন্দু স্পৰ্শ নকৰিলে- কেৱল থকা ঘৰটোৰ বাহিৰে। ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ লগত লগ লাগি জন্ম দিলে 'প্ৰান্তিক' নামৰ এখন আলোচনী যিখন হৈ পৰিল অসমীয়া মধ্যবিত্তৰ বৌদ্ধিক চৰ্চাৰ কঠীয়াতলি। মানুহজনৰ কোনো উচ্চকাংক্ষা নহ'ল। নিজকে বেছি কামৰ মানুহ বুলিও নাভাবিলে। নিজকে Mediocre বুলিয়েই ভাবি ল'লে। ব্ৰাহ্মণৰ সন্তান হৈয়ো লগুণ নাৰাখিলে। গোমাংস খাবলৈকে সংকোচ নকৰিলে। নিজকে সীমাবদ্ধ কৰি ৰাখিলে। সেয়ে তেওঁৰ সৃষ্টি প্ৰান্তিকো সীমাবদ্ধ হৈ থাকিল।

৮০ বছৰীয়া জীৱন পৰিক্ৰমা। অভিজাত পৰিয়াল। মুখ্যমন্ত্ৰীৰ পৰা পথৰুৱা-খেতিয়কলৈকে বিভিন্নজনৰ লগত চিনাকি। আলোচনীখনৰ মাধ্যমেৰেও অনেক বিচিত্ৰজনৰ লগত চিনাকী-সম্পৰ্ক। এনে মানুহৰ লগত হোৱা অজস্ৰ কথা-সম্পৰ্ক-ঘটনাৰ উল্লেখ কিতাপখনৰ শাৰীয়ে শাৰীয়ে তিৰবিৰাই আছে। তাৰেই তেওঁ সমৃদ্ধ হ'ল। প্ৰান্তিকৰ পাতত সৃষ্টি হোৱা নতুন লেখক-লেখিকাই তেওঁৰ কৃতিত্ব। প্ৰান্তিকত প্ৰকাশ পোৱা লেখাক লৈ হোৱা আলোচনাই তেওঁৰ তৃপ্তি, সন্তুষ্টি। প্ৰান্তিকেই তেওঁৰ উপাৰ্জন-শয়ন-সপোন-জীৱন।

'মোৰ জন্ম আৰু মোৰ হ'বলগীয়া মৃত্যুৰ বাহিৰে মোৰ জীৱন মোৰ কৰ্মৰ দ্বাৰা পৰিচালিত।' বচ, তাৰ বাহিৰে তেওঁৰ আৰু একো বক্তব্য নাই। কোনো ৰাজনৈতিক দৰ্শনৰ কথা নাই। কেৱল মানুহ হৈ থকাতেই তেওঁৰ সৰ্বাধিক গুৰুত্ব। তাতেই তেওঁ ব্যস্ত।

কিতাপখনত যোৱা ৫০/৬০ বছৰৰ অসমখনো সপ্ৰতিভভাৱে প্ৰকাশ হৈছে। এক অৰ্থত ই অসমৰ যোৱা ৭০ বছৰৰ এখন সমাজৰ আলেখ্যপঞ্জী।

শ্ৰীমন্ত শংকৰদেৱ আৰু সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পিছত অসমত ৰাধাগোবিন্দ বৰুৱাৰ স্থান অসমৰ খনিকৰ হিচাবে।

এক সুস্থ আৰু সংস্কৃতিবান অভিজাত পৰিয়ালৰ ধ্বজা বহন কৰা প্ৰদীপ বৰুৱা দুটা গুণেৰে বিভূষিত। এটা হ'ল তেওঁৰ নীৰৱ কৰ্ম জীৱন আৰু আনটো হ'ল এটা শান্ত-সমাহিত-শৃংখলিত জীৱন দৰ্শন। তেওঁৰ এই দুয়োটা গুণকে ড০ ভবেন্দ্ৰ নাথ শইকীয়াই সমৃদ্ধ কৰিলে। ১৯৭৯ ৰ পৰা অসমৰ সামাজিক বাতাবৰণ উগ্ৰতা-অস্থিৰতাৰে ভাৰাক্ৰান্ত। ৰাজ্যখনত বহুত উত্থান পতন ঘটিল। কিন্তু প্ৰান্তিক নিজৰ চিন্তা-বিশ্বাস-নীতি-আদৰ্শত স্থিৰ হৈ থাকিল। ফলত প্ৰান্তিকৰ বিশ্বাসযোগ্যতা অটুত থাকিল।

'স্বগতোক্তি' সম্পূৰ্ণ ঘৰুৱা কথা বাৰ্তাৰ শৈলীত লিখা হৈছে। গতিকে ভাষাৰ লালিত্য-ব্যঞ্জনা বা চমৎকাৰীত্ব বিচৰা নিষ্প্ৰয়োজন। বাক্যৰ পৰা বাক্যলৈ, অন্তৰাৰ পৰা অন্তৰালৈ তেওঁ নিজৰ গাত কঢ়িয়াই লৈ ফুৰা সময়ৰ সঁফুৰা মেলি দি গৈছে। ইমান খুটি নাটি মাৰি পুংখানুপুংখৰূপে কথা-সাক্ষাৎ-ঘটনাৰ বৰ্ণনা দিছে যে পাঠকক হাতত ধৰিহে যেন তেওঁ কথাবোৰ কৈছে।

প্ৰদীপ বৰুৱাৰ ৰুচিবোধ এনেকুৱা যে তেওঁ সদায়েই এখন বিদ্বৎ আৰু সুধী সমাজত বিচৰণ কৰিবলৈ সুবিধা পাইছিল। সাংঘাটিক সংকট বা ক্লেদাক্ত পৰিবেশৰ তেওঁ সন্মুখীন হোৱা নাই। কিন্তু এক বিশাল গুণী পৰিয়ালৰ সদস্য হিচাবে এটা বৃহৎ প্ৰতিষ্ঠানৰ লগত সম্পৰ্ক সূত্ৰে, ৰাজনীতি-ক্ৰীড়া-নাটক-সংগীত-সাহিত্য-শিক্ষা-জগতৰ বিভিন্ন ধৰণৰ মানুহৰ লগত সম্পৰ্কেৰে তেওঁ মহীয়ান। অসমৰ জনমানসৰ আগোচৰত থকা বহু কথা এই কিতাপত উন্মোচিত হৈছে।

অসমৰ সাধু সমাজৰ এজন অতি নিৰ্ভৰযোগ্য ব্যক্তি হিচাবে, যাৰ ওচৰত নিঃসংকোচে গুৰুত্বপূৰ্ণ কথা ব্যক্ত কৰিব পাৰি- প্ৰদীপ বৰুৱাই বহু সময়ত নেপথ্যত থাকি বহু জাতীয় দায়িত্ব পালন কৰি আহিছে। নিৰপেক্ষতাক নিজৰ জীৱনৰ ধৰ্ম কৰি লোৱা বৰুৱাই সেয়ে সকলোৰে আস্থা ভাজন হ'ব পাৰিলে। এই গুণটো কিতাপখনত সিঁচৰিত হৈ থকা অজস্ৰ কাহিনীৰ পৰ্য্যবেক্ষক হিচাবে উপৰ্যুপৰি প্ৰকাশ হৈছে।

প্ৰদীপ বৰুৱা বা প্ৰান্তিক ক্ষুৰধাৰ ব্যক্তি বা সাহিত্য নহয়। সাংঘাটিক পৰিৱৰ্তনকামী চৰিত্ৰও পৰিলক্ষিত নহয়। সীমা ঠেলি যোৱাৰ চৰিত্ৰও নাই। কিন্তু কাৰো প্ৰতি পক্ষপাতিত্ব নকৰাকৈ, সৎ আৰু নিৰ্মোহভাৱে নিজৰ জীৱন আৰু জীৱিকা পৰিচালিত কৰা এজন ব্যক্তিয়ে তেওঁৰ নিজৰ আৰু তেওঁৰ পাৰিপাৰ্শ্বিকতাক সফলভাবে উপস্থাপন কৰা বুলি প্ৰত্যয় জন্মিল।

এই কিতাপখন প্ৰান্তিকৰ পাততে চোৱা-চোৱাকৈ প্ৰকাশ কৰা উচিত। কিমানে কিতাপখন কিনি পঢ়িব তাৰ ঠিক নাই।



**ডঃ জয়ন্ত মাধব - এক সাৰস্বত ব্যক্তিত্ব**
**লেখিকা - কৃতাঞ্জলি বৰ্মণ**
**প্ৰকাশক - ডঃ জয়ন্ত মাধব দেবৰ শুভাকাংক্ষী**
**মূল্য - ১০০.০০ টকা**

লণ্ডন স্কুল অব ইকনিমক্সৰ ছাত্ৰ, এছিয়ান ডেভেলপমেন্ট বেংকৰ এজন প্ৰাক্তন সঞ্চালক, নেডফিৰ প্ৰথম chairman, ডঃ জয়ন্ত মাধব অসমৰ বিজ্ঞ অৰ্থনীতিবিদসকলৰ অন্যতম। যোৰহাটৰ জে বি কলেজৰ অধ্যক্ষ তুলসী নাৰায়ণ শৰ্মাৰ এই পুত্ৰজনে এটা কষ্টকৰ জীৱন যাপন কৰিব লগা হৈছিল এটা সময়ত। বিদেশলৈ যাবলৈ ঘৰ মাটি বন্ধকত থ'ব লগা হৈছিল। উচ্চ শিক্ষা সমাপ্ত কৰি অসমলৈ ঘূৰি আহি ইয়াত কাম কৰিবলৈ বিচাৰোতে কাৰো পৰা সঁহাৰি পোৱা নাছিল। কিন্তু কলিকতাৰ চৰকাৰে তেওঁক মাতি নি কাম দিছিল।

অসমে সেই সময়ত সেই মানুহৰ সেৱা হেৰুৱালে। কিন্তু নেডফিত যোগদান কৰি তাৰ মাজেৰে অসমৰ বিভিন্ন অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰ অৱিস্কাৰ কৰাৰ কৃতিত্ব ডঃ মাধবৰ। আগতে অসমৰ প্ৰায়বোৰ ক্ষেত্ৰৰেই একো অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰা নহৈছিল। সকলো কথা যেন মুখে মুখে চলি আহিছিল। ডঃ মাধবে বহুত অধ্যয়ন কৰালে। বহুত pilot project আৰম্ভ কৰালে- মেটেকা, মৰাপাট, food processing, medicinal plant, aromatic plant, tourism... আৰু কত যে কি! ডেকা উদ্যমী যুবক-যুৱতীক তেওঁ দিয়া প্ৰেৰণাৰ তুলনা নাই। He is one of the most supportive and proactive business & financing locomotive of North East India. International Monetary Fund, Global Trust Bank, Indian Planning Commission.. wherever he worked, his stamp of performance was palpably perceivable. Assam could have reaped rich harvests economic upliftment from his experience and talent. But sadly the full potential of his presence in Assam could not be explored because of lack of political will here.

এতিয়াও ৯০ বছৰ বয়সতো তেখেত সপ্ৰতিভ-সক্ৰিয়-উৎসাহী-হাস্যবদন। অসমত কৰিবলগীয়া কামৰ বিষয়ে তেখেতৰ দৃষ্টিভংগী স্পষ্ট। অসমত Micro financing ৰ কাঠামো তৈয়াৰ কৰাতো ড° মাধবৰ ভূমিকা অসামান্য।

কিতাপখনত এজন অতি নিষ্ঠাবান মানুহ প্ৰতিফলিত হৈছে।

## কবিতা সংকলনঃ



**ভোক**
**লেখক - ৰাজীৱ হুছেইন**
**প্ৰকাশক - সদৌ অসম কবি সন্মিলনৰ পঞ্চদশ মধ্যকালীন নীলবাগান অধিবেশনৰ আৰম্ভণি সমিতি**
**মূল্য - ১০০.০০ টকা**

২৮ টা কবিতাৰ এক সংকলন। বহুত ক্ষোভ প্ৰকাশ হৈছে কবিতাবোৰত। সমাজখনৰ দুমুখীয়া আৰু মানুহ বিৰোধী চৰিত্ৰই কবিক খুব আমনি কৰিছে।

তেওঁ তেওঁৰ জীৱনৰ হিচাব নিকাচ কৰিবলৈ বিচৰা ৰাতিবিলাক হেৰাই গৈছে। তেওঁক সেইবোৰ ঘূৰাই লাগে।

ভোক ধৰ্মান্তৰিত নহ'ল। ভোক ভোকেই থাকিল। ভোক সলনি নহ'ল। এইটো যেন কবিতা নহয়-কথা কবিতাহে।

কেতিয়াবা কবিয়ে কোনোবা অনামী পথিকক এটা পুৰণি গীত শুনাবলৈ বিচাৰিছে বা কেতিয়াবা হয়তো জীৱনৰ পদ্য আওৰাব বিচাৰিছে।

কবিয়ে নিজকে অকলশৰীয়া কৰি ৰখা নাই। সমাজৰ বিভিন্নজনৰ লগত কথা পাতিছে-অহৰ্নিশে-অনৰ্গল।

কিন্তু কবিয়ে কাক শুনাব পাৰিছে? তাতেই যেন কবিৰ ক্ষোভ।



**উমাপ্ৰসন্ন দে'ৰ স্বৰচিত কবিতা**
**সংগ্ৰাহক - ড° নীতা পাল**
**প্ৰকাশক - ড° ৰাজীৱ বৰদলৈ আৰু নীতা পাল**
**মূল্য - ১০০.০০ টকা**

উইমেনস কলেজ, তিনিচুকীয়াৰ সোণালী জয়ন্তী উপলক্ষে এই কিতাপ প্ৰকাশ কৰা হৈছিল। শ্ৰী দে'ৰ বাসভৱনতে কলেজখনৰ প্ৰথম ছাত্ৰীনিবাস আৰম্ভ হৈছিল। কলেজখনৰ প্ৰতিস্থাৰ কালৰে পৰা শ্ৰী দে জড়িত। প্ৰথম অধ্যক্ষ। ঢাকা বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা লাভ কৰা শ্ৰী দে'ৰ ইংৰাজী জ্ঞান সৰ্বজনবিদিত।

তিনিচুকীয়া বাংলাভাষী কেন্দ্ৰিক চহৰ, বিহাৰী-মাৰোৱাৰী ব্যৱসায়ী ভিত্তিক চহৰ। তাৰ মানুহৰ কাব্য চৰ্চা সৰ্বসাধাৰণতে মনলৈ নাহে। ১৯৫৬ চনত তিনিচুকীয়া কলেজৰ অধ্যক্ষ হিচাবে কাৰ্য্য আৰম্ভ কৰা মানুহজনে মানব মনৰ অমলিন যাত্ৰাৰ কথা লিখিছিল কবিতাবিলাকত। নামবিহীন অসমাপ্ত বহু কবিতা থাকি গৈছিল। সেইবিলাকেও স্থান পাইছে এই কিতাপত।

কবিতাবিলাক আধুনিক কবিতা নহয়। মনৰ ভাবকেহে কাব্যিকভাবে প্ৰকাশ কৰিছে।

**বিচিত্ৰঃ**




**বৰণীয়া প্ৰেম**
**সম্পাদক - বৰ্ণালী শৰ্মা বশিষ্ঠ,ৰুবুল দাস**
**প্ৰকাশক - জ্যোতি প্ৰকাশন**
**মুল্য - ১৫০ টকা**

বৰেণ্য ব্যাক্তিৰ বৰ্ণিল যৌৱন আৰু স্বৰ্ণিল প্ৰেমক লৈ এই অক্টোৱৰ মাহতেই মুক্তি পাইছে এইখন নতুন অসমীয়া গ্ৰন্থ। অসমৰ প্ৰায়ভাগ ক্ষেত্ৰতে জিলিকি থকা বহুকেইজন পুৰোধা যেনে–সৰ্বানন্দ সোনোৱাল, দিপালী বৰঠাকুৰ, তৰুণ গগৈ, অনুৰাধা শৰ্মা পুজাৰী, খগেন মহন্ত, আইমি বৰুৱা, পিযুষ হাজৰিকা, নীলিম কুমাৰ, সৌৰভ শইকীয়া, তৌফিক ৰহমান, চম্পক শৰ্মা, জুবিন গাৰ্গ আদিৰ বৰ্ণিল যৌৱনৰ নানান কথা বহুকেইজন পুৰোধা লেখকৰ কাপেৰে প্ৰকাশ পাইছে। ডান্টে বিয়েট্ৰিচৰ অমৰ প্ৰেম কাহিনীৰ দৰে আমাৰ ৰাজ্যতো থকা এনে প্ৰেমৰ নিদৰ্শন তথা প্ৰেম কাহিনীৰ সজীৱ উপস্থাপনে গ্ৰন্থখন মুখৰোচক তথা আকৰ্ষণীয় কৰি তুলিছে।

**বুৰঞ্জীমূলকঃ**




**তিনিচুকীয়াৰ ইতিহাস**
**সম্পাদনা - দেৱাশীষ ফুকন**
**প্ৰকাশক - সুবোধ চন্দ্ৰ দে সৰকাৰ স্মৃতি ন্যাস**
**মূল্য - ৬৫.০০ টকা**

প্ৰাগ ঐতিহাসিক বা ঐতিহাসিক কালত তিনিচুকীয়াৰ কি অস্তিত্ব আছিল তাৰ উমান পাব পৰাকৈ বিশেষ কোনো প্ৰত্নতাত্বিক তথ্য বা ভগ্নাৱশেষ আৱিস্কৃত হোৱা নাই। ডিব্ৰু উপত্যকাৰ কেইবা শ বৰ্গ কিলোমিটাৰ জোৰা এক বিশাল অঞ্চল বান আৰু গৰাখহনীয়াই নিঃচিহ্ন কৰি পেলালে। ফলত কিবা চিন মোকাম আছিল যদিও সেইবোৰ লোপ পালে। ১৪–১৫ শ শতিকাত এই অঞ্চল অটব্য অৰণ্য আছিল বুলি বুৰঞ্জীবিদ এডৱাৰ্ড গেইটে মত পোষণ কৰিছে। ১৮০০ চন মানৰ পৰাহে তিনিচুকীয়াৰ ইতিহাস কিছু জনা হৈছে।

এই কিতাপখনক তিনিচুকীয়াৰ ইতিহাস আখ্যা দিয়াটো কিমানদূৰ সমীচিন হ'ব সেইটো কোৱা টান। কিন্তু তিনিচুকীয়াৰ বিভিন্ন দিশ সামৰি এইখন তিনিচুকীয়াৰ অতীতৰ পৰা বৰ্তমানলৈ ধাৰা বিৱৰণী বুলিব পাৰি।

ড০ স্বৰ্ণলতা বৰুৱাৰ তিনিচুকীয়া যুগে যুগে 'নিজৰ কাচোন' প্ৰবন্ধটোৱেই কিতাপখনৰ মুল জুমুধি। কেইটামান পুখুৰী আৰু মটক ৰজাৰ চিনেৰেই তিনিচুকীয়াৰ ঐতিহাসিক চিনাকি। অম্বিকাগিৰী ৰায় চৌধুৰীৰ 'তিনিচুকীয়া' নামৰ কবিতাটোৱেই যেন তিনিচুকীয়াৰ প্ৰথম সাহিত্যিক পৰিচয় কাৰণ বৰ্তমান বহুদিনৰে পৰা

ই এখন ঔদ্যোগিক আৰু ব্যৱসায়িক নগৰী হিচাবেহে অধিক পৰিচিত। ২য় মহাসমৰত তিনিচুকীয়াৰ গুৰুত্ব অপৰিসীম বৃদ্ধি পাইছিল। আজিও উজনি অসমৰ ই প্ৰধান ব্যৱসায়িক কেন্দ্ৰ।

মটক ৰাজ্যৰ মানচিত্ৰ, মটক ৰাজনগৰ বেংমৰাৰ মানচিত্ৰ, তিনিচুকীয়াৰ বাংলা নাট্য চৰ্চা, তিনিচুকীয়া জিলাৰ উদ্যোগিক বিকাশৰ পটভূমি আদি কিতাপখনৰ মূল উপজীৱ্য।

## নাটক/চিত্ৰনাট্যঃ




**সংস্কৃতি ( নাটক আৰু চিত্ৰ ভাস্কৰ্য্য বিষয়ক আলোচনী )**
**সম্পাদক - পবিত্ৰ ৰাজখোৱা**
**প্ৰকাশক - তীৰ্থেশ্বৰ হাজৰিকা মেমৰিয়েল ট্ৰাষ্ট**
**মূল্য - ১০০.০০ টকা**

নাটক আৰু ভাস্কৰ্য্য বিষয়ক এখন সুন্দৰ আলোচনী এই প্ৰথম হাতত পৰিল। ৬ মহীয়াকৈ প্ৰকাশ পাব লগা এই আলোচনীখনৰ এইটো প্ৰস্তাৱনা সংখ্যা। সমুখৰ বেটুপাতে কৈছে শিল্পৰ কথা, শেষ বেটুপাতেও কৈছে শিল্পৰ কথা (দাদুল চলিহাৰ শিল্পকৰ্ম)

অসমত মৌলিক নাটকৰ অভাৱ। লিখিলেও মানদণ্ডৰ অভাৱ। এই আলোচনীত ৩ খন মৌলিক নাটক আছে। (‘A Political Dream’, ‘নকিয়াম্পো’ আৰু য়েছে দৰ্জি ঠংচিৰ ‘পাহাৰৰ ছাঁ’ গল্পৰ আধাৰত ৰণহাং চৌধুৰীয়ে দিয়া নাট্যৰূপ আৰু ‘কথা কুঁহিপাত’)।

আছে পাপু ঘোষৰ শিল্পকৰ্ম, শিৱপ্ৰসাদ মাৰাৰৰ শিল্পকৰ্ম, শিৱপ্ৰসাদ মাৰাৰৰ ভাস্কৰ্য আৰু হেমেন শইকীয়াৰ শিল্পকৰ্মৰ ওপৰত আলোকপাত।

ধীৰেন পাল নামৰ মৃৎশিল্পীগৰাকীক লৈ বিপাশা বৰাৰ আষাৰ কান্দি মাটি আৰু মানুহৰ মালিতা শীৰ্ষক প্ৰবন্ধ।

ভ্ৰাম্যমান থিয়েটাৰ কেনেকৈ চাম?- সমুদ্ৰ কাজল শইকীয়াৰ লেখাটোত এক বাস্তৱসন্মত প্ৰেক্ষাপট ডাঙি ধৰা হৈছে।

নাট্য এলবাম শিতানত বিভিন্ন নাটকৰ বিভিন্ন উল্লেখযোগ্য মুহূৰ্তৰ ছবি দিয়া হৈছে।

‘অসমৰ পটভূমিত নাট্যকৰ্মীৰ অধ্যয়ন, অনুশীলন, সুযোগ, সুবিধা আৰু আমাৰ প্ৰত্যাশা’ এটা আঁতিগুৰি মৰা লেখা।

ৰফিকুল হুছেইনক অনা হৈছে- একান্তই শিপাস্পৰ্শেৰে আঞ্চলিক সুগন্ধৰে জীয়াই আছো বুলি কোৱা মানুহজনক।

নাটমুহূৰ্তৰ ছবিবিলাক অতি সুন্দৰ। ছপা অতি সুন্দৰ। কিছু প্ৰান্তীয় অৱস্থানত থকাসকলক- নিষ্ঠাবানসকলক আৰু গুণৰ দিশত ভাল নাট্য আৰু শিল্প কৰ্মক এই আলোচনীয়ে সঠিক উপস্থাপন কৰিছে। এই গতি অব্যাহত থাকক।

পবিত্ৰ ৰাজখোৱাক পাব – pabitra.rajkhowa76@gmail.com ত।

**বাতৰি কাকতৰ পৰা -**

**দৈনিক জনমভূমিঃ**

**(২৭/১০/২০১৮)**
**স্ব-অনুগামী**
**লেখক - ৰিপুঞ্জয় গগৈ**
**আলোচক - বিষ্ণুৰাত শৰ্মা**
**প্ৰকাশক - সংগীতা প্ৰকাশন**
**মূল্য - ১২০.০০ টকা**

প্ৰবন্ধ লেখক ৰিপুঞ্জয় গগৈ ২০১১ চনতে 'পংথীয়ে যি ভাৱে ভাবক' শীৰ্ষক গল্প সংকলনখনেৰে গল্প সাহিত্যত খোজ পেলাইছিল। এইটো ২৫ টা গল্পৰ সংকলন।

ৰিপুঞ্জয় গগৈ মাটিৰ মানুহ। অসমৰ মাটিৰ চিনাকি চিনাকি গোন্ধে তেওঁক মতলীয়া কৰে। এজন বিশিষ্ট সমালোচকে লিখিছে যে 'ৰিপুঞ্জয় গগৈৰ গল্পৰ নায়কে 'গেট' খুলি ঘৰ নোসোমায়, 'নঙলা' খুলিহে সোমায়।' ক্ষয়িষ্ণু সমাজ ব্যৱস্থা, প্ৰমূল্যৰ পতন, মূল্যবোধৰ অৱক্ষয় ইত্যাদিৰ ৰুদ্ধশ্বাস বৰ্ণনাই তেওঁৰ গল্পক অন্য এটা মাত্ৰা দিছে। ৰিপুঞ্জয় গগৈৰ গল্প সংকলনটোৰ প্ৰথমটো গল্প হৈছে 'মানুহজন আছে'। এই গল্পটোৰ নায়ক বিদ্ৰোহী কৃষক নেতাজনে সমাজৰ পুৰণিকলীয়া কুসংস্কাৰ, অন্ধবিশ্বাস আদিৰ আধিপত্যত আৰ্তনাদ কৰি উঠে। কিন্তু তেওঁ আপোচবিহীন ইস্পাত কঠিন। সমাজবাদত বিশ্বাস কৰা মানুহজনে সমাজৰ সকলো দুৰ্নীতিৰ বিৰুদ্ধে অকলেই থিয় হয়। তেওঁ যেন হেনৰিক ইবচেনৰ 'An enemy of the people' নাটকৰ অকলশৰীয়া নায়ক ডাঃ ষ্টকমেনহে। তেৰেঁই আয়োজন কৰা এখন সম্বৰ্ধনা সভাত তেওঁ অপমানিত হয়। শেষত আৰক্ষীয়ে নৃশংস অত্যাচাৰ কৰি তেওঁক গ্ৰেপ্তাৰ কৰে। 'আদিপৰ্বৰ বিজেতা' গল্পটোত শেষলৈকে প্ৰবল উৎকন্ঠা বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে ৰিপুঞ্জয় গগৈ। এসময়ৰ 'উন্মাদ' ব্যক্তি ৰবীনদাক নায়কে শৈশৱতে লগ পাইছিল। সুদীৰ্ঘ বছৰৰ পাছত তেওঁৰ উন্মাদনাৰ কাৰণ জানি বৰ্তমান সুস্থ মানুহজনৰ লগত কথা পাতি নায়ক সমব্যথী হৈ উঠে। এইটো নাটকীয়তাৰে ভৰা এটা নিটোল গল্প। অখিল বৰা আৰু পোনা সোণোৱাল নামৰ প্ৰৌঢ় ব্যক্তি দুজনৰ গভীৰ আৱেগিক বন্ধুত্ব আৰু মধ্যবিত্ত সমাজৰ খুটি-নাটি বিৱৰণেৰে সমৃদ্ধ গল্প 'কেৰি'।

'নিয়ন্ত্ৰিত ৰাগ' এক মধুৰ আৱেগবিহ্বল গল্প। ডেকা পিতৃ আৰু কণমানি জীয়ৰীৰ মাজৰ মৰম বিজড়িত বৰ্ণনাই গল্পটোক অন্য মাত্ৰা দিছে। কণমানিৰ মাকো গল্পটোৰ অন্যতম চৰিত্ৰ। নায়ক হিচাপে অত্যন্ত বুদ্ধিমতী ৩ বছৰীয়া জীয়ৰী ৰিবৰিবক ৰাজকুমাৰীৰ সাধু কয়। জীয়েকৰ অগণন বুদ্ধিদীপ্ত প্ৰশ্নৰ উত্তৰ দিব লগা হয় পিতৃয়ে। এসময়ত নায়কৰূপী বাপেক হায়ৰাণ হৈ উঠে। তেওঁ বুজি উঠে জীয়েক ভৱিষ্যতে এগৰাকী অতি তীক্ষ্ণধী মহিলা হ'ব। বাপেক জীয়েকৰ মৰমৰ জৰীডাল অধিক কটকটীয়া হয়।

'স্বদেশিক সীমাবদ্ধতা' ৰিপুঞ্জয় গগৈৰ এটা অগতানুগতিক গল্প। হাইক'ৰ্টৰ এডভোকেট মোহন মহন্তৰ মুঠেও আত্মগৰ্ব নাছিল। এসময়ত কমিউনিজিমত বিশ্বাসী মোহন মহন্ত প্ৰচণ্ড উদ্যমী। তেওঁৰ পিন্ধা-উৰা অনাড়ম্বৰ। তেওঁ ধুতি পিন্ধে। টাই মৰাৰ দুৰ্ঘোৰ বিৰোধী তেওঁ। তেওঁ কৃষক, দুখীয়া, নিছলা মানুহৰ পৰা ফীজ নলয়। গল্পৰ নায়ক পৰাগে আইনৰ ডিগ্ৰী লৈ তেওঁৰ ওচৰলৈ যাওঁতে তেওঁ বিশুদ্ধ অসমীয়াত কথা পতাত গুৰুত্ব দিছিল। পিছে এইজন বিপ্লৱী মনৰ মোহন মহন্তই শেষত তেওঁৰ কথাৰ বিপৰীতে এজন সত্ৰাধিকাৰ হয়গৈ। নায়ক পৰাগে মানুহৰ এনে পৰিৱৰ্তনত বিস্ময়ত অবাক হৈ পৰে।

'অনচ্ছ-অৱৰোধ' এটা বিফল প্ৰেমৰ কাহিনী। অফিচত নয়ন ভট্ট আৰু দয়া দত্ত সহকৰ্মী। দুই বন্ধুৰে পৰস্পৰৰ পৰা কোনো কথা নুলুকুৱায়। কিন্তু দত্তই এইবাৰ ভট্টক নিজৰ জীৱনৰ এক অঘোষিত গোপন অধ্যায় ব্যক্ত কৰে। পত্নী বিয়োগৰ পিছত তেওঁ কেৱল ৰূপ সৌন্দৰ্য দেখিয়েই অফিচত কাম কৰা মাধুৰী

প্ৰিয়দৰ্শনীৰ প্ৰেমত পৰে। মাধুৰীয়েও প্ৰেমত সঁহাৰি জনায়। কিন্তু শেষত মাধুৰীয়ে বেয়াকৈ ঠগে। আচলতে ইতিমধ্যেই মাধুৰীৰ কেইবাজনো 'প্ৰেমিক' আছিলেই। মাধুৰীয়ে মাত্ৰ উপহাৰ পাবৰ বাবেই এই ভাও দিছিল।

'লিলি বাইদেউৰ প্ৰেম' নাৰী স্বাধীনতাৰ যেন উদগ্ৰ আহ্বান। এতিয়াৰ পৰা ডেৰ দশক আগতে লিলি বাইদেউ চাইকেলেৰে গাঁৱৰ পৰা চহৰলৈ নিজে চাইকেল চলাই গৈছিল। সেয়ে পিতৃতান্ত্ৰিক সমাজৰ ঠাট্টা-মস্কৰা ইত্যাদিৰ সন্মুখীন হৈছিল। গাঁৱৰ মাইকী মানুহবোৰেও তেওঁক হাঁহিছিল। কিন্তু প্ৰবল প্ৰত্যয় আৰু দুৰন্ত স্পৰ্ধাৰে তেওঁ চাইকেল চলায়েই থাকিল। তেওঁ চহৰৰ পৰা বন্ধু-বান্ধৱীলৈ খোৱাবস্তু লৈ আহে। গল্পৰ নায়ক দূৰলৈ গৈ প্ৰতিষ্ঠিত হৈছিল। ২০ বছৰমান পাছত এখন হোটেলত তাহানিৰ যুৱতী আৰু বৰ্তমান ৫০/৫৫ বছৰীয়া লিলি বাইদেউক এজন আদহীয়া লোকৰ লগত দেখে। লিলি বাইদেউ একেই ৰাংঢালী যেন দেখা গ'ল। হয়তো মানুহজন তেওঁৰ প্ৰেমিক। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ দৰেই প্ৰাণৱন্ত, সতেজ দুৰ্দ্ধৰ্ষ নাৰী লিলি বাইদেউ। 'প্ৰাক্তন প্ৰেমিকা' প্ৰীতিক গল্পৰ ব্যাখ্যাকাৰী নায়কে 'লিলি বাইদেউৰ প্ৰেম' শীৰ্ষক গল্প লিখাৰ ইচ্ছাৰ বিষয়ে ব্যক্ত কৰে।

'ৰামহীন ৰামায়ণৰ অন্য সংস্কৰণ' ৰিপুঞ্জয় গগৈৰ কিতাপখনৰ শ্ৰেষ্ঠ গল্প। মিলনাত্মক পৰিণতিৰে গল্পটো প্ৰাঞ্জল, লব আৰু কুশ নামৰ ১৮ বছৰীয়া অবিকল একে চেহেৰাৰ যুঁজা ল'ৰা দুজনে 'গীতা' নামৰ টাটা মেজিকখন টিয়কৰ পৰা যোৰহাট আৰু যোৰহাটৰ পৰা টিয়কলৈ দিনটোত কেইবাবৰো অহা-যোৱা কৰে। বিখ্যাত কবি-গল্পকাৰ ৪২ বছৰীয়া অবিবাহিত বিলাস ফুকন এই গাড়ীতেই অহা-যোৱা কৰে। তেওঁ মন কৰে যে এগৰাকী ৰূপহী-ৰহস্যময়ী নাৰী মূঢ়া এটাত বহি সদায় অহা-যোৱা কৰে। বিলাস ফুকন ৰোমান্টিক হৈ পৰে। অৱশেষত মানুহগৰাকীক সুধি বিলাস ফুকনে গম পালে যে তেওঁৰ নাম গীতা। আৰু লব-কুশ তেওঁৰেই সন্তান। তেওঁ আৰু ক'লে যে তেওঁৰ স্বামীৰ সৈতে বিচ্ছিন্ন হৈছে আৰু তেওঁৰ অন্য এজন ব্যক্তিৰ লগত বিবাহ হৈছে। বিলাস ফুকনৰ মনত ৰাশি ৰাশি প্ৰেমময় অনুভূতি জাগ্ৰত হ'ল। গীতা হৈ পৰিল বিলাস ফুকনৰ পত্নী। গল্পটোত খুটি-নাটি মৰা বিৱৰণ আছে।

**প্ৰত্যাহ্বান**
**লেখক - গোপাল জালান**
**আলোচক - ড° সব্যসাচী মহন্ত**
**প্ৰকাশক - বিশাল প্ৰকাশন, গুৱাহাটী**

ভগৱানপ্ৰদত্ত আটাইতকৈ সুন্দৰতম উপহাৰেই হৈছে জীৱন। কিন্তু এই সুন্দৰ জীৱনৰ সৈতেই আকৌ সংপৃক্ত হৈ আছে সুখ-দুখ, হাঁহি-কান্দোন, সংঘাত-সংগ্ৰাম আৰু বহু প্ৰত্যাহ্বান। য'তেই জীৱন ত'তেই সংগ্ৰাম; এক কথাত জীৱন এক প্ৰত্যাহ্বান।

অৱশ্যে সেয়ে হ'লেও, জীৱনত যেনেদৰে সমস্যা আছে, তেনেদৰে ইবিলাকৰ সমাধানো আছে, যেনেদৰে সংগ্ৰাম আছে, তেনেদৰে সংগ্ৰামৰ শেষো আছে, যেনেদৰে প্ৰত্যাহ্বান আছে, তেনেদৰে প্ৰত্যাহ্বান অতিক্ৰমৰ পথো অলেখ আছে। আচলতে, জীৱনৰ সংগ্ৰাম-সমস্যা প্ৰত্যাহ্বান জিনাৰ প্ৰয়াস আৰু প্ৰচেষ্টাৰ মাজতেই লুকাই আছে জীৱন উদযাপনৰ মাদকতা, জীৱন সজোৱাৰ সাৰ্থকতা।

'Life is a gift, accept it, enjoy it and be happy with it, life is a challenge, but challenges can always be overcome.'-কেহেৰিণ পালচিফাৰৰ এইষাৰ কথাৰে উদ্বুদ্ধ হৈ চিন্তাশীল লেখক গোপাল জালানে জীৱনৰে একাত্ম হৈ থকা বিভিন্ন সমস্যাসমূহ চিনাক্ত কৰাৰ প্ৰয়াস কৰিছে আৰু জীৱনৰ সংগ্ৰাম প্ৰত্যাহ্বান নেওচি জীৱন সজা নিৰৱচ্ছিন্ন প্ৰচেষ্টা অব্যাহত ৰাখিছে। অসমীয়া সাহিত্য-সংস্কৃতিৰ সুবিশাল ক্ষেত্ৰখনৰ সৈতে শৈশৱৰে পৰাই জড়িত হৈ থকা সাম্প্ৰতিক সময়ৰ এজন সু-পৰিচিত লেখক গোপাল জালানে

তেওঁৰ লেখাৰ মাজেৰে সুদীৰ্ঘ দিন ধৰি জীৱন আৰু সমাজৰ সৈতে সংযুক্ত হৈ থকা বিভিন্ন সমস্যা তথা প্ৰত্যাহ্বানসমূহ সূক্ষ্মভাৱে পৰ্যবেক্ষণ-বিশ্লেষণ কৰি ইবিলাকৰ সমাধান সূত্ৰ উদ্ভাৱনৰো প্ৰয়াস কৰি আহিছে।

বিভিন্ন কাকত, আলোচনী আদিত নিয়মীয়াকৈ লিখি অহা গোপাল জালানে কেইবাখনো গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰিছে। জীৱনৰ সংগ্ৰাম প্ৰত্যাহ্বান আৰু সমাজৰ বিভিন্ন সমস্যা সন্দৰ্ভত লিখা মুঠ ৬৩টা নিবিন্ধ সন্নিবিষ্ট কৰা ১৫০ পৃষ্ঠাৰ এই গ্ৰন্থখন। গ্ৰন্থখনত সন্নিৱিষ্ট নিবন্ধসমূহ সমধৰ্মী নহয় যদিও প্ৰতিটো নিবন্ধৰ যোগেদি জালানে সমকালীন সমাজখনৰ সৈতে জড়িত বিভিন্ন বিষয়-সমস্যাসমূহৰ বস্তুনিষ্ঠ বিশ্লেষণ আৰু জীৱনৰ ভিন্নধৰ্মী প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰাৰ বাস্তৱিক সমাধান উদ্ভাৱনৰ প্ৰয়াস কৰিছে। তদুপৰি গ্ৰন্ধখনত সন্নিৱিষ্ট প্ৰতিটো নিবন্ধতেই লেখকৰ চিন্তাপুষ্ট তথা সদা-সচেতন মনৰ এক স্পষ্ট প্ৰতিফলন ঘটিছে।

গ্ৰন্থখনত সন্নৱিষ্ট একাধিক নিবন্ধত লেখক গোপাল জালানৰ সমাজ-সচেতন ধ্যান-ধাৰণা স্পষ্ট ৰূপত প্ৰতিবিম্বিত হৈছে। বিশেষকৈ গ্ৰন্থখনত অন্তৰ্ভুক্ত কেইবাটাও প্ৰবন্ধত লেখকে সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজত ঘটা পৰিৱৰ্তন আৰু এনে পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা সমস্যা- প্ৰত্যাহ্বানসমূহৰো নিৰ্মোহ বিশ্লষণ কৰিছে। এই সন্দৰ্ভত ‘পৰিৱৰ্তিত ৰূপত বিহু’, ‘অশ্লীল শব্দ প্ৰয়োগ আৰু পৰিৱৰ্তনৰ ঢৌ’, ‘হোৱাটছ এপ-ফেচবুক, বিবাহ বিচ্ছেদ ইত্যাদি’, ‘স্বপ্নভংগ নৱবৰ্ষ’ আদি নিবন্ধসমূহ উল্লেখনীয়। এজন আজীৱন সাংস্কৃতিক কৰ্মী হিচাপে লেখক গোপাল জালানে তেওঁৰ বিভিন্ন লেখাৰ মাজেৰে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত সূচনা হোৱা পৰিৱৰ্তন আৰু এনে পৰিৱৰ্তনসৃষ্ট প্ৰত্যাহ্বানসমূহৰো পৰ্যালোচনা কৰিছে। ‘কোন দিশে সংস্কৃতি’, ‘সংকোচিত হ’ল মাঘৰ পথাৰ’, ‘হেৰাই গ’ল ন-খোৱাৰ আনন্দ’, ‘ৰঙৰ উৎসৱত অপসংস্কৃতিৰ প্ৰভাৱ’, ‘উদ্যোক্তাসকলেও পৰিধান কৰক অসমীয়া সাজ-পোছাক’, ‘সংস্কৃতিৰ সংৰক্ষণ’ আদি নিবন্ধসমূহত লেখকৰ সংস্কৃতি-সচেতন মনৰ উমান পোৱা যায়। জালানে তেওঁৰ নিবন্ধসমূহৰ মাজেৰে এফালে’ যানেদৰে পৰিৱৰ্তন, বিজ্ঞান প্ৰযুক্তিৰ উন্নয়নৰ বিষয়ে আলোচনা কৰিছে, আনফালে আকৌ একবিংশ শতিকাতো আমাৰ সমাজত প্ৰচলিত হৈ থকা বিভিন্ন অন্ধবিশ্বাস-কু-সংস্কাৰ সম্পৰ্কেও আলোকপাত কৰিছে। সেইদৰে জালানে তেওঁৰ লেখাসমূহৰ জৰিয়তে সন্তানৰ প্ৰতি পিতৃ-মাতৃৰ দায়িত্ব অথবা মানুহৰ বাৰ্ধক্য আৰু সাম্প্ৰতিক সময়ৰ এক বৰ্ধিত সমস্যা ‘একাকীত’ সম্পৰ্কতো বিশেষভাৱে পৰ্য্যালোচনা কৰিছে। তদুপৰি পৰিৱেশ সুৰক্ষা সম্পৰ্কতো জালানে লিখা একাধিক নিবন্ধ এই গ্ৰন্থখনত সন্নিৱিষ্ট হৈছে।

প্ৰণিধানযোগ্য যে গোপাল জালানে তেওঁৰ গ্ৰন্থখনত সন্নিৱিষ্ট কৰা তিনি কুৰিৰো অধিক নিবন্ধৰ যোগেদি জীৱন আৰু সমাজৰ বিভিন্ন সমস্যা-প্ৰত্যাহ্বানসমূহ পক্ষপাতহীনভাৱে উপস্থাপন কৰাৰ প্ৰয়াস কৰাৰ লগতে ইবিলাকৰ সমাধান-নিৰাময়ৰ উদ্দেশ্য সমাধানসূত্ৰ অথবা স্বকীয় চিন্তাৰে নিজস্ব অভিমত আগবঢ়োৱাৰো প্ৰচেষ্টা কৰিছে।

**অসমীয়া প্ৰতিদিনঃ**

**(২৮/১০/২০১৮)**
**উত্তৰ-ঔপনিৱেশিক কবিতা**
**লেখক - কমল কুমাৰ তাঁতী**
**আলোচক - দেৱাশিস নাথ**

‘জালুকত তেজৰ দাগ/ মেশালত কাৰোবাৰ কটা মূৰ/ আমি উভতি যাওঁ/ নিৰ্বিকাৰ মন এটা লৈ/ নিজৰ ভাল যেতিয়া/ সকলো ভাল’ (সাম্প্ৰতিক)।

ভোগবাদী অৰ্থনীতিৰ সংমিশ্ৰণত গঢ় লৈ উঠা এই মধ্যবিত্তীয় মানসিকতাই মূলসূঁতিৰ মানুহখিনিৰ মাজত সৃষ্টি কৰিছে প্ৰতিযোগিতাৰ নিগনি দৌৰ। পৰস্পৰে পৰস্পৰক লেং মাৰি আগুৱাই যোৱাৰ প্ৰতিযোগিতা। ধন-ঐশ্বৰ্য, যশ-খ্যাতিৰ এই তথাকথিত প্ৰতিযোগিতাই মানুহবোৰক মানসিকভাৱে নিঃসংগ কৰি তুলিছে। সাপৰ মোটৰ দৰে এটা স্বয়ংসৃষ্ট আবেষ্টনীৰ ভিতৰত যেন তেওঁলোকে আবদ্ধ হৈ পৰিছে। ইচ্ছা থাকিলেও সেই পৰিসীমাৰ পৰা মানুহবোৰ বাহিৰ ওলাব নোৱাৰে, ইজনে-সিজনৰ সৈতে অনুভুতিৰ ভাগ-বটোৱাৰা কৰিব নোৱাৰে। সেয়ে আমি পঢ়িবলৈ পাইছো- ‘মই চিনি পাওঁ মানুহক। অসৰল মানুহবোৰক/ চকু মেলি থাকো চকু টিপিয়াই থাকো/ সন্মুখত মোৰ এশাৰী দুৱাৰ/ অথচ সেই দুৱাৰডলি মই পাৰ হ’ব নোৱাৰো/ মই এটা সাপ। বন্দী সাপ। নিজৰ মোটত নিজেই বন্দী।’(বন্দী সাপ)

দিন বাগৰে সময় পাৰ হয়, নিঃস্ব, সম্বলহীন মানুহখিনি আৰু তথাকথিত উচ্চ শ্ৰেণীৰ মাজৰ দেৱালখন ওখ হৈ গৈ থাকে। এশাৰ মুখৰ মাত, অকণমান সহানুভূতিৰ কঙাল এই মানুহবোৰে তৎতসত্ত্বেও অন্তহীন অপেক্ষাৰে ৰৈ থাকে, উৰুখা চালৰ ঘৰত নিশাৰ তৰা লেখি লেখি ভাল দিনৰ সপোন দেখে। সেই সপোনৰ সদাগৰ হৈ ভাল মানুহৰ মুখা পিন্ধি সুবিধাবাদীৰ আৱিৰ্ভাৱ ঘটে। এই চৰিত্ৰবোৰে নতুন পৃথিৱীৰ সপোন দেখুৱায়, মানুহবোৰে শুনে, বিশ্বাস কৰে, প্ৰতাৰিত হয়। ৰং সলনি কৰি নতুন ৰূপ লৈ আকৌ তেওঁলোক আহে, নতুন কথা কয়, মুখৰ মাত হেৰুওৱা মানুহবোৰে আকৌ মন দি শুনে, মানি লয় আৰু পুনৰ স্বপ্নভংগৰ বেদনাত কোঙা হৈ পৰে। সেয়েহে কবিয়ে লিখিছে, ‘মুখা পিন্ধা মানুহবোৰে যেতিয়া ফুল নুফুলাৰ কাহিনী কয় আমি প্ৰথমে অবাক হৈ শুনো। মুগ্ধ হওঁ। আৰু এদিন আৱিস্কাৰ কৰো মুখা পিন্ধা মানুহবোৰৰ মুখা পিন্ধাৰ কাহিনী। ফুল নুফুলাৰ কাহিনীতকৈ ই যে কি কদৰ্য কাহিনী।’ (ফুল নুফুলাৰ কাহিনী)

কিন্তু এদিন সুবিধাবাদীসকলৰো মুখা খোল খায়, আচল স্বৰূপ উন্মোচিত হয়। অৱশ্যে তেতিয়ালৈ বহুত দেৰি হৈ যায়। মানুহবোৰৰ আৱেগ-অনুভূতি ঢাল হিচাপে ব্যৱহাৰ কৰি নিজৰ ব্যক্তিগত স্বাৰ্থ সিদ্ধি কৰি লোৱাৰ পাচত সুবিধাবদীসকল দৃশ্যপটৰ পৰা অদৃশ্য হয়। ঠিক মামণি ৰয়ছম গোস্বামীৰ ‘মামৰে ধৰা তৰোৱাল’ উপন্যাসখনৰ লোকেল লীডাৰ ‘শাস্ত্ৰী’ নামৰ চৰিত্ৰটোৰ দৰে। যুগে যুগে এই একেখন নাটকেই মঞ্চস্থ হৈ আহিছে ভিন্ন ৰূপত, ভিন্ন ঠাইত, ভিন্ন ভিন্ন পৰিবেশত। তামবৰণীয়া, চাবুকৰ কোৰত এসময়ত পিঠি ছিৰাছিৰ হোৱা মানুহবোৰ বঞ্চনাৰ ক্ষোভত গুজৰি-গুমৰি থাকে। সেই খং, ক্ষোভ, বেদনাবোৰেই কবিৰ কবিতাত ধৰা দিছেহি- ‘মোক, আমাক মুৰ্খ বুলি ভাবে/ সহজ-সৰল গাঁৱলীয়া মানুহ বুলি ভাবে। সেয়ে মহানগৰবোৰলৈ আমাৰেই কথা ক’বলৈ ওলাই যায়। অথচ পূৰণ কৰে নিজৰ মধ্যবিত্তীয় স্বাৰ্থ। মোৰ, আমাৰ নাম লৈ ঘটি আনে টকা, অথচ নিজৰ জেপ গৰম কৰে।’ (মোক, আমাক মুৰ্খ বুলি ভাবে)

প্ৰাক স্বাধীনতা কালত ব্ৰিটিছৰ ঔপনিবেশিক শাসনৰ তীব্ৰ বিৰোধিতা কৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই লিখিছিল- ‘একঠা মাটি মই উপজিয়েই পাওঁ/ এমুঠি পেটৰ ভাত/ এখনি কাপোৰ গাত/ আজি কিয় তাকো নাপাওঁ।/ এই মাটিত মোৰ অধিকাৰ/ মোৰে ভাত, মোৰে কাপোৰ, মোৰে দেশ/ আজি মই নিজে ৰখাওঁ।’ এদিন ঔপনিবেশিক শাসনৰ অন্ত পৰিল, দেশ স্বাধীন হ’ল। যি স্বপ্নই দেশৰ স্বাধীনতাত এটা প্ৰধান কাৰকৰ ভূমিকা লৈছিল, সেই সম-অধিকাৰৰ স্বপ্ন সফল হ’লনে? জাতি, ধৰ্ম, বৰ্ণ, ভাষা, ধনী, দুখীয়া নিৰ্বিশেষে সকলোৱে পালেনে নিজৰ নিজৰ অধিকাৰ? এই দেশৰ মাটি, পানী, বায়ুত কাৰ মালিকীস্বত্ব থাকিল? স্বাধীনতাৰ প্ৰায় সত্তৰ বছৰৰ পাচতো কমল কুমাৰ তাঁতীৰ দৰে নতুন প্ৰজন্মৰ কবিয়ে আক্ষেপেৰে অনুভৱ কৰিছে, সমধিকাৰৰ স্বপ্ন এতিয়াও সুদূৰ পৰাহত। ৰামৰাজ্য প্ৰতিষ্ঠাৰ সপোন এতিয়া আইতাৰ সাধুকথাত আৱদ্ধ। ধনী-দুখীয়া, শোষক-শোষিতৰ মাজৰ প্ৰাচীৰখন গগনচুম্বী উচ্চতালৈ ধাৱমান হৈছে। ধনী শ্ৰেণীয়ে ছলে-বলে-কৌশলে ক্ৰমশঃ কুক্ষিগত কৰি আনিছে সাধাৰণ, খাটি-খোৱা, শ্ৰমজীৱী মানুহবোৰৰ জীয়াই থকাৰ সকলো অধিকাৰ। সেয়ে চৰম আক্ষেপেৰে কবিয়ে লিখিছে- ‘এতিয়া আৰু এই দেশ আমাৰ/ দেশ হৈ থকা নাই/ এতিয়া আৰু এই মাটি আমাৰ/ মাটি হৈ থকা নাই।/ মোৰ দেশ মোৰ বায়ু মোৰ পানী/ মোৰ হাবি-নদী মোৰ দেশৰ মানুহ/ এই সকলো/ দুৰৈৰ কোনোবা ধনী সদাগৰৰ/ নাঙলৰ গৰু’। (সদাগৰৰ আঙুলি)

ৰোমান্টিক কল্পনাবিলাসৰ পৰা কমল কুমাৰ তাঁতীৰ বহু যোজন আঁতৰত। প্ৰকৃততে সাম্প্ৰতিক জগতখনক উলাই কৰি এখন নিজে গঢ়ি লোৱা কাল্পনিক পৃথিৱীত বিচৰণ কৰাটো কবিৰ বাবে সম্ভৱপৰ নহয়। প্ৰেমৰ কবিতা তেওঁ লিখে কিন্তু তাতো থাকে বাস্তৱৰ আনন্দ বা বিষাদৰ মিশ্ৰিত প্ৰলেপ। য'ত আমি দেখিছো সংযত কথনেৰে এখন বাস্তৱ আলেখ্যৰ দৰে ভালপোৱা বাঙ্ময় হৈ উঠা। সেয়ে তেওঁৰ কবিতাত পঢ়িবলৈ পাইছো- 'সেমেকি থকা চকুহাল চাই থাকোতে মনত পৰিল/ বিলত মাছ মাৰি থাকোতে বোকা গচকি/ পাৰ হৈ যোৱা কলাফুল দুটা/ সেই আবেলি টোপনিত জাপ খাই থকা চকুহালি/ ৰ'দত শৰীৰ ভাঙি বৈ অহা ঘামৰ চিটিকনি। (ভালপোৱাৰ কবিতা-১)

এইখন সমাজৰে এক অভিন্ন অংশ হিচাপে কবিয়ে মানুহৰ ব্যক্তিগত বা সামাজিক জীৱনলৈ আহি পৰা ইতিবাচক বা নেতিবাচক পৰিৱৰ্তন আৰু ইয়াৰ কাৰকসমূহৰ প্ৰতি উদাসীন হ'ব নোৱাৰে। সেয়ে বিকল্প ৰাজনীতিৰ দৰে কবিতাৰ সৃষ্টি হৈছে। সাম্প্ৰতিক সময়ত উন্নয়নশীল দেশসমূহত ৰাজনীতিয়ে প্ৰধান নিয়ন্তকৰ ভূমিকা পালন কৰিবলৈ আগবাঢ়িছে। ৰাজনৈতিক স্বাৰ্থত বয়বস্তুৰ দাম বঢ়োৱা বা কমোৱা হৈছে, সমাজত নতুন নতুন নীতি-নিয়ম আৰোপ কৰা হৈছে, ধৰ্মীয় বিষয়তো ৰাজনৈতিক হস্তক্ষেপ আৰম্ভ হৈছে। বছৰ বছৰ ধৰি নৰক যন্ত্ৰণা ভোগ কৰি অহা খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ খবৰ ল'বলৈ ৰাজনৈতিক নেতৃত্বৰ সময় নাই, অথচ নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে বহিৰাগতক সমস্ত সা-সুবিধা দিবলৈ এইসকল লোক উঠি-পৰি লাগিছে। এই ক্ৰমবৰ্ধমান অশুভ পৰিঘটনা কবিজনৰ তীক্ষ্ণ পৰ্যবেক্ষণৰ পৰা সাৰি যোৱা নাই। অৱশ্যে কবি আশাবাদী যে এদিন ব্যক্তিকেন্দ্ৰিক সচেতন চিন্তা-চৰ্চাবোৰে এটা সমূহীয়া ৰূপ পাব আৰু হয়তো তেতিয়াই এটা সুস্থ ৰাজনৈতিক পৰম্পৰাৰো সৃষ্টি হ'ব। কিন্তু একে সময়তে গণতন্ত্ৰৰ নামত সম্প্ৰতি চলি থকা প্ৰহসনৰ বিষয়েও তেওঁ সমানেই উদ্বিগ্ন। সেয়ে কবিৰ কবিতাত তথাকথিত সাম্প্ৰতিক গণতান্ত্ৰিক ব্যৱস্থাটোৰ প্ৰতি চূড়ান্ত ভ্ৰুকুটি প্ৰকাশ পাইছে- 'গণতন্ত্ৰত সকলোৰে মত দিয়াৰ অধিকাৰ থাকে, জ্ঞানী পুৰুষে কৈ থৈছে মতামতবোৰৰ আঁৰত থাকে স্বাৰ্থ আৰু সুযোগসন্ধানী মন, বিলাসী মনবোৰে মত দি হিচাপ-নিকাচ কৰে।' (মঙহৰ টুকুৰাবোৰ)

এজন কবি বা লেখকৰ মূল উপজীব্য হ'ল আমাৰ সকলোৰে চিনাকি সমাজখন আৰু ইয়াত সমাহাৰ ঘটা দুখীয়া, মধ্যবিত্ত, শোষিত, সৰ্বহাৰা, স্পৃশ্য, অস্পৃশ্য আদি বিভিন্ন চৰিত্ৰ। কিন্তু এই কবিতা সংকলনখনত কবি কমল তাঁতীয়ে এনে কিছুমান চৰিত্ৰও পাঠকৰ সন্মুখলৈ লৈ আনিছে, যিবোৰ এই সমাজৰ মাজতে থাকিও সমাজৰ অংশ নহয় মানুহ হ'লেও এইবোৰ চৰিত্ৰক মানুহৰ মৰ্যাদা দিয়া নহয়। 'লেঙেৰী আপী' তেনে এটা চৰিত্ৰ। কোনো অভিজাত তৰুণ-তৰুণীৰ গোপন মিলনৰ অনাকাংক্ষিত ফলশ্ৰুতি লেঙেৰী আপী। তথাকথিত আভিজাত্যৰ সচেতনতাত সেয়েহে জন্মতে পৰিত্যক্ত হৈ লেঙেৰী আপীবোৰ জাৱৰৰ দ'মত অথবা আন কোনোবা নিৰ্জন ঠাইত অকলে অকলে পৰি থাকে। তথাপিও এইবোৰ চৰিত্ৰৰ মৃত্যু নহয়, চহৰৰ নিষিদ্ধ, অন্ধকাৰ গলিয়ে লেঙেৰী আপীহঁতক আন বহুতৰ দৰে সামৰি লয়। গাত চলা-ফুৰা কৰিবলৈ শক্তি, কোনোবা জমাদাৰ বা মদপীৰ দেহৰ ক্ষুধা পূৰণ কৰিব পৰাকৈ যৌৱন থকালৈকে হেজাৰ লাঞ্চনা-গঞ্জনা সহ্য কৰিও লেঙেৰী আপীৰ দৰে চৰিত্ৰবোৰ জীয়াই থাকে আৰু সময়ৰ লগে লগে নিঃস্ব হৈ বাটৰ কুকুৰ-মেকুৰীৰ দৰেই এদিন মৃত্যুক সাবটে। সেই মৃত্যু কাৰো বাবে কোনো খবৰ নহয়। এইবোৰ মানুহৰ কৰুণ জীৱনগাঁথাই কবিয়ে নিখুঁত কাব্যশৈলীৰে অংকন কৰিছে এই সংকলনখনত।

**অসমলৈ বিদেশী প্ৰব্ৰজন - নেহেৰুৰ পৰা মোডীলৈ**
**লেখক - জিতেন্দ্ৰ মোহন চৌধুৰী**
**আলোচক - কিশোৰ কুমাৰ কলিতা**

বিগত প্ৰায় এটা শতিকাতকৈও অধিক সময় ধৰি বিদেশী প্ৰব্ৰজনে অসমক ভাৰাক্ৰান্ত কৰি আহিছে। অসমলৈ অতি দ্ৰুততাৰে আৰু ব্যাপক পৰিমাণত হোৱা এই প্ৰব্ৰজনৰ আছে এক ঐতিহাসিক, ভৌগলিক আৰু

ৰাজনৈতিক প্ৰেক্ষাপট। প্ৰশ্ন হয় যে যদিহে অসম ব্ৰিটিছৰ অধীনলৈ নগ'লহেঁতেন, তেতিয়া হ'লে অসমলৈ বিদেশী লোক প্ৰব্ৰজিত হ'লহেঁতেননে? এনেবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্নৰ বিষয়ত গুৰুত্বপূৰ্ণ গৱেষণাৰ এতিয়াও সুযোগ আছে আৰু এনে গৱেষণাই বহুবোৰ বিষয়ত নতুন দিশ উন্মচন কৰিব বুলি ভাবিব পাৰি।

কিতাপখনৰ শিৰোনামে মোটামুটিভাৱে কিতাপখনত সন্নিৱিষ্ট বিষয়বস্তু সন্দৰ্ভত এক সুস্পষ্ট ধাৰণা দিব পাৰে। কিতাপখনত মুলতঃ প্ৰশ্ন তোলা হৈছে যে প্ৰায় ১৯০০ চনৰ পৰা অসমলৈ আৰম্ভ হোৱা বিদেশী প্ৰব্ৰজনে অসমৰ লোকৰ ভূ-সম্পত্তি, জনগাঁথনি আৰু ভাষিকা-সাংস্কৃতিক অস্তিত্বৰ প্ৰতি যি ভাবুকি নিৰন্তৰ আনি আছে তাক চৰকাৰবোৰে গুৰুত্বসহকাৰে লৈছে নে সমগ্ৰ বিষয়টোৱে এক ভোটৰ ৰাজনীতি হৈ পৰিছে। গ্ৰন্থখনৰ আৰম্ভণিতে লেখকে উল্লেখ কৰিছে- '১৯৭১ চনৰ পিচত মুছলমান বিদেশী আগ্ৰাসনৰ বিস্ফোৰক তথ্য ফাদিল হোৱাৰ পিচতো কেন্দ্ৰ আৰু ৰাজ্যৰ কংগ্ৰেছী চৰকাৰে নীৰৱ ভূমিকা পালন কৰিছিল। গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধিৰ বাহিৰে পিচৰ তিনিজন মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহা, মহেন্দ্ৰ মোহন চৌধৰী আৰু শৰৎ চন্দ্ৰ সিংহ চৰকাৰে অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰাৰ ফলত ক্ৰমাগতভাৱে অসমত বিদেশী ভৰি পৰিছিল... অসম চুক্তিমতে ১৯৭১ চনৰ পিছত অহা বাংলাদেশীক বিতাড়ন কৰিব লাগিছিল যদিও সেয়া নহ'ল। এই ক্ষেত্ৰত দুবাৰ মুখ্যমন্ত্ৰী হোৱা প্ৰফুল্ল কুমাৰ মহন্ত চৰকাৰেও চুক্তিৰ মূল দফা কাৰ্যকৰীকৰণত গুৰুত্ব নিদিয়াত বিদেশী সমস্যা জটিলহে হ'ল। বিজেপি নেতা অটল বিহাৰী বাজপেয়ী আৰু লালকৃষ্ণ আদৱানিয়েও কেন্দ্ৰত ছবছৰ শাসন কৰিও অসমৰ এই জ্বলন্ত সমস্যা সমাধান নকৰিলে। অৱশ্যে বাজপেয়ী আৰু আদৱানিয়ে অসম আন্দোলনক সমৰ্থন কৰাৰ লগতে ১৯৭১ চনৰ ২৪ মাৰ্চৰ পিচত অহা বিদেশী বহিষ্কাৰৰ পোষকতা কৰি আহিছিল। এনেদৰে ড° মনমোহন সিং আৰু তৰুণ গগৈ চৰকাৰৰ শাসন কালতো বাংলাদেশী সমস্যা সমাধান কৰা দূৰৈৰ কথা অধিক জটিলহে কৰা হৈছিল।'

বৰ্তমানৰ নৰেন্দ্ৰ মোদী চৰকাৰে হিন্দু বাংলাদেশীক নাগৰিকত্ব দিয়াৰ সকলো ব্যৱস্থা কৰাৰ প্ৰসংগত লেখকে কৈছে- 'অৰ্থাৎ অতীতৰ জৱাহৰলাল নেহৰুৰ দিনৰ পৰাই মোদী চৰকাৰলৈ অসমলৈ হোৱা বিদেশী প্ৰব্ৰজনকাৰীক বিতাড়নৰ সলনি কেৱল ভোটৰ ৰাজনীতিয়েহে গুৰুত্ব পাইছে। কংগ্ৰেছৰ পিছত বিজেপিয়ে ধৰ্মৰ ভিত্তিত কৰা এনে ৰাজনীতিয়ে অসমৰ ৰাইজৰ মাজত শংকাৰ সৃষ্টি কৰিছে। অসমৰ খিলঞ্জীয়া সংখ্যালঘু হৈ পৰিব নেকি ২০২১ চনৰ লোকপিয়লত? এনেবোৰ দিশ পৰ্যালোচনা কৰি নেহৰুৰ পৰা সামৰি 'অসমলৈ বিদেশী প্ৰব্ৰজনঃ নেহৰুৰ পৰা মোদীলৈ' নামৰ কিতাপখন প্ৰকাশ কৰা হৈছে।'

ড° হীৰেন গোহাঁয়ে পাতনিতে 'বিদেশীৰ প্ৰব্ৰজনৰ আঁৰত' শীৰ্ষক এক লেখাৰে গ্ৰন্থখন সমৃদ্ধ কৰিছে। গ্ৰন্থখনত সন্নৱিষ্ট কেইটামান গুৰুত্বপূৰ্ণ লেখা হৈছে 'ভগনীয়াক বাধা দিলে অনুদান বন্ধৰ ভাবুকি দিছিল বৰদলৈক', 'ভগনীয়াৰ সাপেক্ষে আছিল বৰদলৈৰ সতীৰ্থও', 'মুছলমান মানেই বাংলাদেশী নহয়', 'দ্বিতীয় ত্ৰিপুৰা হ'ব অসম', 'শৰাইঘাটৰ শেষ যুদ্ধত হিন্দু বাংলাদশীক সংস্থাপনৰ ষড়যন্ত্ৰ', '২০১১ চনৰ লোকপিয়লৰ ভাষিক তথ্য', 'মহাসংকটত অসমীয়া-বড়োভাষী' ইত্যাদি। এই গ্ৰন্থখনত সন্নিৱিষ্ট লেখাবোৰ অসমলৈ হোৱা বিদেশী প্ৰব্ৰজনৰ বিচাৰ-বিশ্লেষণ কৰাৰ অমূল্য দলিল হ'ব পাৰে বুলি ভাবিব পাৰি।

**প্ৰকৃতিৰ লয় আৰু প্ৰলয়**
**লেখক - সুষেন শৰ্মা**
**আলোচক - গোপাল চন্দ্ৰ চৌধৰী, চন্দনা বৰদলৈ**
**মূল্য - ২১০.০০ টকা**

কিতাপখনত বহুত Terminology ব্যৱহৃত হৈছে। কিন্তু সেইবোৰৰ অসমীয়া ভাঙনি কৰি দিয়াৰ বাবে পঢ়িবলৈ আৰু বুজিবলৈ সবিধাজনক হৈছে। কিতাপখনত বহুত তত্বপূৰ্ণ কথা সন্নিৱিষ্ট কৰিছে। প্ৰকৃতিসৃষ্ট নানা

ঘটনা-পৰিঘটনা আৰু প্ৰলয়ংকাৰী দুৰ্যোগ আদিৰ বিষয়ে লেখক সুৰেন শৰ্মাই বৰ সুন্দৰভাৱে এই গ্ৰন্থখনত উপস্থাপন কৰিছে। অসমত লভ্য খনিজ সম্পদৰ আহৰণ আৰু তাৰ সঠিক প্ৰয়োগেৰে কেনেকৈ নিবনুৱা সমস্যা সমাধান কৰাত সহায়ক হ'ব পাৰে সেই বিষয়েও লেখকে আঙুলিয়াই দিছে। কৃত্ৰিম বান তথা আবদ্ধ পানীয়ে জৰুলা কৰা চহৰ আৰু নগৰবাসীক সকাহ দিব পৰাকৈ প্ৰয়োগিক প্ৰযুক্তিবিদ্যা আৰু বিজ্ঞানসন্মত প্ৰণালী প্ৰয়োগেৰে পানীৰ নানা সমস্যা সমাধানত লেখকে গুৰুত্ব আৰোপ কৰিছে। তদুপৰি কিতাপত আঁকি দিয়া জীৱ-জন্তুৰ ছবিবোৰেও কিছুমান বিষয়ত সম্যক জ্ঞান দিয়াত কৃতকাৰ্যতা লাভ কৰিছে।

গ্ৰন্থখনত ভূ-তাত্বিক অধ্যয়নৰ যোগেদি প্ৰকৃতিসৃষ্ট ঘটনাৰ সত্যতা উদ্ঘাটনৰ যথোপযুক্ত চেষ্টা কৰা পৰিলক্ষিত হৈছে। ভূ-তাত্বিক বিশ্লেষণেৰে ভূমিকম্পৰ সময়ত পৃথিৱীৰ ভূ-তত্বৰ স্থিতিৰ বিষয়ে লেখকৰ তথ্য বিশ্লেষণ শলাগ ল'বলগীয়া।

**উকিয়ামৰ উকি**
**লেখক - দিনমণি দাস**
**আলোচক - পোলেন বৰকটকী**

লেখক এজন এ চি এছ বিষয়া আৰু বৰ্তমান অতিৰিক্ত উপযুক্ত পদমৰ্যাদাত কৰ্মৰত। সৰু কিতাপখনে আমাৰ মনলৈ এক নষ্টালজিক অনুভূতি আনি দিলে। কিতাপখনত দক্ষিণ কামৰূপৰ কিছুমান বৈশিষ্ট্যপূৰ্ণ স্থান, অথচ যিবোৰ বৃহত্তৰ সমাজৰ অসমবাসীৰ বাবে হয়তো অচিনাকি, তেনে কেতবোৰ স্থানৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ সন্দৰ্ভত লেখকে সুকীয়া অন্তৰ্দৃষ্টিৰে আলোকপাত কৰা দেখা গৈছে। কিতাপখনে আমাক নষ্টালজিক কৰি তোলাৰ কাৰণ হৈছে এয়েই যে বহু বছৰ পূৰ্বে(১৯৭২-৭৬) কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ এক আঁচনিত কৰ্মৰত অৱস্থাত দক্ষিণ কামৰূপৰ বহু ভিতৰুৱা অঞ্চলৰ গাঁওসমূহলৈ যোৱাৰ আমাৰ অভিজ্ঞতা হৈছিল। আঁচনিখনৰ উদ্দেশ্য আছিল ভিতৰুৱা আৰু অনুন্নত গাঁওসমূহৰ আৰ্থ-কাৰিকৰী দিশৰ বৰ্তমান আৰু ভৱিষ্যতৰ পৰিকল্পনাৰ বাবে জৰীপ চলাই তাৰ ওপৰত একোখন প্ৰতিবেদন প্ৰস্তুত কৰা। এই কামৰ বাবে কেন্দ্ৰীয় চৰকাৰে দুখন জীপ, জৰীপৰ বাবে প্ৰয়োজনীয় তম্বু আদিৰো যোগান ধৰিছিল। আমাৰ এই দলটোত আছিল কুৰিজন কাৰিকৰী স্নাতক আৰু দহজন কৃষিবিজ্ঞানৰ স্নাতক, লগতে অন্যান্য প্ৰায় ডেৰশজন কৰ্মচাৰী। এই কামৰ তত্বাৱধানৰ দায়িত্ব এছ ডি অ' হিচাপে আমাৰ ওপৰত ন্যস্ত আছিল। আঁচনিখনৰ নাম আছিল গ্ৰাম্য কাৰিকৰী জৰীপ(Rural Engineering Survey)। সেই সময়ত আমাৰ এই বৃহৎ দলটোৰ (আমাকে ধৰি) প্ৰায় সদস্যই আছিল কলেজৰ পৰা ওলাই অহা অবিবাহিত ডেকা। গতিকে গাড়ী-মটৰেৰে অগম্য অতিশয় ভিতৰুৱা অঞ্চলবোৰলৈকে খোজ কাঢ়ি বা চাইকেলেৰে যোৱা, তম্বু তৰি শিবিৰ পাতি একোখন ঠাইত ৮/১৪ দিন থকা আদি কামবোৰ আমাৰ বাবে একপ্ৰকাৰ এডভেঞ্চাৰসদৃশ আছিল। ৰীমা দাসে 'ভিলেজ ৰকষ্টাৰ্ছ'ত দেখুওৱাৰ দৰে দক্ষিণ কামৰূপৰ সেই ভিতৰুৱা গাঁওসমূহ চোৱাৰ আৰু গাঁওবাসীৰ সৈতে মত বিনিময় কৰাৰ সুযোগ আৰু অভিজ্ঞতা আমাৰ হৈছিল। সেই অভিজ্ঞতাৰ বিষয়ে তেতিয়াৰ 'সাপ্তাহিক নীলাচল' কাকতত 'সময় য'ত স্তব্ধ হৈ আছে' শীৰ্ষক এলানি ৰচনাত আমি প্ৰকাশ কৰিছিলো।

সকলো ঠাইৰে, লাগিলে যিমানেই সৰু বা যিমানেই অচিনাকি হওক, তাৰ এক স্বকীয় ইতিহাস, ঐতিহ্য, অতীত আৰু বৈশিষ্ট্যপূৰ্ণ প্ৰাকৃতিক পৰিবেশ একোটা থাকে। সেই ইতিহাস বা ঐতিহ্য বহু সময়ত কৌতুহলোদ্দীপক হয়। লেখক দিনমণি দাসে দক্ষিণ কামৰূপৰ তেনে কিছুমান স্থানৰ সুন্দৰ বৰ্ণনা এই পুথিখনত দাঙি ধৰিছে। 'উকিয়ামৰ উকিঃ এক বৰ্ণিল অণুভৱ', 'চানডুবিয়ে হাঁহিছে', 'দুধখৰি পাহাৰৰ বিননি', 'খৰখৰিৰ অসুখ', 'দিনমণিৰ গান', 'দেওপানীত এদিন', 'জিমিৰ গাঁও'কে আদি কৰি ২৩খন ৰচনা সন্নিৱিষ্ট এই পুথিখনে পাঠকক এক সুকীয়া স্বাদ দিব বুলি আমাৰ বিশ্বাস। প্ৰকৃতিৰ প্ৰতি ভালপোৱা আৰু প্ৰকৃতি সুন্দৰ হৈ থাকিলেহে যে মানুহৰ জীৱনো সুন্দৰ হৈ থাকিব এই অনুভৱে লেখকক সততে প্ৰেৰণা যোগোৱা পৰিলক্ষিত

হয়। চানডুবি বিলখন আজিৰ পৰা সুদীৰ্ঘ ৪৩ বছৰ পূৰ্বে অৰ্থাৎ ১৯৭৫ চনত আমি এক বিশেষ কাৰিকৰী উদ্দেশ্যত জৰীপ কৰি তাৰ এখন নক্সা তৈয়াৰ কৰিছিলো। প্ৰায় ছমাহ ধৰি বিলৰ পাৰত আমি শিবিৰ পাতি ১২ খন নাও আৰু ১৫/২০ জনমান কৰ্মচাৰীক লৈ সেই জৰীপ কাৰ্য সম্পন্ন কৰিছিলো। কিতাপখনত সেই নক্সাখনো সন্নিৱিষ্ট কৰা হৈছে। চানডুবি বিলখনৰ তেনেকুৱা জৰীপ পূৰ্বতে কোনোবাই কৰিছে বুলি আমাৰ জ্ঞাত নহয়। সৰু কিতাপখনে আমাক নষ্টালজিক কৰি তোলাৰ এইবোৰেই কাৰণ।

স্থানসমূহৰ বিনন্দীয়া প্ৰকৃতিৰ অনুভৱী বৰ্ণনাই পাঠকৰ হৃদয় স্পৰ্শ কৰিবলৈ বাধ্য। তদুপৰি ‘অথঃ কেতেকী সংবাদ’ আদি লেখা বেছ তথ্যসমৃদ্ধ।

**দৈনিক অগ্ৰদূতঃ**

**(০৮/১০/২০১৮)**
**পদ্মনাথ গোহাঞি বৰুৱা**
**লেখক – নবীন চন্দ্ৰ লহকৰ**
**প্ৰকাশক - পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং**
**মূল্য – ৩০.০০ টকা**

অসম সাহিত্য সভাৰ প্ৰথম সভাপতি সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ এখন জীৱনীমূলক গ্ৰন্থ।

**বিৱৰ্তনৰ ৰূপৰেখা**
**লেখক - মৃণালকান্তি চক্ৰৱৰ্তী**
**মূল্য - ২৫০.০০ টকা**

বিৱৰ্তনৰ ৰূপৰেখা গ্ৰন্থখনত লেখকে অবিভক্ত গোৱালপাৰা জিলাৰ কে’বাটাও আঞ্চলৰ ভৌগলিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশ সামৰি প্ৰস্তুত কৰাৰ বাবে গ্ৰন্থখনৰ পৰা পঢ়ুৱৈ সমাজে সেই অঞ্চলৰ বহু নজনা কথা জনাৰ সুযোগ পাব।

**চিন্তা তৰংগ**
**লেখক - মৃণালকান্তি চক্ৰৱৰ্তী**
**মূল্য - ২৫০.০০ টকা**

চিন্তা তৰংগ সাম্প্ৰতিক সময়ৰ এখন মূল্যৱান গ্ৰন্থ। গ্ৰন্থখনত সন্নিবিষ্ট হৈছে সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক বিষয়ৰ বিভিন্ন দিশ। লেখকে যুক্তিপূৰ্ণভাৱে ঘটনাৱলী ফঁহিয়াই দেখুৱাবলৈ সক্ষম হোৱাত গ্ৰন্থখন মনোগ্ৰাহী হৈছে।

**জীৱনৰ যুঁজৰ ডায়েৰী**
**লেখক - দিলীপ বৰ্মন**
**প্ৰকাশক - পদ্মা লাইব্ৰেৰী, নলবাৰী**
**মূল্য - ১০০.০০ টকা**

জীৱন যুঁজৰ ডায়েৰী এখন গল্প সংকলন। গল্পকেইটাত অসমৰ সাম্প্ৰতিক কালৰ ছবি এখন লেখকে গল্পৰ মাজেৰে দাঙি ধৰিছে। গল্পকেইটা পঢ়িলে লেখকৰ সামাজিক দায়বদ্ধতা বুজিব পাৰি।

**ছৈৰ তলৰ অপ্ৰেম**
**লেখিকা - গীতালী বৰুৱা**
**আলোচক - দৰ্শনা কলিতা**

কিতাপখনৰ পাতনিতে সোমাই আছে উপন্যাসখনৰ বিষয়ে এটা থুলমূল আভাস। কাহানিও কোনো কিতাপতে বিশেষ পাতনিৰ অৱতাৰণা নকৰা সাহিত্যিক গৰাকীয়ে 'ছৈৰ তলৰ অপ্ৰেম' শীৰ্ষক কিতাপখনত যথেষ্ট দীঘলীয়া পাতনিৰ অৱতাৰণা কৰিছে। নাৰীৰ ওপৰত পুৰুষৰ নিৰ্যাতন আজিৰ কথা নহয়। তাতো যে কত আহুকাল, কত অশান্তি, কত নিৰ্যাতন। কামাসক্ত মালিকৰ নিৰ্যাতনৰ বলি হৈ বহু নাৰীয়ে প্ৰতি খোজতে পায় প্ৰতাৰণা। মদাহী কামুক স্বামীয়ে নিজে কাম নকৰি পত্নীক ব্যৱহাৰ কৰে উপাৰ্জনৰ অংগ হিচাপে। সেই বনকৰা তিৰুতাসকলে হেৰুৱাই পেলাই জীৱনৰ ৰং-ৰূপ নিৰ্যাস। সকলোৰে পৰা নিৰ্মমভাৱে শোষিত হোৱাৰ পাছতো এনে নাৰীসকল নীৰৱে ৰয়, নীৰৱে চকুলো টোকে। পুৰুষৰ যৌন ক্ষুধা নিবাৰণৰ উদ্দেশ্যেই যেন নাৰীৰ জীৱন সৃষ্ট। উপন্যাসখনত বৰ্ণিত হোৱা মনালি, জ্যোৎস্না, সৰস্বতী, জয়া, নীৰা, জিলি, কান্তি, অনিমা আদিকে ধৰি আটাইকেইটা চৰিত্ৰই ৱাস্তৱৰ জীয়া চৰিত্ৰ। ধুবুৰীৰ বিলাসীপাৰা অঞ্চলত বসবাস কৰা বঙালী বনকৰা মহিলাসকলৰ জীৱনৰ সত্য দলিল এই নাৰীৰ বৈৱাহিক জীৱনৰ যন্ত্ৰণাক্লিষ্ট কাহিনী। পাতে পাতে লিখা হৈছে চৰম বিশ্বাসহীনতাৰ কথা। উপন্যাসখনত বৰ্ণিত এই প্ৰতিগৰাকী নাৰীয়েই অশিক্ষিতা, নিৰ্যাতিতা, শোষিতা, দৰিদ্ৰতাৰ হেঁচাত কোঙা হোৱা, যন্ত্ৰণাদগ্ধ আৰু পুৰুষৰ যৌন ক্ষুধাৰ বলি হোৱা বনকৰা নাৰী। সম্পূৰ্ণ বাস্তৱ এই চৰিত্ৰকেইটা উপস্থাপন কৰাৰ ক্ষেত্ৰত সাহিত্যকগৰাকীয়ে বৰ্ণনা বহুলতা আৰু কল্পনাৰ আশ্ৰয় লোৱা নাই। সঠিক শব্দৰ ব্যৱহাৰ, উপযুক্ত আংগিক আৰু চৰিত্ৰৰ প্ৰতি থকা নান্দনিক বিচাৰবোধে উপন্যাসখন পঠনত মনোগ্ৰাহী কৰি তুলিছে। তেওঁৰ উপন্যাসখনত বৰ্ণিত মানুহৰ মনস্তত্ব, বিশেষকৈ নাৰীৰ ওপৰত হোৱা আৰ্থিক আৰু যৌন অৱদমন, নাৰীৰ দ্বাৰা সৃষ্ট যৌন মনোদৌৰ্বল্য আৰু তাৰ পৰা সৃষ্টি হোৱা অনুষংগৰ বাহুল্যতা, মানৱীয় সংবেদনশীলতাই পাঠকৰ মনোযোগ দাবী কৰে। এয়াই ঔপন্যাসিকৰ সাৰ্থকতা।

**আমাৰ অসমঃ**

**(১৪/১০/২০১৮)**
**সোণবালি বাগিচাৰ ভূত**
**লেখক - যুগললোচন দাস**
**আলোচক - ৰুবুল কান্তি ৰয়**
**প্ৰকাশক - ৰেখা প্ৰকাশন**
**মূল্য - ৫০.০০ টকা**

শিশুৰ মনোজগতত বিচৰণ কৰি তেওঁলোকৰ বাবে সহজ-সৰল ভাষাৰে গ্ৰন্থ ৰচনা কৰাটো বৰ সহজ কথা নহয়। শিশুৰ কল্পনা জগতখন বৰ বৈচিত্ৰ্যপূৰ্ণ। তাক উপলব্ধি কৰি লিখা সাহিত্যহে প্ৰকৃত শিশু-সাহিত্য। বিশেষকৈ শিশুৰ বাবে গল্প আৰু উপন্যাস লিখোঁতে বহু কথাত মন দিবলগীয়া হয়। এইক্ষেত্ৰত শিশু-সাহিত্যিক যুগললোচন দাসে তেওঁৰ ৰচনাবোৰত অধিক সতৰ্কতা অৱলম্বন কৰা দেখা যায়। অসমত শিশুৰ বাবে উপযুক্ত অভিযান, কাহিনীও বৰ সুলভ নহয়। এইক্ষেত্ৰত দাসে ভালেকেইটা চৰিত্ৰ সৃষ্টি কৰি এলানি অভিযানমূলক কাহিনীও লিখিছে। তাৰ ভিতৰত অন্যতম হল ‘শংকৰ কিংকৰৰ অভিযান’। শংকৰ আৰু কিংকৰ নামৰ দুটি ১৮-১৫ বছৰীয়া কিশোৰক লৈ দাসে ৰচনা কৰিছে ভালকেইটা অভিযান কাহিনী। এই কাহিনীৰ আধাৰত তিনিখন গ্ৰন্থও প্ৰকাশ হৈছে ‘শংকৰ- কিংকৰৰ অভিযান’, কাজিৰঙাত অঘটন’, আৰু ‘সোণবালি বাগিচাৰ ভুত’।

‘কাজিৰঙাত অঘটন’খন হ’ল সম্পূৰ্ণ কমিকছ। নৱপ্ৰতিম দাসে শংকৰ-কিংকৰৰ কাজিৰঙাত গঁড় হত্যাৰ বিৰুদ্ধে চলোৱা অভিযানৰ কাহিনীটোক কমিকছৰ ৰূপ দিছে। তিনিটা কাহিনী ‘লাডুগোপাল ৰহস্য’, ‘কেবিন নম্বৰ ২৫’ আৰু ‘সোণাবালি বাগিছাৰ ভূত’ গ্ৰন্থখনে ২০১৮ চনৰ সাহিত্য অকাদেমিৰ শিশু-সাহিত্য বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰথমটো গল্পত নামঘৰ মন্দিৰৰ পৰা কোনো দুবৃত্তই বিগ্ৰহ, মূৰ্তি আদি চুৰ কৰা ঘটনাৰ পম খেদি অভিযান চলায় শংকৰ-কিংকৰে। দ্বিতীয় কাহিনীত বাটে-ঘাতে কোনো দুষ্ট লোক বা চোৰাং কাৰবাৰীয়ে চালকক হত্যা কৰি গাড়ীবোৰ চুৰ কৰি নিয়া ঘটনাৰ ৰহস্য ফাদিল কৰে শংকৰ-কিংকৰে। শেষৰ ঘটনাত একাংশ দুষ্ট লোকে মানুহক অন্ধবিশ্বাসৰ সহায় লৈ ভুতৰ ভয় দেখুৱাই ল’ৰা-ছোৱালী অপহৰণ কৰি নিয়ে আৰু তেওঁলোকে বিক্ৰি কৰি ধন ঘটে। তেনে মানৱ দেহৰ অংগ সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান চলায় শংকৰ-কিংকৰে। গল্পবোৰত দুয়ো বন্ধুৱে কোনো অস্ত্ৰৰ সহায় নোলোৱাকৈ কেৱল নিজৰ বুদ্ধি আৰু কৌশলেৰে দুষ্ট মানুহবোৰৰ সন্ধান উলিয়াই আৰক্ষীক খবৰ দিয়ে। বাকীখিনি কাম আৰক্ষীয়ে কৰে। প্ৰতিটো কাহিনী অতি ৰসালভাৱে লিখিছে দাসে। হাস্যৰসো আছে প্ৰচুৰ। উৎকণ্ঠাও আছে। সময়ত ঘটি থকা বেয়া ঘটনাবোৰৰ পৰা কেনেকৈ ৰক্ষা পৰা যায় তাৰ চিন্তা কৰা শংকৰ-কিংকৰে কাহিনীৰ মাজেৰে পঢ়ুৱৈলৈ ভালেকেইটা বাৰ্তাও দিছে। অকল শিশু-কিশোৰৰ বাবেই নহয় সকলোৱেই পঢ়ি ভাল পাব এই গ্ৰন্থখন।

**মৰা সুঁতিৰ চকুলো**
**লেখক - ত্ৰৈলোক্য চৰণ দাস**
**আলোচক - নৰুল হক আহমেদ**
**প্ৰকাশক - আখৰ প্ৰকাশন**
**মূল্য - ৫০.০০ টকা**

ত্ৰৈলোক্য চৰণ দাস এগৰাকী আশাবাদী কবি। তেওঁৰ কবিতাৰ প্ৰকাশ ভংগী, ভাষা অতি সৰল। কবি দাসৰ কবিতাত প্ৰকৃতিৰ বৰ্ণনা, সৌন্দৰ্য, প্ৰেমৰ জয়গান দেখা পোৱা গৈছে। এই পৃথিৱীত জীয়াই থকা খাটিখোৱা শ্ৰমিকবোৰ, পথাৰত হাল বাই সোণগুটি সিঁচা অৰ্ধ নাঙঠ সেই কৃষকবোৰ সকলোৰে জীৱনবোৰেইতো একোটা সঁচা কবিতাৰ অংগ। আমাৰ সকলোৰে জীৱনবোৰ যেন একেডাল সূতাৰে বন্ধা। তাৰেই মাজত বিচাৰি পোৱা কিছু হাঁহি-কান্দোন, দুখ, হতাশাক লৈ প্ৰয়াস কৰা দেখা গৈছে তেওঁৰ কবিতাত। কবি দাসৰ কবিতাৰ বিষয়বস্তু আৰু শিৰোনামসমূহ সৰল। তেওঁৰ লেখাসমূহ সহজাত। কবি দাসৰ কবিতাত কোনোধৰণৰ কঠিনতা দেখা পোৱা নাই। কবিতাখিনি আবৃত্তিৰ বাবে অতি উপযোগী। দাসৰ কবিতাত ৰোমান্টিকতাৰ হেচাঁ কিছু অধিককৈ অনোভূত হৈছে। এইখন মুঠ ৩৬টা কবিতাৰ একত্ৰ সংকলন। লেখকৰ প্ৰথম প্ৰকাশিত কাব্য সংকলন।

**লুইতপৰীয়া অন্য এক অসিজীৱী চামুৰাই**
**লেখিকা - দেদীপ্যা চেতিয়া পাতৰ**
**আলোচক - মুকুল শৰ্মা**

অসমৰ ঐতিহাসিক পটভূমিত লিখা হৈছে এই উপন্যাসখন। লেখিকা বৰ্তমান এগৰাকী চিত্ৰশিল্পী হিচাপে পৰিচিত।

বদনচন্দ্ৰ ফুকনে পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ একচত্ৰী আৰু অত্যাচাৰী শাসনৰ পৰা অসমক ৰক্ষা কৰাৰ উদ্দেশ্যে ব্ৰহ্মদেশলৈ যায় আৰু ব্ৰহ্মদেশৰ ৰজাৰ পৰা সহায় ভিক্ষা কৰে। মান সৈন্যসকলে অসম আক্ৰমণ কৰি আহোম সৈন্যসকলৰ লগতে যাক য'ত পায় নিষ্ঠুৰভাৱে বধ কৰি নানা অত্যাচাৰ চলায়। প্ৰজাসকল গাঁও-ভূই এৰি পলাই যায়। মান সৈন্যসকলে প্ৰজাসকলৰ সা-সম্পত্তি লুটপাত কৰি লৈ যায়। অসমখন এফালৰ পৰা ধ্বংস কৰি নানা ধৰণে অত্যাচাৰ-অশান্তিৰ সৃষ্টি কৰে। গোটেই অসমখন মান সেনাই লণ্ডভণ্ড কৰি পেলাইছিল।

মান সৈন্যৰ হাতত আহোম সৈন্যৰ শোচনীয়ভাৱে পৰাজয় ঘটে। চন্দ্ৰকান্ত সিংহক ৰজা পাতি মান সেনাই প্ৰজাৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ আৰম্ভ কৰে। ৰজাই প্ৰজাৰ ওপৰত কৰা অত্যাচাৰ দেখি-শুনি মনতে বৰ দুখ পায়। ৰজাই আকৌ এবাৰ মানৰ লগত যুঁজিবলৈ স্থানীয় সৈন্যৰ লগতে পাঞ্জাব কেশৰী মহাৰাজ ৰঞ্জিত সিঙৰ সহায় বিচাৰে। শিখসকল ভাৰতবৰ্ষৰ ভিতৰতে এক শক্তিশালী যুঁজাৰু জাতি। মহাৰাজ ৰঞ্জিত সিঙে আহোম স্বৰ্গদেৱক সহায়ৰ বাবে এদল শিখ সৈন্যবাহিনী পঠায়। চুবেদাৰ চৈতন্য সিঙৰ নেতৃত্বত অহা শিখ সৈন্যসকলে মান সৈন্যৰ লগত প্ৰাণটাকি যুঁজিও মান সেনাপতিক ঘটুৱাব নোৱাৰিলে। মাত্ৰ কেইজনমানহে শিখ সৈন্য জীয়াই থাকে। জীয়াই থকাকেইজন নিজ দেশলৈ উভতি নগৈ অসমৰ বিভিন্ন ঠাইত অসমীয়া সামাজিক জীৱনত মিলি গৈ বাস কৰে। আন এজন চুবেদাৰ ৰাম সিঙে এডোখৰ উৰ্বৰা মাটি বিচাৰি আহি হাবি-জংঘলেৰে আবৃৰা ঠাই বৰকলাত বহু কষ্টৰে হাবি কাটি গেলা পুখুৰীৰ পাৰত বাসগৃহ সাজি অসমীয়া ছোৱালী বিয়া কৰায়। চুবেদাৰ ৰাম সিঙে নগাঁৱৰ বৰকলাত শিখ ৰক্তবীজৰ পাতনি মেলে। অসমীয়া সমাজৰ আৰু ভাষা-সংস্কৃতিৰ লগত মিলি বৃহত্তৰ অসমীয়া জাতিৰ অংগ হৈ পৰে এই বীৰ শিখসকল। এখন ঐতিহাসিক উপন্যাস ৰচনা কৰিবলৈ যাওঁতে ঘটনা আৰু সময়ৰ সত্যতাৰ প্ৰতি চকু দিব লাগে। অতীতৰ ৰীতি-নীতি, সংস্কাৰ, আচাৰ-ব্যৱহাৰ, সামাজিক জীৱনৰ অৱস্থাৰ ৰূপ কিছু প্ৰতিফলিত হ'ব লাগে এনে উপন্যাসত। ঐতিহাসিক ঘটনাৰ লগত সাধাৰণ মানুহৰ জীৱনৰ যি সম্বন্ধ ঐতিহাসিক উপন্যাসৰ প্ৰধান অৱলম্বন।

**সংবাদ, সাংবাদিকতা আৰু তেজপুৰৰ সংবাদকৰ্মীৰ ৰূপৰেখা**
**লেখক - দেবব্ৰত শৰ্মা**
**আলোচক - ড০ ভূপেন শইকীয়া**
**প্ৰকাশক - মল্লিকা শৰ্মা**
**মূল্য - ২০০.০০ টকা**

গ্ৰন্থখন মুঠ নটা অধ্যায়ত বিভক্ত। গ্ৰন্থখনত লেখক শৰ্মাৰ' সংবাদ-পত্ৰ-আলোচনীৰ ইতিহাস, সংবাদ-সাংবাদিকতা, সাংবাদিকতাৰ ধৰ্ম আৰু সংবাদিক, অসমৰ সাংবাদিকতাৰ বিকশিত তেজপুৰৰ অৱদান আৰু সাংবাদিকৰ্মীৰ ৰূপৰেখা আদি বিষয় সামৰি লৈছে।

অৰুণদই'ৰ জৰিয়তে আৰম্ভ হোৱা অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰখনে ইতিমধ্যে ১৭২টা বছৰ গৰকিছে। এই দীঘলীয়া সময়ছোৱাত যেনেদৰে অনেক কাকত-আলোচনী কালৰ সোঁতত হেৰাই গৈছে তেনেদৰে বহু সংবাদপত্ৰৰ জন্ম হৈছে। বহু উত্থন-পতনৰ মাজেৰে যাত্ৰাৰম্ভ কৰা সাংবাদিকতাৰ ক্ষেত্ৰখনৰ পৰিধি এতিয়া যথেষ্ট বিস্তৃত। কেৱল সংখ্যাগতভাৱেই নহয় গুণগত মানো বৃদ্ধি পোৱাটো এক ইতিবাচক দিশ। আঠ দশকজুৰি ট্ৰিবিউন গোষ্ঠীয়ে নিৰৱচ্ছিন্নভাৱে অসমৰ সংবাদ জগতলৈ অনবদ্য বৰঙণি আগবঢ়াই অহাটোও এক উল্লেখযোগ্য ঘটনা।

অসমৰ সাবাদিকতাৰ বিকাশত তেজপুৰৰ অৱদানো তাকৰ নহয়। 'অৰুণদই' যুগৰ পৰা সাম্প্ৰতিক কাললৈকে অসমীয়া সাংবাদিকতাৰ ইতিহাসত তেজপুৰৰ অৱদান আছে। উল্লেখ্য যে তেজপুৰৰ বিশ্বনাথৰ পৰা ১৮৭৪ চনত প্ৰকাশিত 'আসাম দৰ্পন' আছিল প্ৰকৃতাৰ্থত অসমৰ প্ৰথম সংবাদপত্ৰ। লক্ষ্মীকান্ত বৰকাকতিয়ে সম্পাদনা কৰা কাকতখনৰ অৱশ্যে আয়ুস আছিল এবছৰ। তেজপুৰ নগৰৰ পৰা ১৯০০ খ্ৰীষ্টাব্দৰ ১৪ জানুৱাৰীত প্ৰকাশ পোৱা 'অসম বন্তি' কিন্তু ৪৪বছৰ ধৰি চলিছিল। সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাই বৰুৱাৰ অশেষ শ্ৰম আৰু ত্যাগৰ বাবেই 'অসম বন্তি'য়ে সোণসেৰীয়া অৱদান আগবঢ়াবলৈ সক্ষম হৈছিল। গোহাঞি বৰুৱাৰ চেষ্টাতে ১৯০৭ চনত 'ঊষা' প্ৰকাশ পাইছিল। প্ৰায় চাৰি বছৰ ধৰি চলা নতুন প্ৰগতিবাদী চিন্তাৰ প্ৰোজ্জ্বল নিদৰ্শন মাহেকীয়া 'ঊষা' কাকতখন গোহাঞিবৰুৱাই সম্পাদনা কৰাই নহয় প্ৰকাশো কৰিছিল।

প্ৰাক্ স্বাধীনতা যুগত তেজপুৰৰ পৰা প্ৰকাশিত আন এখন লেখত ল'বলগীয়া কাকত হ'ল 'আসাম সেৱক' (অসম সেৱক)। নিষ্ঠাৱান স্বাধীনতা সংগ্ৰামী বিজয় চন্দ্ৰ ভাগৱতী আছিল 'আসাম সেৱক'ৰ সম্পাদক। প্ৰতিষ্ঠাতা আছিল ডাঃ হৰিকৃষ্ণ দাস। স্বাধীনতা সংগ্ৰামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা 'আসাম সেৱক' কাকতখন ১৯৫৩ চনৰ ২৬ ছেপ্তেম্বৰলৈকে প্ৰকাশ পাইছিল। ইয়াৰ প্ৰায় এটা দশকৰ পিছত বিশিষ্ট সমাজকৰ্মী, প্ৰাক্তন সাংসদ ডঃ পূৰ্ণ নাৰায়ণ সিংহৰ একাগ্ৰ প্ৰচেষ্টাত প্ৰকাশ পাইছিল 'মহাজাতি'। পিছলৈ অৰ্ধ সাপ্তাহিকভাৱে সেৱা আগবঢ়োৱা কাকতখন ৪৬ বছৰ পিছত ২০১০ চনত বন্ধ হোৱাটো তেজপুৰৰ বাবে পৰিতাপৰ কথা।

'মহাজাতি' কাকতৰ সমান্তৰালভাৱে তেজপুৰত আন কেতবোৰ কাকতৰো জন্ম হৈছিল। ১৯৮০ চনৰ ১৪ এপ্ৰিলত প্ৰকাশ পাইছিল 'জয় আই অসম'। তিনি বছৰ কাল ধৰি নিৰবিচ্ছিন্নভাৱে প্ৰকাশ হোৱা কাকতখনৰ সম্পাদক আছিল কুশ চন্দ্ৰ শৰ্মা। জ্যেষ্ঠ সাংবাদিক নৰেন্দ্ৰ দেৱশাস্ত্ৰীৰ সম্পাদনাত ১৯৮৫ চনত প্ৰকাশ পাইছিল 'আজিৰ বাতৰি' কাকতখন। পৰৱৰ্তী সময়ত সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যৰ সম্পাদনাত প্ৰকাশিত 'সাদিনীয়া সংবাদ' পাঁচ বছৰ চলি ১৯৯৪ চনত বন্ধ হৈ যায়। একেদৰে অঞ্জন গোস্বামীৰ 'অগ্নিগড়', ত্ৰৈলোক্য ভট্টাচাৰ্যৰ 'শোণিতপুৰ সংবাদ', নয়নমণি শইকীয়াৰ 'সাপ্তাহিক বা-বাতৰি'ৰ আয়ুসকাল বৰ বেছি দীঘলীয়া নহ'ল। সম্প্ৰতি মৃদুল কুমাৰ চহৰীয়াৰ সম্পাদনাত বহুভাষিক 'সাপ্তাহিক স্বদেশ'খন প্ৰকাশ পাই আছে।

লেখক শৰ্মাই তেজপুৰৰ কেইগৰাকীমান প্ৰয়াত পুৰোধা সাংবাদিকৰ চমু পৰিচয় দাঙি ধৰিছে। এইসকলৰ মাজত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা, বিজয় চন্দ্ৰ ভাগৱতী, ডঃ পূৰ্ণ নাৰায়ণ সিংহ, কুশ চন্দ্ৰ শৰ্মা, শৈলেশ চন্দ্ৰ চক্ৰৱৰ্তী, প্ৰিয় গোপাল মুখাৰ্জী, নৰেন্দ্ৰ দেৱ শাস্ত্ৰী, সুৰেন্দ্ৰ নাথ বৰঠাকুৰ, আব্দুল মুন্নাফ, বিবুধ কলিতা, প্ৰণৱ সিংহ, পংকজ নাৰায়ণ সিংহ, ৰঞ্জন কুমাৰ কাকতি, দীপক মহন্ত আৰু ফাল্গুনী বৰ্মন অন্যতম। গ্ৰন্থখনত 'টাইমছ অৱ আছাম'ৰ স্বত্বাধিকাৰী তথা সম্পাদক ৰাধানাথ চাংকাকতি, অসমীয়া সাংবাদিকতাৰ মহীৰূহ ৰাধিকা মোহন ভাগৱতী, 'অসম হিতৈষী' কাকতৰ সম্পাদক কমলাকান্ত ভট্টাচাৰ্য, 'জোনাকী'ৰ প্ৰতিষ্ঠাপক সম্পাদক চন্দ্ৰ কুমাৰ আগৰৱালা, 'আসাম এক্সপ্ৰেছ' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক হেম বৰুৱাকে আদি কৰি অনেক লোকৰ কৰ্ম আৰু জীৱন সম্পৰ্কে চমু পৰিচয় দাঙি ধৰা হৈছে।

গ্ৰন্থখনৰ অষ্টম অধ্যায়ত লেখক শৰ্মাই আধুনিক অসমৰ সংবাদপত্ৰ বিষয়তো চমু আলোকপাত কৰিছে। ডিব্ৰুগড়ৰ পৰা সদানন্দ দুৱৰাৰ সম্পাদনাত ১৯১৮ চনত প্ৰকাশিত সাদিনীয়া 'অসমীয়া'ৰ পৰা

আৰম্ভ কৰি চলিত বৰ্ষৰ ২৯ এপ্ৰিলত তেজপুৰৰ চিত্ৰলেখা প্ৰকাশনৰ ৰুবী বৰদলৈৰ দ্বাৰা প্ৰকাশিত 'সাপ্তাহিক স্বদেশ'লৈকে প্ৰায় সকলো কাকতৰে বিৰৰণ এই অধ্যায়ত দিছে।

**ৰেগিং কৰিবিনে ?**
**লেখিকা - শেৱালী বৰঠাকুৰ গোস্বামী**
**আলোচক - মানস প্ৰতিম শৰ্মা**
**মূল্য - ৬০.০০ টকা**

লেখিকা এগৰাকী নাট্যশিল্পীৰ লগতে অসমীয়া সাহিত্য জগতৰো এক সুপৰিচিত ব্যক্তি। 'দাপোণত নাৰী' গ্ৰন্থৰে গল্পকাৰ ৰূপে প্ৰতিষ্ঠা লাভ কৰা লেখিকাৰ লেখাসমূহ বহু কাকত-আলোচনীত প্ৰকাশ পাই আহিছে। চৰকাৰী পৰিবহণ নিগমত কৰ্মৰত লেখিকাগৰাকীৰ এই উপন্যাসখনে অসমীয়া সাহিত্য জগতত সম্প্ৰতি সুকীয়া স্থান লাভ কৰিছে। আজি ভালেমান দিন এটা ভয়ংকৰ সমস্যা তথা এক জটিল প্ৰত্যাহ্বান ৰূপে পৰিগণিত হৈ এক সামাজিক ব্যাধি ৰূপে পৰিগণিত হোৱা 'ৰেগিং'ক বিষয়বস্তু কৰি লেখিকাই ৰচনা কৰা এই উপন্যাসখনৰ মূল আধাৰ এটি সত্য ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত। ২০১২ বৰ্ষৰ ১০ আগষ্টত অসম ইঞ্জিনিয়াৰিঙৰ ছাত্ৰ মাধুৰ্য বাৰুকিয়ালৰ আকস্মিক মৃত্যুৰ কাৰণ ৰেগিং বুলিয়েই বিবেচিত হ'ল। অতিকে দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰজনৰ সম্ভাৱনাপূৰ্ণ জীৱনৰ কৰুণ পৰিসমাপ্তি শোকত আজিও স্বাভাৱিক হ'ব পৰা নাই দৰিদ্ৰ পিতৃ-মাতৃ। দূৰদৰ্শনৰ পৰ্দাত মাধুৰ্যৰ পৰিয়ালে কিমান কষ্টৰ অন্তত তাক ইঞ্জিনিয়াৰিঙত নামভৰ্তিৰ সুবিধা কৰিব পাৰিছিল তথা কিমান কষ্টৰ মাজেৰে নিজ অধ্যৱসায়ৰ বলত মাধুৰ্যই মেধা লাভ কৰিছিল, সেই বিষয়ে জ্ঞাত হৈয়েই লেখিকাই মন বান্ধিছিল এই বেদনাক সৃষ্টিশীল ৰূপ দিয়াৰ, তাৰেই ফল এইখন সুখপাঠ্য উপন্যাস। 'মাধুৰ্য'ৰ চৰিত্ৰটোক 'মানৱেন্দ্ৰ' ৰূপে সজাই বাস্তৱ ঘটনাটোৰ আলম লৈ ৰচনা কৰি উলিওৱা এই উপন্যাসে লেখিকাক এক সুকীয়া মাত্ৰা দিছে। কেৱল বিষয়বস্তুৰেই নহয়, উপন্যাসখনৰ প্ৰকাশভংগী আৰু উপস্থাপনো ব্যতিক্ৰমী। দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰ মানৱেন্দ্ৰৰ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ হোষ্টেলত ৰেগিঙৰ ফলত মৃত্যু হোৱাৰ পিছত মানৱেন্দ্ৰৰ অশৰীৰী আত্মাই ন্যায় বিচাৰি দোষী ছাত্ৰজনক ভয় দেখুওৱাৰ কথাৰে আৰম্ভ হোৱা উপন্যাসখনত অলৌকিক শক্তিৰ মাধ্যমেৰে এখন অন্য জগতৰ কল্পনা কৰিছে লেখিকাই। মহাবিদ্যালয়তেই হওক বা ছাত্ৰাৱাসতেই হওক ৰেগিঙৰ নামত একাংশ উদণ্ড ছাত্ৰই কৰা উদ্ভাওালিৰ ছবিখন লেখিকাই ফুটাই তুলিছে সুন্দৰকৈ। অভিজাত পৰিয়ালৰ ল'ৰা ৰাজলোচনৰ নেতৃত্বত চলা ৰেগিঙৰ নামত অত্যাচাৰৰ ছবিখনে সমাজ জীৱনৰ স্পষ্ট ছবি এখন ফুটাই তুলিছে। বিষয়বস্তুত আনুষংগিকভাৱে লেখিকাই চুই গৈছে সমাজৰ বিভিন্ন বাস্তৱ সত্য।

প্ৰায় এশ পৃষ্ঠাৰ পকাবন্ধা গ্ৰন্থখনৰ প্ৰকাশভংগী আৰু ভাষাশৈলী সুন্দৰ। উপস্থাপনৰ নৈপুণ্য আৰু কাহিনী কথনৰ চমৎকাৰী কৌশলে লেখিকাৰ পাকৈত হাতৰ সুস্পষ্ট উমান দিছে। অসাধাৰণ কাহিনীভাগৰ কথনশৈলীও বৰ ব্যতিক্ৰমী। পাঠকৰ মন-মগজুত ক্ৰিয়া কৰিব পৰা ধৰণৰ ঘটনাৰ বৰ্ণনাই বাস্তৱৰ এখন নিৰ্মম ছবি আমাৰ সন্মুখত দাঙি ধৰিছে। মানৱেন্দ্ৰৰ নশ্বৰ দেহৰ সন্মুখত নিথৰ হৈ পৰা তেওঁৰ পিতৃ-মাতৃৰ বৰ্ণনাৰে সমাপ্ত হোৱা উপন্যাসখনৰ শেষৰ অংশত বায়েক মৰমীৰ মুখত 'সি যাওক দিয়া মা! এই পৃথিৱীত ভাল মানুহৰ স্থান নাই। তাক যাবলৈ দিয়া। এই বিচাৰখন সিয়ে কৰক। এই পৃথিৱীত যদি সত্য আছে এই বিচাৰ হ'বই।' প্ৰবীণ অসমীয়া কথা-সাহিত্যক, সু-সংগঠক হৰিপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিৰ শুভেচ্ছা-সংলগ্ন কৰা হৈছে এই গ্ৰন্থখনত।

(২৮/১০/২০১৮)

**অসমৰ ঠাইৰ নামত লোকসাংস্কৃতিক উপাদান আৰু ইয়াৰ ঐতিহ্য**

**লেখক - লীলাধৰ হাজৰিকা**

**আলোচক - মনোৰঞ্জন কলিতা**

**প্ৰকাশক - পূৰ্বায়ন প্ৰকাশন**

ঠাইৰ নামৰ বৈশিষ্ট্যৰ লগত ইতিহাস আৰু জনশ্ৰুতিৰ তাৎপৰ্য নিহিত থাকে। এটা অঞ্চলৰ ঠাইৰ নামৰ পৰা সেই অঞ্চলটোৰ ইতিহাসৰ ভালেখিনি কথা জানিব পৰা যায়। লোক-সাংস্কৃতি বাদ দি এটা জাতি জীয়াই থাকিব নোৱাৰে। সেয়ে ঠাইৰ নামকৰণতো লোক-সাংস্কৃতি বিদ্যামান। যদিও ঠাইৰ নামৰ লগত জড়িত লোক-সংস্কৃতিক উপাদান বিচাৰ-বিশ্লেষণ কৰা সহজ নহয়, তথাপি এনে বিষয়তে এখন গ্ৰন্থ লিখি উলিয়াইছে লীলাধৰ হাজৰিকাই। গ্ৰন্থখনত লেখকে 'অসমৰ ঠাইৰ নামত লোক-সাংস্কৃতিক উপাদান', 'লোককথা'ৰ আধাৰত দক্ষিণ-পশ্চিম গুৱাহাটী অঞ্চলৰ কেইখনমান ঠাইৰ বৈশিষ্ট্য', 'মালিগাঁও-গোটানগৰ অঞ্চলৰ ঠাইৰ নামত বৈশিষ্ট্য আৰু শ্ৰীমন্ত শংকৰদেৱৰ গোটানগৰ সত্ৰত থকা সাঁচিপতীয়া পুথিসমূহ', 'বৃহত্তৰ ধাৰাপুৰ অঞ্চলৰ ঠাইৰ নামৰ বৈশিষ্ট্য', 'পাণ্ডু অঞ্চলৰ ঠাইৰ নামৰ বৈশিষ্ট্য, ইতিহাস আৰু জনশ্ৰুতিৰ জলভাৰে মালিগাঁও আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলৰ জনজাতিসকল', 'গুৱাহাটী মহানগৰীৰ গাড়ীগাঁও হিন্দু-মুছলমানৰ মিলনথলী' শীৰ্ষক নিবন্ধকেইটা সংকলিত কৰিছে।

**চিনাকি আবাসী**

**লেখক – মঞ্জুল শৰ্মা**

**আলোচক - মুকুল শৰ্মা**

**প্ৰকাশক - বদন শৰ্মা**

মানুহে বাস কৰা পৰিৱেশৰ চাৰিওফালে বিভিন্ন ধৰণৰ কীট-পতংগ, পশু-পক্ষী, জীৱ-জন্তু বাস কৰে। এইবোৰ মানুহৰ চিনাকি আৱাসীৰ দৰে। এই আৱাসীসমূহ এটাই আনটোৰ ওপৰত কিছু পৰিমাণে হ'লেও নিৰ্ভৰশীল। ডুমডুমাৰ লেখিকা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়ত্ৰী মঞ্জুল শৰ্মাই আমি বাস কৰা গৃহসমূহত বা চাৰিওফালে বাস কৰা সদায় দেখি থকা সাধাৰণ যেন অনুভৱ হোৱা ১৭টা কীট-পটংগ আৰু পশু-পক্ষীৰ বিষয়ে 'চিনাকি আবাসী' নামৰ গ্ৰন্থখনত বৰ সুন্দৰভাৱে সহজ-সৰল ভাষাৰে সাধাৰণ পাঠকৰ বোধগম্য হোৱাকৈ পোনপটীয়াভাৱে লিখিছে। পাঠকে গ্ৰন্থখন পঢ়িলে কীট-পতংগ, পশু-পক্ষীসমূহৰ চৰিত্ৰৰ লগতে এইবোৰে আমাক কিদৰে উপকাৰ আৰু অপকাৰ কৰে জানিব পৰিব।

গ্ৰন্থখনত প্ৰথমে জোনাকী পৰুৱাৰ বিষয়ে লিখিছে- গ্ৰীষ্ম কাল শেষ হোৱাৰ পৰা শীত কাল আৰম্ভণিলৈকে সন্ধিয়াৰ পৰা মাজনিশালৈকে জোনাকী পৰুৱাই বৈ বৈ পোহৰ বিকিৰণ কৰি পৰিৱেশ মায়াময় কৰি তোলে। অলপ জেকা, নদী কাষৰীয়া ঠাই, সৰু গছ-গছনিৰ মাজত মাটিৰ পৰা কিছু ওপৰত সন্ধিয়া উৰি উৰি বা গছৰ ডাল-পাতত বহি জোনাকী পৰুৱাই পোহৰ বিলায়। ইয়াৰ চাৰিখন পাখি থাকে। জোনাকী পৰুৱাৰ গাত লুচিফেৰিন নামৰ এবিধ পদাৰ্থ আৰু লুচিফেৰেজ নামৰ এনজাইম থাকে। লুচিফেৰেজৰ সহায়ত অক্সিজেন আৰু লুচিফেৰিনৰ মিশ্ৰণ ঘটি পোহৰ উৎপন্ন হয়।
জেঠীয়ে কাষৰ বতাহৰ সোৱাদ লৈয়েই গোন্ধ অনুভৱ কৰে। ইহঁতৰ কন্ঠনলী আছে বাবে শব্দ কৰিব পাৰে। জেঠীৰ নেজডাল বৰ কোমল হোৱাৰ বাবে সামান্য আঘাততে ছিগি যায় যদিও লাহে লাহে আকৌ গজি আহে। মে'-আগষ্ট মাহত ৪ বা ৫ যোৰ কণী পাৰে। চাৰি সপ্তাহমানত কণী ফুটি পোৱালি ওলায়। ৩-৪ ইঞ্চিমান দীঘল হয় আৰু তিনি বছৰপৰ্যন্ত জীয়াই থাকে। পৃথিৱীত প্ৰায় ৫,৬০০ প্ৰজাতিৰ জেঠী আছে।

মকৰা– আৰাক্লিড নামৰ প্ৰজাতি। ইহঁতৰ ৮ খন ভৰি আৰু ৮ টা সৰল চকু আছে। মুখৰ ওচৰত ২টা বিষ দাঁত থাকে। প্ৰতিখন ভৰিত ৬ যোৰকৈ ৪৮ টা আঁঠু আছে। মকৰাৰ মুখত থকা গ্ৰন্থিবোৰত এবিধ প্ৰ'টিন উৎপন্ন হয় আৰু গ্ৰন্থিৰ পৰা ওলাই অহা জুলীয়া ছিল্ক হেচাঁ খাই ফুটাৰে ওলাই বায়ুৰ সংস্পৰ্শলৈ আহি গোট মাৰি মকৰাজাল সৃষ্টি কৰে।

মাখি– এটা মাখিয়ে জীৱনকালত প্ৰায় ২ নিযুট বেক্টেৰিয়া কঢ়িয়াই নিব পাৰে। মাইকী মাখি মতা মাখিতকৈ কিছু ডাঙৰ, পাখি দুখন, ভৰি ছখন, চকু ৰঙা। শুংডালৰ সহায়ত মাখিয়ে বস্তুৰ গোন্ধ বুজি পায়। ১ ছেকেণ্ডত ২০০ বাৰকৈ ইহঁতে পাখি কোবাব পাৰে। শৰীৰৰ দৈৰ্ঘ্য ৫–৮ মিঃ মিঃ। ভৰিত থকা এবিধ আঠাৰ বাবে মাখিয়ে উল্টা হৈয়ো খোজ কাঢ়িব পাৰে।

**মন গংগাৰ তীৰত**
**লেখিকা - সবিতা গোস্বামী**
**আলোচক - ড০ স্বপ্নালী কাকতি**
**প্ৰকাশক - অসম বুক হাইভ**

লেখিকাই 'মোৰ কৰিবলগীয়া' শিতানত লিখিছে– 'মন গংগাৰ তীৰত' ধাৰাবাহিক ঘটনাৰ প্ৰবাহ নহয়। ই মোৰ জীৱন আৰু জীৱিকাৰ সত্য কাহিনী।' এগৰাকী নাৰীয়ে কেনেদৰে সাহসেৰে জীৱনৰ কঠিন সময়ৰ মুখামুখি হয়, অনিশ্চয়তা, নিৰাপত্তাহীনতাৰ সন্মুখীন হয়, অতি অশান্তিকৰ ঘৰুৱা পৰিৱেশতো নিজৰ দুই দুহিতাক উচ্চ শিক্ষিতা কৰি আত্মনিৰ্ভৰশীল হ'বলৈ শিকাব পাৰে– তাৰেই কাহিনী 'মন গংগাৰ তীৰত'।

পেছাত এগৰাকী সাংবাদিক হিচাপে নিষ্ঠা আৰু দায়িত্বসহকাৰে আত্মমৰ্যাদা লাঘৱ হ'বলৈ নিদিয়াকৈ, নিৰ্ভীকভাৱে কোনো আপোচ নকৰাকৈ দিনে–ৰাতিয়ে কেনেদৰে এগৰাকী মহিলাই কাম কৰিব পাৰে তাৰ বিৱৰণ 'মন গংগাৰ তীৰত'ৰ পৃষ্ঠাই পৃষ্ঠাই পৰিস্ফুট। ৭০–৮০ৰ দশকৰ পুৰুষপ্ৰধান সমাজ ব্যৱস্থাৰ মাজত তেখেতে এনেকুৱা এখন কৰ্মক্ষেত্ৰ বাছি লৈছিল য'ত মহিলাৰ প্ৰৱেশ নিষেধৰ নিচিনাই আছিল। তেনে সময়তে তেওঁ নিজক কৰ্মদক্ষতাৰ প্ৰমাণ দি স্থানীয় সংবাদ প্ৰতিষ্ঠানৰ লগতে বি বি চিৰ কাৰণেও সংবাদ পৰিৱেশন কৰাৰ দায়িত্ব লাভ কৰিছিল। ব্যক্তিগত জীৱনত আছিল পাৰিবাৰিক সংঘাত। জীৱনৰ কঠিনতম সময়ত লেখিকাই নিজৰ স্বামীৰ পৰা পাবলগীয়া সাহস আৰু সহায় একোৱেই পোৱা নাছিল। তথাপি তেওঁ ঘৰ ভাঙি ওলাই অহা নাই। বৰঞ্চ জীৱনৰ শেষ মুহূৰ্তলৈ তেওঁ স্বমীক সহানুভূতি সহকাৰে সংগ দিছিল।

'মন গংগাৰ তীৰত' গ্ৰন্থখনৰ আন এটি উল্লেখনীয় দিশ হ'ল সমসাময়িক সেই সময়ৰ এখন দলিল হ'ব পৰা সমলৰো উৎস হ'ব পৰাটো। তেখেতে সাংবাদিকতা কৰা সময়ছোৱাৰ জুৰে পোৱা অসমৰ বৰ্ণনা, ছাত্ৰনেতাৰ পৰা নেতা হোৱা ৰাজনীতিবিদসকলৰ ৰাজনৈতিক চতুৰালি আৰু ব্যক্তিস্বাৰ্থ পূৰণৰ সুযোগ গ্ৰহণ কৰাৰ মানসিকতা, লগতে আলফাৰ বিভিন্ন কাৰ্য–কলাপৰ বিৱৰণ এই আত্মজীৱনীখনত প্ৰাঞ্জল ভাষাৰে বৰ্ণনা কৰিছে।

**চিন্তনঃ কথা আৰু ছন্দৰে**
**লেখিকা - সন্ধ্যা দেৱী**
**আলোচক - বনশ্ৰী দত্ত**
**প্ৰকাশক - কস্তুৰী প্ৰকাশন**

গ্ৰন্থখনৰ প্ৰথম অংশ ভিন ভিন স্বাদৰ প্ৰবন্ধ আৰু শেষৰ ‘ছন্দশিল্প’ অংশ কবিতাৰ সমষ্টি। আবাল, বৃদ্ধ, বণিতা সকলোকে চিন্তাৰ খোৰাক যোগাব পৰাকৈ সন্ধ্যা দেৱীয়ে লিখনশৈলীৰ সৰলতাৰে ভাৱগম্ভীৰ বিষয়সমূহো বোধগম্য কৰি তুলিছে। প্ৰতিটো জ্ঞানদায়িনী প্ৰবন্ধতে তেখেতৰ সমাজ সচেতনতা প্ৰতিভাত হৈছে। এগৰাকী সাধাৰণ পঢ়ৈৰে হিচাপে ক’ব খোজোঁ যে ‘চিন্তন- কথা আৰু ছন্দৰে’ পুথিৰ প্ৰতিটো প্ৰবন্ধই সকলো শ্ৰেণীৰ পাঠকৰে মনৰ আকাশ অলপ হ’লেও পোহৰাই তুলিব। ‘প্ৰেম অমৃতৰ নদী-বিবাহ’, ‘প্ৰাত্যহিক জীৱনত সুখৰ সন্ধান’, ‘আখলতেই আছে আপোনাৰ বিউটী পাৰ্লাৰ’ ভিন ভিন বিষয়বস্তুৰ সময়পযোগী ৰসাল প্ৰবন্ধ। ‘ছন্দশিল্প’ অংশৰ কবিতাসমূহ এক কথাত ক’বলৈ গ’লে মন চুই যোৱা।

**অৰণ্যত ঝিলীৰ ৰোদন**
**লেখিকা - সন্ধ্যা দেৱী**
**আলোচক - বনশ্ৰী দত্ত**
**প্ৰকাশক - কস্তুৰী প্ৰকাশন**

৯৬ পৃষ্ঠাৰ এই পুথিখনত পোন্ধৰটা গল্প সন্নিৱিষ্ট কৰা হৈছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰক্তন সভানেত্ৰী বিনীতা দত্তই পুথিখনৰ পাতনিত লিখিছে- “একোখন গ্ৰন্থই লেখকৰ অজানিতেই লেখকৰ আদৰ্শ আৰু ব্যক্তিত্ব প্ৰতিফলিত কৰে। সন্ধ্যা দেৱীৰ ‘অৰণ্যত ঝিলীৰ ৰোদন’ নামৰ গল্প পুথিখনৰ মাজতো আমি লেখিকাৰ অন্তৰ্লীন ব্যক্তিত্ব, আদৰ্শ আৰু চিন্তাধাৰা সুস্পষ্টকৈ প্ৰতিফলিত হোৱা দেখিবলৈ পাওঁ।” ‘অৰণ্যত ঝিলীৰ ৰোদন’, ‘লুণ্ঠিত দেশপ্ৰেম’, ‘কৌমাৰ্য্য চেতনা’, ‘অ’ মোৰ আপোনাৰ দেশ’ আদি গল্পৰ মাজেৰে লেখিকাই প্ৰচণ্ড সমাজ সচেতনতাৰ চিনাকি দিয়াৰ লগতে মুখাপিন্ধা এচাম স্বাৰ্থপৰ মানুহৰ প্ৰকৃত চেহেৰা উদঙাই দেখুৱাইছে।

**জনান্তিকৰ শব্দ**
**লেখক - ডঃ ভূপেন শইকীয়া**
**আলোচক - মানস প্ৰতীম শৰ্মা**

লেখক ‘আমাৰ অসম’কে ধৰি বহু কেইখন কাকত-আলোচনীৰ নিয়মীয়া লেখক, ৰাজ্যখনৰ প্ৰবীণ ঔপন্যাসিক, সু-কবি তথা পুৰণিগুদাম বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ। লেখকৰ পূৰ্বে প্ৰকাশিত কাব্য সংকলন ‘হৃদয় এক পোতাশাল’ত তেওঁ দিয়া নিজ কাব্য প্ৰতিভাৰ পৰিচয়ে তেওঁক অসমীয়া সাহিত্য জগতত সুকীয়া স্থান প্ৰদান কৰিছে। পূৰ্বে প্ৰকাশিত-অপ্ৰকাশিত বহুকেইটা কবিতাৰ সংকলন এই ‘জনান্তিকৰ শব্দ’ই কবিতা সৃষ্টিৰ প্ৰতি কবিৰ মনৰ তাড়না স্পষ্ট ৰূপত প্ৰতিফলিত কৰিছে।

এই সংকলনখন প্ৰায় ৭৬ টা কবিতাৰ একত্ৰ প্ৰকাশ। সমাজ আৰু মানুহৰ বিভিন্ন ছবিৰ সুন্দৰ কাব্যিক উপস্থাপনেৰে সজ্জিত সংকলনখনৰ কবিতাৰাজিৰ মাজত সন্নিৱিষ্ট হৈছে মানুহৰ প্ৰশস্তি গীতো। সংকলনখনত সন্নিৱিষ্ট প্ৰথম কবিতা ‘মানুহ আৰু শইচ’ত কবিজনে সুগন্ধি পখিলাৰ কবি হীৰুদাৰ বন্দনা কৰিছে। ‘সমুদ্ৰত ইন্দিৰাৰ অৱগাহন’ আৰু ‘এটা কলম স্তব্ধ হ’ল’ কবিতা দুটাত জ্ঞানতপস্বিনী মামণি ৰয়ছম গোস্বামী, ‘কালাম’ কবিতাটোত ডঃ এ.পি.জে আব্দুল কালামৰ লগতে কেইবাটাও কবিতাত কেইবাগৰাকী বিশিষ্ট্য ব্যক্তিৰ কৰ্ম-আদৰ্শৰ বৰ্ণনা তেওঁ কৰিছে।

সংকলনখনৰ প্ৰতিটো কবিতাত কবিগৰাকীৰ সমাজ সচেতনতা আৰু ব্যক্তি জীৱনৰ সুখ-দুখৰ যি হৃদয়ংগমতা, সেয়া স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। কাব্যপুথিখন সৰ্বমুঠ ষাঠি পৃষ্ঠাৰ। প্ৰকাশভংগীৰ লালিত্য আৰু নৈপুণ্যতাই ভিন্ন মাত্ৰা প্ৰদান কৰা কবিতাসমূহত কবিজনাৰ সুকোমল ভাৱৰাশিৰ বৰ্ণনাও সুন্দৰ।

**দৈনিক অসমঃ**

**(২৮/০৯/২০১৮)**
**বৰ্ণিল অৱলোকন**
**লেখিকা - ড০ মঞ্জু দাস**
**আলোচক - বিশ্বজ্যোতি চাংকাকতি**
**প্ৰকাশক - চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী**

'সাহিত্য জাতিৰ দাপোণ। দাপোণত নিজৰ প্ৰতিবিম্ব প্ৰতিফলিত হোৱাৰ নিচিনাকৈ সাহিত্যত এটা জাতিৰ স্বৰূপ প্ৰতিফলিত হয়। মানৱৰ হিত সাধনৰ মন্ত্ৰণা সাহিত্যই দিয়ে। সাহিত্য এক ক'লা।' – লেখিকাই তেওঁৰ পুথিখনৰ 'বাটচ'ৰা'তে এই সুন্দৰ কথাখিনি লিপিবদ্ধ কৰিছে। লেখিকাই মুঠতে ৪৩টা প্ৰৱন্ধৰে ৰচনা কৰিছে তেওঁৰ এই প্ৰৱন্ধ পুথিখন। এই প্ৰৱন্ধসমূহ আকৌ ৯টা ভাগত বিভক্ত কৰিছে। 'বৰ্ণিল অৱলোকন' শিতানত নলিনীবালা দেৱী, অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী আদিৰ কবিতাৰ বিশ্লেষণ আছে। 'শিক্ষা আৰু শিক্ষক'ত দুগৰাকী শিক্ষাগুৰুৰ প্ৰতি তেওঁ শ্ৰদ্ধা নিবেদন কৰিছে। 'আধ্যাত্মিকতাৰ অনুৰণন'ত তেওঁ অসমত শাক্ত ধৰ্মৰ প্ৰৱৰ্তন আৰু প্ৰসাৰ, বিষ্ণু পূজা, ৰাসলীলা, ভাদমহীয়া নাম আদি প্ৰসংগও লিখিছে। সুধাকন্ঠ ড০ ভূপেন হাজৰিকা সম্পৰ্কত তেওঁ চাৰিটা প্ৰৱন্ধ ৰচনা কৰি 'সুধাকন্ঠক সুঁৱৰি' নামৰ এটা শিতান প্ৰস্তুত কৰিছে।

সুধাকন্ঠ সম্পৰ্কত লিখা প্ৰৱন্ধত লেখিকাই লেখিছে যে ভাৰত চৰকাৰে মাহীআইৰ দৃষ্টিৰে চোৱা অসমী আইৰ সন্তান হোৱা বাবেই ভূপেনদাই ভাৰতৰত্ন পাবলৈ সক্ষম নহ'ল। কিন্তু ড০ ভূপেন হাজৰিকাই এই পৰ্যন্ত ইমান সন্মান আৰু বঁটা পাইছে যে অসমত চাগে জীৱিত অৱস্থাত এনেধৰণৰ সন্মান পোৱা দ্বিতীয় এজন নোলাব। 'বঁটা-সন্মান-সম্বৰ্দ্ধনা আৰু ড০ ভূপেন হাজৰিকা' সম্পৰ্কীয় প্ৰৱন্ধটিত(পৃষ্ঠা১৮৭) লেখিকাই এই কথা স্পষ্টভাৱে উল্লেখ কৰিছে। লেখিকাই তেওঁৰ 'বিশ্বৰ গাণিতিক সমাজলৈ ভাৰতবৰ্ষৰ গণিতজ্ঞসকলৰ স্মৰণীয় অৱিহণা' নামৰ প্ৰৱন্ধটোত ভাৰতীয় গণিতশাস্ত্ৰ সম্পৰ্কত বিশদভাৱে আলোকপাত কৰিছে। তেওঁ ইয়াত ভাৰতীয় গণিতজ্ঞসকলৰ ওপৰতো বিশদভাৱে লিখিছে। তেওঁ পুথিখনত একাদশ শতিকাৰ গণিতজ্ঞ ভাস্কৰাচাৰ্য, ঊনৈশ শতিকাৰ শ্ৰীনিবাস ৰামানুজন, বিংশ শতাব্দীৰ হংসৰাজ গুপ্তা, বিংশ শতিকাৰ হিউমেন কম্পিউটাৰ শকুন্তলা দেৱী আদিৰ বিষয়েও উল্লেখ কৰিছে। তেওঁ প্ৰসংগক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ মুৰব্বী অধ্যাপক জ্যোতিপ্ৰসাদ মেধিৰ কথাও উল্লেখ কৰিছে।

লেখিকাই তেওঁৰ 'জিন বিজ্ঞানী কলিন্সৰ দৃষ্টিত ঈশ্বৰৰ অস্তিত্ব' নামৰ প্ৰৱন্ধটোত লিখিছে যে বিশ্ববিখ্যাত বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন, এডিংটন প্লেংক আৰু বহু বিজ্ঞানীয়ে পৰোক্ষভাৱে ঈশ্বৰ বা এক শক্তিৰ অস্তিত্ব মানি লৈছে। বিশেষকৈ কলিন্সে ঈশ্বৰৰ অস্তিত্বৰ ওপৰতহে গুৰুত্ব দিছে।

**নাৰীঃ কত ৰং – কত ৰূপ**
**লেখক - অশ্বিনী কুমাৰ শৰ্মা**
**আলোচক - জয়কান্ত শৰ্মা**

নাৰীৰ বিষয়ে লেখা-মেলাৰ অভাৱ হয়তো নাই। পুৰুষক জীৱনৰ মাদকতাৰে সুখ, তৃপ্তি আৰু পৰিপূৰ্ণতা দিব পৰা শক্তিৰে বলীয়ান হ'ল নাৰী। আনহাতে, প্ৰেম, দয়া, ঘৃণা, নিষ্ঠুৰতা, ক্ষমা, শাস্তি, ধ্বংস, সৃষ্টি আদি পৰস্পৰ বিৰোধী বৈশিষ্ট্যৰেও নাৰী চিহ্নিত। এই বিভিন্ন দিশ আলোচনাৰ মাজলৈ আনিছে নলবাৰী অঞ্চলৰ বিশিষ্ট লেখক অশ্বিনী কুমাৰ শৰ্মাই।

লজ্জা, ধৃতি, সহিষ্ণুতা আদি অলংকাৰেৰে বিভূষিতা নাৰী। দেশে দেশে দেৱী মাতৃ, গোসাঁনী হিচাপেও পূজিতা হৈ আহিছে। হিন্দুৰ দূৰ্গা, সৰস্বতী, লক্ষ্মী, মনসা, কালি আদিও নাৰীৰ প্ৰতিভূ। কুমাৰী পূজাত বাস্তৱ নাৰীকে পূজা কৰা হয়। ছান্দোগ্য উপনিষদত ক'বৰ দৰে, নাৰীয়েই হ'ল যজ্ঞীয় অগ্নী। প্ৰখ্যাত সাধক ৰামকৃষ্ণ পৰমহংসই তেওঁৰ পত্নী সাৰদাৰ মাজতে মাতৃক বিচাৰি পাইছিল। সেইদৰে বাংলাদেশৰ শক্তিসাধক কমলাকান্তয়ো নাৰীৰ মাজতেই মহাশক্তি আৱিষ্কাৰ কৰি লৈছিল, 'সতী নাৰী জগজ্জননীৰ সদৃশ। মহাশক্তি তাৰ মাজতেই বিৰাজ কৰিছে। জগতৰ সকলোৰে ভিতৰত আদ্যশক্তি নাৰীয়েই সৃষ্টি, স্থিতি আৰু উৎপত্তিৰ কাৰণ।'

'এক নাৰী, নানা অভিধা' শীৰ্ষক অধ্যায়টোত লেখকে কৈছে যে সভ্যতা আৰু ঐতিহ্যৰ প্ৰৱাহমান স্ৰোতস্বিনীৰ দৰে নাৰী কামিনী, ৰমণী, নাৰী, দাৰা, মহিলা, কলত্ৰ, মংগনা, ললনা, বণিতা, প্ৰমদা, বামা, ঘৈণী, কাৰ্যা, পত্নী, সহধৰ্মিণী, ঘৰণী আদি নানা নাম আৰু ভূমিকাৰে পৰিচিত। এই নাৰী য'ত নিৰ্যাতিতা, দেৱতাও তাত কৌপিত। লেখকে ক'বৰ দৰে, 'নাৰী শক্তিৰ মাহাত্ম্য উপলব্ধি কৰা যায় আধ্যাত্মিক দিশটো অনুধাৱন কৰিলেহে।' নাৰী প্ৰাচীন কালৰপৰা সমন্বয়ৰ আহিলাও।

'যুগে যুগে নাৰী' অধ্যায়টো দীঘলীয়া যদিও গৱেষণামূলক। ইয়াত বেদৰ সময়ৰপৰা বৰ্তমানলৈকে নাৰীৰ অৱস্থা আৰু ভূমিকাৰ বিৱৰণী আছে। বেদৰ কালত কিছুমান নাৰী মন্ত্ৰদ্ৰষ্টা, আচাৰ্যা, উপাধ্যায়া আদি স্থানতো আছিল। আনকি ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য আদি উচ্চ জাতিৰ নাৰীৰ উপনয়নো হৈছিল, তেওঁলোকৰ গায়ত্ৰী মন্ত্ৰ পাঠ কৰাৰো অধিকাৰ আছিল। কিছুমান নাৰী আছিল ব্ৰহ্মবাদিনী, তেওঁলোকে ব্ৰাহ্মচাৰ্য ব্ৰত লৈ চিৰকুমাৰী হৈ আছিল। কিছুমান আছিল ব্ৰহ্মচাৰিণী তেওঁলোকে ব্ৰাহ্মচাৰ্য ব্ৰত ধৰি গুৰুগৃহত শিক্ষা লৈ পিতৃগৃহলৈ উভতি সংসাৰ ধৰ্ম লৈছিল। 'ঋক বেদ'ৰ ভালেমান শ্লোকৰ ৰচয়িতা আছিল নাৰী।

'দেশে দেশে নাৰী জাগৃতি' শীৰ্ষক অধ্যায়টোত লেখকে ঊনৈশ শতিকাত ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, ৰাজা ৰামমোহন ৰায়, স্বামী দয়ানন্দ সৰস্বতী, লৰ্ড উইলিয়াম বেন্টিংক আদি সমাজ সংস্কাৰকে চলোৱা আন্দোলনে নাৰী সমাজৰো প্ৰভূত উন্নতি সাধিছিলঃ ১৮২৯ চনত সতীদাহ প্ৰথা নিষিদ্ধ হৈছিল আইনযোগে, ১৮৪৯ চনত কলিকতাত স্ত্ৰী শিক্ষাৰ বাবে বেথুন কলেজ স্থাপিত হৈছিল, ১৮৫৪ চনত উড চাহাবৰ অধীনত গঠিত হৈছিল স্ত্ৰী শিক্ষা আয়োগ। বৃটিছ চৰকাৰৰ অধীনত ১৯১৯ চনত 'মন্টেগু চেমছফোৰ্ড সংস্কাৰ' মৰ্মে প্ৰায় এক লাখ মহিলাই ভোটাধিকাৰ লাভ কৰিছিল। আমাৰ জাতীয় চৰকাৰৰ অধীনত ১৯৬১ চনত গৃহীত হৈছিল 'যৌতুক প্ৰথা নিষিদ্ধকৰণ আইন'। ১৯১২ চনত ক্লাৰা জেটকিনৰ নেতৃত্বত 'আন্তৰ্জাতিক নাৰী দিৱস' পালনৰ সূত্ৰপাত ঘটে। ১৯৭৫ চনত মেক্সিকো চহৰত এশখন দেশৰ প্ৰতিনিধিৰ যোগদানেৰে 'আন্তঃৰাষ্ট্ৰীয় মহিলা বৰ্ষ'ৰ শুভাৰম্ভণি হয়। দেশে দেশে স্বাধীনতা সংগ্ৰামবোৰতো নাৰীৰ ভূমিকা আছিল অনন্য। ঝান্সিৰ ৰাণী লক্ষ্মীবাঈ, মুলাগাভৰুৰ সাহস, চুতীয়া ৰাণী সাধিনীৰ সতীত্ব, ৰাধিকা সতী, সতী জয়মতী, কনকলতা, নগা ৰাণী গাইডালু আদি ইতিহাসৰে বন্দিতা নাৰী।

'অসমীয়া নাৰীৰ ঐতিহ্য', 'ভাৰতীয় নাৰী আৰু বিদেশী নাৰী', 'সাহিত্যত নাৰী', 'বিতৰ্কৰ আৱৰ্তত নাৰী', 'নাৰীঃ পুৰুষৰ সঁচাৰকাঠী', 'নাৰী নিৰ্যাতন', 'নাৰীবাদী চিন্তা আৰু সমাজ', 'অসমীয়া ফঁকৰা

যোজনাত নাৰী', 'নাৰী আৰু ফুল', 'নাৰী, প্ৰেম আৰু বিবাহ ইত্যাদি', 'ৰহস্যময়ী নাৰী', 'নাৰী কেনে হ'ব লাগে' আদি অধ্যায়বোৰত নাৰীৰ বিভিন্ন ৰূপ বৰ্ণিত হৈছে।

**০৫/১০/২০১৮**
**ভাষা আৰু সাহিত্যঃ বিচাৰ আৰু বিশ্লেষণ**
**সম্পাদনা - ড° দীপ্তি ফুকন পাটগিৰি, ড°স্মৃতিৰেখা ভূঞা, ড° মনালিছা বৰা**
**আলোচক - জয়ন্ত ডেকা**
**প্ৰকাশক - অসম পাবলিছিং কোম্পানী**

জাতীয় ভাষা আৰু সাহিত্য প্ৰকৃত পক্ষে পুষ্প সংলগ্ন বৃক্ষস্বৰূপ। পুষ্পবিহীন বৃক্ষৰ আদৰ নোহোৱাৰ লেখিয়াকৈ সাহিত্য নোহোৱা ভাষা এটি মৃতপ্ৰায়। ভাষা-সাহিত্য আৰু সংস্কৃতিৰ উপাদান সন্নিৱিষ্ট কেইটামান মূল্যৱান প্ৰবন্ধৰ জুমুঠি। এই গ্ৰন্থখনিত সাহিত্যৰ জিজ্ঞাসু পাঠক-সমালোচকসকলে কেতবোৰ বিশ্লেষণাত্মক তথা গৱেষণাধৰ্মী তথ্য পোৱাৰ সুযোগ পাব। পাঠকে মূলতঃ দুটা দিশৰ ওপৰত আলোকিত ৰচনাৰ সোৱাদ পাব। ইয়াৰ প্ৰথম ভাগটি হ'ল- ভাষা সম্বন্ধীয় আৰু দ্বিতীয়টি হ'ল- সাহিত্য সম্বন্ধীয়। তদুপৰি গ্ৰন্থখনিত সন্নিৱিষ্ট দুটা সংস্কৃতি সম্বন্ধীয় প্ৰৱন্ধ বিশেষকৈ ড° নগেন্দ্ৰ নাথ মেধিৰ 'ৰাভা জনজাতিৰ সাংস্কৃতিক বৈশিষ্ট্যঃ এক চমু অৱলোকন' আৰু ড° পৰাগ কুমাৰ নাথৰ 'চাহ জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি' শীৰ্ষক প্ৰবন্ধ দুটিৰ জৰিয়তে দুইটা জনগোষ্ঠীৰ সাংস্কৃতিক জীৱন, সমাজ আৰু সংস্কৃতিৰ দিশত ভালেখিনি তথ্য লাভৰ সুযোগ পাব। উল্লেখ্য যে ৩৮০ পৃষ্ঠা সম্বলিত এই গ্ৰন্থখনিত ভাষা শিতানত মুঠ ১২ টা প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ ভিতৰত বড়ো, বাংলা, নেপালী, ভোজপুৰী, দেউৰী আদি ভাষাৰ লগত অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য, শব্দগত মিল, ধ্বনিগত সাদৃশ্য আদি দিশত আলোকিত কৰা প্ৰবন্ধ মানুহৰ জৰিয়তে পাঠকে ভালেমান নতুন তথ্য লাভ কৰিব। বিশেষকৈ গ্ৰন্থখনিত সন্নিৱিষ্ট 'অসমীয়া আৰু নেপালী ভাষাৰ ৰূপতত্ত্বগত প্ৰধান সাদৃশ্য' শীৰ্ষক প্ৰবন্ধটিত লেখিকা ড° ইন্দুপ্ৰভা দেৱীয়ে দুয়োটা ভাষাতে ব্যৱহৃত একে ধৰণৰ ধাতু- খা, নাচ্, মিল্, উঘাল, চটফটা, বুজ, আদিৰ উল্লেখ কৰিছে। একে ধৰণে অসমীয়াত দ্বিতীয় পুৰুষৰ অধিক মান্যাৰ্থৰ সৰ্বনামে তৃতীয় পুৰুষৰ ক্ৰিয়া গ্ৰহণ কৰাৰ দৰে নেপালী ভাষাতো দ্বিতীয় পুৰুষৰ অধিক মান্যাৰ্থৰ সৰ্বনামে তৃতীয় পুৰুষৰ অধিক মান্যাৰ্থৰ ক্ৰিয়া গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি ভাষাগত অনেক সাদৃশ্যৰ কথা দেখুৱাইছে। প্ৰবন্ধটিৰ জৰিয়তে দুয়োটা ভাষাৰ পাৰিবাৰিক সম্বন্ধ আৰু ৰূপতত্ত্বৰ দিশত থকা বহু সমৰূপৰ বিষয়ে উল্লেখ কৰি পাঠকক দুয়োটা ভাষাৰ লগত থকা কেতবোৰ সমধৰ্মী চিনাকি ছবিৰ আভাস দিছে। আন পিনে গ্ৰন্থখনিত সন্নিৱিষ্ট বৈষ্ণৱ যুগৰ সাহিত্য বিশেষকৈ ড° অজিত কুমাৰ দাস 'শংকৰোত্তৰ যুগৰ ব্যৱহাৰিক সাহিত্যৰ ৰূপতত্ত্ব' আৰু ড° মামণি বৰাৰ 'প্ৰাক্ শংকৰী যুগৰ সাহিত্যত ক্ৰিয়াৰ ভাব আৰু ইয়াৰ গতি-প্ৰকৃতি' শীৰ্ষক প্ৰবন্ধ দুটিৰ প্ৰথমটিত ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে অৱলোকন কৰি বিশেষ্য, বিশেষণ আদিৰ ব্যৱহাৰৰ ক্ষেত্ৰত শংকৰোত্তৰ যুগৰ সাহিত্যৰ লগত আধুনিক অসমীয়া ভাষাৰ মিলৰ কথা পুংখানুপুংখভাৱে আলোচনা কৰিছে। অৰ্থাৎ পূৰ্বৰ পৰম্পৰা বহন কৰিও আধুনিকতাৰ ফালে ঢাপলি মেলি শংকৰোত্তৰ যুগৰ সাহিত্যই অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক দিশত এটি উল্লেখনীয় অৱদান আগবঢ়োৱাৰ কথা প্ৰকাশ কৰিছে।

গ্ৰন্থখনিত সুৰগা চৰোৱা আন এটি ভাষাগত প্ৰবন্ধ হ'ল কুঁহিশিখা ভূঞাৰ 'অসমীয়া লোক সাহিত্যত সংখ্যাবাচক শব্দ'। এই প্ৰবন্ধটিত লেখিকাই লোকসাহিত্যৰ অন্তৰ্গত লোকগীত, ফকৰা যোজনা, প্ৰবচন, সাধুকথা আদিত কিদৰে সংখ্যাৰ ব্যৱহাৰ হৈছে তাক উদাহৰণসহ সবিস্তাৰে প্ৰকাশ কৰিছে। উদাহৰণস্বৰূপে সাঁথৰৰ প্ৰসংগত লেখিকাই সংখ্যাৰ উল্লেখ এনেদৰে কৰিছে- 'এফালে নঘৰ, এফালে ছঘৰ, পহু পৰিল সাতোটা- ঘৰে প্ৰতি একোটা।' ইয়াত ব্যৱহৃত সংখ্যাগত শব্দই পাঠকক এটি নতুন ৰুচিৰ সোৱাদ দিবলৈ সক্ষম হৈছে। এনেদৰে 'শীলভদ্ৰৰ উপন্যাসত উপভাষাৰ উপাদান' শীৰ্ষক প্ৰবন্ধটিত লেখিকা মণি চৌধুৰীয়ে

গোৱালপাৰা জিলাৰ গোৱালপৰীয়া উপ-ভাষাৰ ধ্বনিগত বৈশিষ্ট্যৰ উপৰি সংশ্লিষ্ট অঞ্চলত ব্যৱহৃত জতুৱা ঠাঁচ, খণ্ডবাক্য, অনুকাৰ-অনুৰূপ শব্দৰ ব্যৱহাৰে বৰ্ণনীয় বিষয়ক ঔপন্যাসিকগৰাকীয়ে কিদৰে স্বাভাৱিক আৰু সৰল কৰিছে তাৰো আভাস পাঠকে সমাজক দিছে। গ্ৰন্থখনিত সন্নিৱিষ্ট সাহিত্য শাখাৰ দহটা মননশীল প্ৰবন্ধয়ো পাঠক সমাজক কেইবাগৰাকী সাহিত্যিকৰ ৰচনাৰীতিৰ বৈশিষ্ট্য সম্পৰ্কে উমান দিছে। এই প্ৰবন্ধসমূহৰ ভিতৰত ড° কানন মেধি পাটগিৰিৰ 'ভবেন্দ্ৰ নাথ শইকীয়াৰ একাংকিকা নাট', 'ড° উৎপলা দেৱীৰ 'লীলা গগৈৰ হাস্য-ব্যংগ ৰচনা', ড° স্মৃতিৰেখা ভূঞাৰ 'কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতি' আৰু ড° কণিকা দেৱীৰ 'মহেন্দ্ৰ বৰাৰ ভাষা আৰু ৰচনাশৈলী' শীৰ্ষক প্ৰবন্ধকেইটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ তথা পাঠকে সংশ্লিষ্ট লেখককেইগৰাকীৰ সাহিত্যিক জীৱনৰ কেতবোৰ দিশৰ বিষয়ে অনুধাৱন কৰাৰ সুবিধা লাভ কৰিব।

গ্ৰন্থখনিত সন্নিৱিষ্ট আন এটি সংবেদনমূলক ৰচনা হ'ল ড° হৰিপ্ৰসাদ বৰুৱাৰ 'মিতভাষঃ ৰূপ ভাবনা আৰু শৈলী'। এই লেখাটিৰ যোগেদি পাঠকে অসমীয়া সাহিত্যত শেহতীয়াকৈ সংযোজিত ড° নগেন শইকীয়াৰ দ্বাৰা ৰচিত একশ্ৰেণী নতুন ফৰ্মৰ কবিতাৰ বিষয়ে জ্ঞান লাভ কৰাৰ সুবিধা পাব। কবি নীলমণি ফুকনৰ ভাষাত- 'ই নতুন বস্তু। কোনোটোহঁত টুকুৰা তীব্ৰভাৱে ভাবনা-আনন্দ-বেদনা সঞ্চাৰী। কোনোটোহঁত কবিতাৰ ওচৰা-উচৰি। কোনোটোহঁত নিভাঁজ কবিতাই। কিছুমান টুকুৰা জিলমিলাই থকা বাথৰৰ দৰে।' মুঠতে এই প্ৰবন্ধটিত অসমীয়া কাব্য সাহিত্যলৈ ড° নগেন শইকীয়াৰ অভিনৱ সংযোজন 'মিতভাষ'ৰ বিষয়ে আলোচিত যথেষ্ট সমল ছাত্ৰ-ছাত্ৰী তথা কাব্য পিপাসুসকলে লাভ কৰিব।

গ্ৰন্থখনিৰ আন এটি মননশীল ৰচনা ড° নীলিমা গোস্বামী শৰ্মাৰ 'অসমীয়া আৰু বাংলা শিশু সাহিত্যঃ এটি তুলনামূলক অধ্যয়ন' শীৰ্ষক প্ৰবন্ধটিত ভাৰতীয় সাজ-সংস্কৃতিৰ পটভূমিত অসমীয়া আৰু বাংলা শিশু সাহিত্যৰ উদ্ভৱ আৰু ক্ৰম বিকাশৰ উপৰি দুয়োটা ভাষাতে উপলব্ধ শিশু সাহিত্যৰ সাদৃশ্য আদি নানান দিশত আলোকিত তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব পঢ়ুৱৈসকলে।

ড° হাচিনুজ চুলতানৰ দ্বাৰা ৰচিত 'Explorations of the charuwa speech of Assam : Linguistics space and Identity' শীৰ্ষক প্ৰবন্ধটিত চৰ-চাপৰি অঞ্চলত বসবাস কৰা লোকসকলৰ শব্দগত সাদৃশ্য, সমাজ আদিৰ বিষয়ে বিশ্লেষণাত্মকভাৱে অৱলোকন কৰা হৈছে। গৱেষণাধৰ্মী প্ৰবন্ধৰে সমৃদ্ধ এই গ্ৰন্থখনে চৰ অঞ্চলৰ লোকসকলৰ বিষয়ে বিশেষকৈ ভাষাগত দিশটোৰ বিষয়ে পাঠক সমাজে তথ্য লাভ কৰিব।

**নাট্যতত্ব আৰু আলোচনা**
**লেখক - চিত্তৰঞ্জন নাথ**
**আলোচক - নৰেন হাজৰিকা**
**প্ৰকাশক - পূৰ্বায়ন প্ৰকাশন**

এই গ্ৰন্থখন যেন একো একোটা নাট সংস্কৃতিৰ বিভিন্ন স্বাদৰ প্ৰবন্ধ। যিখন গ্ৰন্থত তেওঁ সম্পূৰ্ণ নতুন দৃষ্টিভংগীৰে চিন্তা-চৰ্চা কৰি নতুন লেখক-লেখিকাসকলক অগ্ৰাধিকাৰ দিছে। গ্ৰন্থখনত সম্পাদকে নাটকৰ তাত্বিক দিশত বিশেষভাৱে গুৰুত্ব দিছে। গ্ৰন্থখনি পঢ়িলে এটা কথাই মনলৈ আহে- যিটো কথাই সাহিত্যৰ ক্ষেত্ৰত আমাৰ নাট সাহিত্যৰ অভাৱনীয় অভাৱৰ কথা। এই উদ্দেশ্য পূৰণৰ বাবেই সম্পাদকে নবীন-প্ৰবীণ সকলোকে সামৰি নাট সাহিত্যৰ বিভিন্ন আলোচনা পঢ়ুৱৈ সমাজক দিবলৈ প্ৰয়াস কৰিছে। লগতে এগৰাকী গৱেষক ছাত্ৰ হিচাপে লেখকে অসমীয়া নাট্য-সাহিত্যৰ কিছু দিশ বিচাৰ-বিশ্লেষণৰো চেষ্টা কৰিছে। এনে এখন গ্ৰন্থৰ জন্মই হৈছে নাট সংস্কৃতিৰ ক্ষেত্ৰত মানুহৰ হৃদয়ত থিতাপি লোৱা ভাবৰ বুৰবুৰণি। লেখকৰ দৰে এগৰাকী নাট্যপ্ৰিয় লেখকৰ সম্পাদিত গ্ৰন্থখনত যিকেইটা প্ৰবন্ধ তেওঁ সন্নিৱিষ্ট কৰিছে, সেইবোৰ কেৱল অসমীয়া জাতিটোৰেই নহয়, ভাৰতীয়ত্বকো নাট সাহিত্যত শক্তিশালী কৰি তুলিছে।

‘অসমীয়া নাটকঃ ঐতিহ্য আৰু ৰূপান্তৰ’, ‘নাটকৰ ক্ৰমবিকাশঃ এটি আলোকপাত’, ‘অসমীয়া নাটক পৰম্পৰা আৰু পৰিৱৰ্তন’, অসমীয়া ঐতিহাসিক নাটকৰ উদ্ভৱ আৰু বিকাশ আদি প্ৰবন্ধকেইটাত ক্ৰমে ভাস্কৰ ভট্ট, জ্যোতি ভাৰ্গৱ বৈশ্য, পল্লৱী আৰান্ধৰা, ড° ইন্দ্ৰাণী কলিতাই নাটকৰ জন্মধাৰা আৰু নতুন গতিধাৰাৰে অগ্ৰগতি লাভ কৰাৰ কথা প্ৰকাশ কৰাত প্ৰায় সকলো পাঠকে আন্তৰিকতাৰে ৰসৰ স্বাদ পাবলৈ সক্ষম হৈছে। ড° মৃণালজ্যোতি গোস্বামী আৰু সোণালী ডেকাৰ নাটকত কেইটিমান অৰ্বাচীন ধাৰা আৰু আধুনিক অসমীয়া নাটকৰ ধাৰা প্ৰবন্ধ দুটাই নাট্যতত্ব সম্পৰ্কীয় তথ্যৰ অভাৱ পূৰণত সহায় কৰিছে। লগতে বিশ্ব সাহিত্যত বিস্তৃত আলোচনাৰে এবছাৰ্ড নাটক আৰু অসমীয়া নাটকত ইয়াৰ প্ৰভাৱ, একাংকিকা, ভ্ৰাম্যমাণ থিয়েটাৰ, থাৰ্ড থিয়েটাৰ আদিৰ বিশ্লেষণেৰে অসমীয়া সাহিত্যত পৰা প্ৰভাৱৰ কথা উনুকিয়াইছে। পল্লৱী আৰান্ধৰা, সমুদ্ৰ কাজল শইকীয়া, ড° বিৰিঞ্চি কুমাৰ কলিতা আৰু ড° দয়ানন্দ পাঠকে লগতে ড° নিতু চহৰীয়াৰ অনাতাঁৰ নাটকৰ গতি-প্ৰকৃতিৰ বিশ্লেষণেৰে ন-ন তথ্যৰে সমৃদ্ধ আলোচনা আগবঢ়াইছে। প্ৰবন্ধকেইটা সমৃদ্ধ কৰিবলৈ চেষ্টা কৰিছে। এয়া লেখকৰ বিস্তৃত অধ্যয়ন আৰু চিন্তাৰ পৰিচায়ক বুলি ক’ব পাৰি।

শংকৰ মাধৱ দুজনা গুৰু সৃষ্ট অংকীয়া নাট ভাওনাই ৫৫০ বছৰকাল ধৰি জনসমাজক ভক্তিৰস পান কৰাই পৰিতৃপ্ত কৰি আহি আছে। শংকৰদেৱৰ সৃষ্ট নাটসমূহ যুগান্তৰৰ বিজতৰীৰা প্ৰভাৱ বা বিশ্বায়নৰ কুফলতো স্বকীয়তা আজিও হেৰুৱাই যোৱা নাই। মহাপুৰুষৰ আধ্যাত্মিক সংস্কৃতি-অংকীয়া নাট-ভাওনা আজিও জীৱন্ত হৈ আছে। গ্ৰন্থখনত সন্নিৱিষ্ট চিহ্নযাত্ৰাঃ বিশ্বৰ প্ৰথমখন মঞ্চ নাট, কোচবিহাৰ ৰাজসভাৰ কবি শংকৰদেৱ আৰু তেওঁৰ ৰামবিজয় নাট, শংকৰদেৱৰ নাটত লোকবিশ্বাস, শংকৰদেৱৰ নাট্য ভাৱনা, শ্ৰীৰাম আতাৰ সুভদ্ৰাহৰণ নিবন্ধকেইটিত ধীৰেন শইকীয়া, ড° নীলমোহন ৰায়, সৰস্বতী ৰাজবংশী, স্মৃতিৰেখা বৰাই শংকৰদেৱৰ ভাওনাৰ স্বকীয়তা হেৰাই যাবলৈ নিদিয়াকৈ জাতীয় সংস্কৃতিপ্ৰেমীসকলে জীয়াই ৰখাৰ চেষ্টাৰ ক্ৰুটী যে কৰা নাই বৰং মহাপুৰুষৰ আধ্যাত্মিক সংস্কৃতি-অংকীয়া নাট-ভাওনা জীৱন্তহে কৰি ৰাখিছে- প্ৰবন্ধকেইটা পঢ়িলেই এই কথা জলজল-পটপটকৈ ওলাই পৰে।

নিবন্ধবোৰত লেখকে নাট সংস্কৃতিৰ পথাৰখন বৰেণ্য নাট্যকাৰ কেইগৰাকীৰ বহা বহা নাটকেইখনমানৰ আলোচনামূলক নিবন্ধ সন্নিৱিষ্ট কৰিছে। এই নিবন্ধবোৰত জিলিকি থকা অসমীয়া সমাজখনৰ কথাকেই কৈছে। প্ৰতিটো প্ৰৱন্ধই ভিন্ন ৰূপত সজ্জিত হোৱাত গ্ৰন্থখনি আকৰ্ষণীয় আৰু মনোমোহা হৈছে। ড° পংকজ নমঃশূদ্ৰ, নীতামণি ডেকা, ড° ধীৰাজ পাটৰ, মিন্টু বৰা, ছুইটী বৰা, জোনালী কলিতা, ড° কল্পনা তালুকদাৰ, অৰ্চনা শইকীয়া ৰীণা মেধি, ড° গীতা বৰ্মণ, ৰেহেনা আখতাৰ, হীৰামণি কলিতা হুজুৰী, জুলুশ্ৰী গগৈ, ভৃগু ডেকা, ড° মৃণালজ্যোতি গোস্বামী, জোনকুমাৰ কলিতা আৰু বৰ্ণালী ডেকাৰ প্ৰবন্ধকেইটাত স্পষ্ট।

প্ৰাঞ্জল ভাষা আৰু প্ৰকাশভংগীৰ বিচক্ষণতাই নিবন্ধবোৰ সুখপাঠ্য কৰি তুলিছে। মাজে মাজে অসমৰ সংস্কৃতিৰ লগত মিলি যোৱা অসমৰ অসমীয়া চাহ জনগোষ্ঠীৰ আধাৰৰ নাট ‘মাদলঃ এক বিশ্লেষণাত্মক আলোচনা’ নামৰ নিবন্ধটোত লাকী দাসে চাহ জনগোষ্ঠীৰ লোকসকলৰ সাংস্কৃতিক দিশসমূহ জীৱন্ত ৰূপত প্ৰতিফলিত হোৱাৰ বিশ্লেষণ, উৎসৱ-পাৰ্বণ আদিৰ কথা উল্লেখ কৰাৰ উপৰি অসমলৈ বনুৱা হিচাপে অসমীয়াৰ সংস্কৃতিৰ সৈতে নিজকে বিলীন কৰি দিয়াৰ কথা সুন্দৰকৈ দাঙি ধৰিছে। নিবন্ধটোত লেখিকাৰ উক্তিবোৰ, বচনভংগী অতি সহজ-সৰল আৰু স্বাভাৱিক হোৱাত পাঠক-পাঠিকাৰ বাবে উপভোগ্য হৈছে।

সামগ্ৰিকভাৱে ক’বলৈ গ’লে নাট সংস্কৃতিৰ বলিষ্ঠ অৱদান সুনীল ভূঞাৰ ‘হাতী ফান্দীৰ এটা আলোচনা’ নিবন্ধটোত চয়নিকা চাংমাইৰ মঞ্চসফল নাটখনিৰ বিশ্লেষণে অসমীয়া নাটৰ গৌৰৱোজ্জ্বল দিশ এটাকেই পৰিস্ফুট কৰিছে।

**(১২/১০/২০১৮**
**আত্মতত্ব জ্ঞান**
**লেখক - অযোধ্যা প্ৰসাদ গোস্বামী**
**আলোচক - জগৎ ৰাম বৰঠাকুৰ**
**প্ৰকাশক - কৰ্মপ্ৰাণ অযোধ্যা প্ৰসাদ গোস্বামী, স্মৃতিৰক্ষা সমিতি**

গোটেই জীৱন আধ্যাত্মিক চিন্তাধাৰাৰে পৰিচালিত ব্যক্তিগৰাকীয়ে জীৱনটো সৰুৰে পৰা সংগ্ৰাম কৰিব লগা হৈছিল। ঘৰত থকা সময়খিনি সদ্ব্যৱহাৰ কৰি এই বহুমূলীয়া কিতাপখনৰ পাণ্ডুলিপি লিখি থৈ যায়।

এই কিতাপখন এখন উচ্চ চিন্তাৰ কিতাপ। আমিনো এই পৃথিৱীত ক'ৰ পৰা আহিলোঁ, কিয় আহিলোঁ, আমাৰ কৰ্তব্যনো কি- এই কথাবিলাক চিন্তা কৰি কোনটো পথে গ'লে আমি এটা আচল পথ উলিয়াবলৈ সমৰ্থ হ'ম তাৰেই নিৰ্দেশনা কিতাপখন পঢ়িলে পাব পাৰি। মানৱ জীৱন সুচাৰুৰূপে অতিক্ৰম কৰাটো নিতান্তই কঠিন কাম। ডাঙৰ হৈ অহাৰ লগে লগে মনৰ নানান চিন্তাই বিভিন্ন দিশলৈ টনাটনি কৰে। লোভ-মোহ, কাম-ক্ৰোধ, মায়া-মমতা আদি ৰিপুবোৰে তলে তলে মনটোক বিভিন্ন দিশলৈ প্ৰলোভিত কৰে। ধীৰ-স্থিৰ হৈ কাম কৰিব নোৱাৰিলে মনটোক স্থিৰ কৰি ৰখাটো অতি কঠিন। ইয়াৰ বাবে সৎ চিন্তা, সৎ আচৰণ অত্যন্ত প্ৰয়োজন।

গ্ৰন্থখনত ৰামগীতা, আত্মবোধ, উপদেশ, যতি পঞ্চকম, তুলসী গীতা, আত্মষ্টকম, জীৱন মুক্তি গীতা, যমগীতা, বৈষ্ণৱ গীতা, ধৰণী গীতা, পিতৃ গীতা, পান্দৱ গীতা আদি কৰি ১৯ টা বিভিন্ন বিষয়ত লিখা হৈছে। মূলতঃ গীতাকেন্দ্ৰিক পুথিখন মূল গীতাৰ লগত অন্তৰ্ভুক্ত নোহোৱা বিষয়সমূহৰ ওপৰত অনুবাদসহ ব্যাখ্যা কৰি ভালদৰে বুজাই দিছে। ইয়াৰ মূল কথাখিনি আয়ত্ত কৰিব পাৰিলে এটা সৎ জীৱন ধাৰণৰ উপায় উলিয়াব পাৰি।

আত্মতত্ব জ্ঞান আহৰণৰ বাবে উদ্দালক মুনিৰ নাতিনীয়েক ৰাজপ্ৰসৱ মুনিৰ পুত্ৰ নাচিকেতাই প্ৰাথমিক শিক্ষা গুৰুৰ গৃহত শেষ কৰি পিতাকৰ লগত আছিল। তেওঁ সৰুৰে পৰা বৰ চিন্তাশীল লোক আছিল। এই নাচিকেতাক তেওঁৰ পিতৃয়ে যমলৈ দান কৰিম বুলি কোৱাত তেওঁ পিতৃৰ আদেশ মানি যম ৰজাৰ গৃহত উপস্থিত হ'ল। যম ৰজাক তেওঁ আত্মতত্ব জ্ঞানৰ বিষয়ে বুজাই তেওঁক জ্ঞান দিব লাগে বুলি প্ৰাৰ্থনা কৰিলে। ইমান কম বয়সতে আত্মতত্ব জ্ঞানৰ বিষয়ে জানিবলৈ আগ্ৰহ হোৱাত ৰজাই তেওঁক তেওঁৰ উদ্দেশ্যৰ পৰা আঁতৰাই আনিবলৈ সা-সম্পত্তি, টকা-পইচা সকলো দিবলৈ প্ৰতিশ্ৰুতি দিলে। তেতিয়া নাচিকেতাই যম ৰজাক ক'লে যে 'আপুনি মোক টকা-পইচা, সা-সম্পত্তি দি সন্তুষ্ট কৰিবলৈ বিচাৰিছে। কিন্তু এইবিলাক তেনেই ক্ষণস্থায়ী, আত্মসন্তুষ্টি দিব নোৱাৰে। কেৱল আত্মতত্ব জ্ঞানেহে সন্তুষ্টি দিব পাৰিব।' নাচিকেতাৰ একাগ্ৰ চিন্তা আৰু দৃঢ় মন দেখি তেওঁক আত্মতত্ব জ্ঞান দিবলৈ যম ৰজা সন্মত হ'ল।

ৰাম গীতাত ভগৱান ৰামচন্দ্ৰই ভায়েক লক্ষ্মণক কৈছিল- 'ভাই লক্ষ্মণ, সৰ্বপ্ৰথমেই নিজ নিজ বৰ্ণাশ্ৰম বিহিত কৰ্ম সাধন কৰিব লাগে। তাকে কৰিলে অন্তঃকৰণ শুদ্ধ হয়, অন্তঃকৰণ শুদ্ধিৰ পিছত শম, দান, দয়া, দক্ষিণা আদি সাধন কৰিব লাগে। একেবাৰে শেষতহে আত্মতত্ব জ্ঞান লাভৰ বাবে সদগুৰুৰ আশ্ৰয় লোৱা আৱশ্যক।' শাস্ত্ৰবিহিত ধৰ্ম-কৰ্মৰ অনুষ্ঠানৰ দ্বাৰা মানুহে পাপ-তাপৰপৰা উদ্ধাৰ পাব আৰু মন অন্ধকাৰ আঁতৰাই দিব্যজ্ঞানৰ পোহৰেৰে অন্তৰ আলোকিত কৰিব। অন্তঃকৰণ, জ্ঞানবোধ শক্তি আৰু মগজু পূৰ্ববৎ তৰল আহাৰ ধাৰণ কৰি পৱিত্ৰ জীৱন-যাপন কৰাৰ বাবে সমৰ্থ হ'ব। মহামানৱ শঙ্কৰাচাৰ্যই ৬৭ টা শ্লোকৰ দ্বাৰা আত্মবোধ শাস্ত্ৰ প্ৰণয়ন কৰি আত্মা আৰু আত্মপৰিচয়ৰ সুগম পথ মানুহৰ বাবে দেখুৱাই থৈ গৈছে। শঙ্কৰাচাৰ্যই তেওঁৰ উপদেশ বাণীৰ যোগেদি ভক্তসকলক অনিত্য বিষয়-বাসনা পৰিত্যাগ কৰি মন, বুদ্ধি আৰু দেহক আসক্তিশূন্য কৰিবলৈ পৰামৰ্শ দিছে। পৰৰ ধনৰ আশা নকৰি নিজৰ পৰিশ্ৰমেৰে উপাৰ্জিত ধনতেই সন্তুষ্ট থাকিবলৈ কৈছে। যিটো আমাৰ বাবে এতিয়া অতিকৈ প্ৰয়োজন। কাশী শব্দৰ অৰ্থ বিমল জ্ঞান বুলি কোৱা হৈছে। মানুহৰ কাৰ্যৰ দ্বাৰা সেই কাশীস্বৰূপ বিমল জ্ঞান লাভ কৰিব পাৰে। সেই বিমল জ্ঞান অৰ্থাৎ শুদ্ধ সত্ব

জ্ঞানৰ উৎকৰ্য সাধিত হ’লে পৰম পৱিত্ৰ তত্ত্বজ্ঞান লাভ হয়। তুলসী গীতাত তুলসী গীতাৰ বিষয়ে কৈছে। যে যাৰ দৰ্শন মাত্ৰকে সমস্ত পাপ ধ্বংস হয়, যাক স্পৰ্শ কৰিলে দেহ পৱিত্ৰ হয়, যাক বন্দনা কৰিলে বা অভিনন্দন কৰিলে সমস্ত ৰোগৰপৰা মুক্তি পাব পাৰি, যাক পানীত তিয়াই সেই পানী গাত সানিলে অন্তৰৰ ভয় দূৰ হয়, যাক ৰুলে বা ৰোপন কৰিলে ভগৱান শ্ৰী কৃষ্ণৰ প্ৰতি ভক্তি হয়, যাক কৃষ্ণৰ চৰণত অৰ্পণ কৰিলে মুক্তি লাভ কৰে- সেই তুলসী দেৱীক নমস্কাৰ কৰে ভক্তবৃন্দই।

আত্মা-পৰমাত্মাৰ সূক্ষ্মভাৱে পৰিচয় আত্মাষ্টকমত উল্লেখ কৰা হৈছে। অবিদ্যা কল্পিত জড় দেহক মই জ্ঞান কৰাৰ ভ্ৰম এই ষ্টকমৰদ্বাৰা বিদুৰিত হ’ব আৰু পৰমাত্মা বা পৰম ব্ৰহ্মৰ উপলব্ধি ঘটি জীৱই শিৱত্ব প্ৰাপ্তি লাভ কৰিব। পণ্ডিতসকলে সকলো মঙ্গল বা অমঙ্গলৰ কাৰণ স্বৰূপ বুলি মনকে নিৰ্ণয় কৰিছে। সুখৰ-দুখৰ মনেই কাৰণ। জীৱন মন যি মুহূৰ্তত একমাত্ৰ সচ্চিদানন্দৰ ৰূপ পৰম ব্ৰহ্মত সুদৃঢ়ভাৱে লাগি থাকিব, তেতিয়াহে জীৱৰ মোক্ষ লাভ ঘটিব। এই তত্ব যি সাধকৰ হৃদয়ঙ্গম হৈছে তেৱেঁই জীৱমুক্ত পুৰুষ।

যম গীতাত কৈছে- যি লোক শুভ বুদ্ধি সম্পন্ন, যাৰ অহমিকা নাই, যিজন শান্তিমূৰ্তিৰ, পৱিত্ৰ স্বভাৱ, সকলো জীৱৰ মিত্ৰস্বৰূপ, প্ৰিয় আৰু হিত বাক্য কওঁতা, যাৰ অন্তৰত মোহ-মায়া নাই, তেনেজনৰ অন্তৰতেই বাসুদেৱে অধিষ্ঠান কৰে। আত্মতত্ব জ্ঞান বা আত্মবোধৰ দ্বাৰা অজ্ঞানৰূপী অন্ধকাৰৰ বিনাশ ঘটে। হৃদয়ত জ্ঞানতত্বৰূপী সূৰ্য উদয় হ’লে সৰ্বব্যাপী, সৰ্বধাৰী ৰূপে প্ৰকাশমান হয়। তদুপৰি সেই হৃদয়াকাশৰ উজ্জ্বল জ্ঞান-জ্যোতিয়ে সৰ্বত্ৰব্যাপী সৰ্ববস্তুকে প্ৰকাশমান কৰে। ভগৱান শঙ্কৰাচাৰ্যই ১৬ টা উপদেশ বাক্যৰ শ্লোক ৰচনা কৰি শিষ্যসকলক শিক্ষা দিছিল। পৰৰ ধন আশা নকৰি পৰিশ্ৰমেৰে উপাৰ্জিত ধনতে সন্তুষ্ট থাকিবলৈ উপদেশ প্ৰদান কৰিছে। যতি পঞ্চকমত কৈছে যে- পঞ্চভূতৰ দ্বাৰা গঠিত এই দেহাই কাশীক্ষেত্ৰ। এই দেহস্বৰূপ কাশীক্ষেত্ৰত জ্ঞানৰূপী গংগা সৰ্বক্ষণ প্ৰৱাহমান হৈ আছে। গুৰুৰ কৃপাত ইড়া, পিঙ্গলা, সুষুম্না এই তিনি নাৰীৰ তত্বজ্ঞান লাভ কৰিব। এই তিনি নাৰীৰ মিলনক্ষেত্ৰই দেহৰ প্ৰয়োগ ক্ষেত্ৰ, চৈতন্য জীৱাত্মাই হ’ল কাশীক্ষেত্ৰ অৰ্থাৎ মানুষ্য দেহৰ বিশ্বেশ্বৰ শিৱ। এতেকে নিজৰ দেহৰ মাজত সকলো বিৰাজ কৰি আছে। তেনেস্থলত আমি পাৰ্থিৱ তীৰ্থক্ষেত্ৰ ভ্ৰমণ কৰাৰ আৱশ্যকতা নাই যেন লাগে। আত্মা-পৰমাত্মাৰ পৰিচয় সূক্ষ্মভাৱে আত্মাষ্টকমত বৰ্ণনা কৰা হৈছে। যি পুৰুষে জ্ঞানৰ দ্বাৰা পৰমাত্মাৰ তত্ব উপলব্ধি কৰিব পাৰিছে, তেওঁকেই জীৱন্মুক্ত পুৰুষ বুলি কোৱা হয়। যি সাধকে পৰমাত্মা ব্ৰহ্মাণ্ডৰূপী পুৰুষাত্মক এনেদৰে জ্ঞান কৰিব পাৰে, তেৱেঁই জীৱন্মুক্ত পুৰুষ। যাৰ আত্মাই সদা সৰ্বদায় কেশৱ বিষ্ণুক অৱলম্বন কৰি আছে, তেনে পুৰুষক যম বা যমদূতে, যমদণ্ড, যমৰ পাশজৰী, যমৰ যন্ত্ৰণা ভোগাবলৈ সমৰ্থ নহয়। পাণ্ডৱ গীতাৰ মতে, নাৰাৱণক স্মৰণ কৰি জীৱনৰ বাটত সহজে আগবাঢ়ি যাব পাৰি।

**বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্যালংকাৰ**
**লেখক - দিলস্ লক্ষীন্দ্ৰ সিংহ**
**প্ৰকাশক - বিষ্ণুপ্ৰিয়া মণিপুৰী ৰাইটাৰ্ছ ফোৰাম**

অসমৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী বিষ্ণুপ্ৰিয়া মণিপুৰীসকল ভাষাগত দিশত সংখ্যালঘু যদিও তেওঁলোকৰ সংস্কৃতি আৰু ভাষা-সাহিত্য চহকী। লৌকিক সাহিত্যৰ পৰ্যায়ত তেওঁলোকৰ মাজত জনপ্ৰিয় ‘বৰণ ডাহানিৰ এলা’, ‘মাদৈ-সৰাহালৰ এলা’, ‘পানীৰ এলা’, বিভিন্ন খেল-ধেমালিৰ গীতসমূহ, ‘আপাঙৰ য়াৰি’, ‘ববেইৰ য়াৰি’, ‘সৰাহালৰ য়াৰি’ আৰু অজস্ৰ ফকৰা-যোজনা ইত্যাদি। লিখিত সাহিত্যৰ আৰম্ভণি এশ বছৰ আগৰ। যোৱা শতাব্দীৰ পঞ্চাশ দশকৰপৰা আৰম্ভণি আধুনিক সাহিত্যৰ অবিৰত যাত্ৰা। সাহিত্যিকসকলৰ সাধনা আৰু ত্যাগৰ বিনিময়ত তেওঁলোকৰ আধুনিক কবিত, গল্প, নাটক, উপন্যাস আদি যথেষ্ট উন্নত

পৰ্যায়ত অৱতীৰ্ণ হোৱা বুলি সমালোচকসকলে প্ৰশংসা কৰিছে। তেওঁলোকৰ সাহিত্যত সৃজনশীল সাহিত্যৰ লগতে সমালোচনামূলক সাহিত্যৰো যথেষ্ট উন্নতি হৈছে।

